মেই 2008 ■ Rs.15/-

চান্দমামা

60 1947 2007

CHANDAMAMA BOOK SHELF

Presents

Folk Tales of India









An exclusive collection from the land of stories.
Stories popularly circulated among the peope of the four regions of our country.
A compendium worth preserving.
Rs. 50 each

Available soon in leading bookstores!

Chandamama India Ltd., JVL Plaza, 6th Floor, 626 Anna Salai, Teynampet, Chennai - 600 018



CN
BEN 10
বাটাৰ স্কুল-প্ৰডাক্ট্ ক্ৰয় কৰা
নিজৰ লগত বেন১০™
স্কুললৈ লৈ যোৱা
নিজৰ ক্ৰয়ৰ লগত
এটা বেন১০ চিপাৰ*
লৈ যোৱা
কেৱল ২৫ টকাত
*Original MRP of sipper is Rs. 79/-. Offer valid till stocks last Bata school shoes available without this offer also
*Terms and Conditions Apply.
To win more BEN10 Goodies SMS Bata CM <space> Name <space> Age to 58888
Bata
SCHOOL SHOES
CARTOON NETWORK
TM & © Cartoon Network.
(s08)

চান্দমামা বৰ্ষ ৩১ মেই ২০০৮ সংখ্যা-৫

বিশেষ আকৰ্ষণ

যোগ্য ৰজা (বেতাল কাহিনী)...১৯

চিৰস্মৰণীয় ঐতিহাসিক ঘটনা--৯ ...৩৬

ৰাজস্থানৰ এটা লোককাহিনী ...৪৫



ৰামায়ণ ... ৫৭

এই সংখ্যাত আছে

★ পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা ...০৬
★ নেত্ৰ সঞ্জীৱনী ...০৭
★ অক্ষয় নিধি ...১০
★ ভয়ংকৰ ঘাটী-৩১ ...১৩
★ মই আটাইতকৈ বেছি ভালপোৱা কাহিনী-১১ ...২৬
★ মহান লোকৰ জীৱনৰ শিক্ষণীয় দিশ-২৯ ...২৮
★ বিচিত্ৰ ভাৰত ...৩০
★ বীৰবলৰ কাহিনী-৯ ...৩১
★ সংবাদ বিচিত্ৰা ...৩৫
★ গৰম আৰু ধূলি ...৪০
★ অলিম্পিক: ৰবকৈ নজনা কেইটামান কথা ...৪৪
★ চান্দমামা কুইজ-৪ ...৪৯
★ পশুপতিৰ বেদশিক্ষা ...৫০
★ জাতক কথা ...৫৪
★ ৰজাৰ প্ৰতিযোগিতা ...৬৩
★ অপৰাজেয় গৰুড়-২৬ ...৬৭
★ ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান ...৭১
★ বাতৰিৰ শিৰোনামাত শিশু ...৭২
★ জানো আহাঁ নানা কথা ...৭৩
★ ফটো নামকৰণ প্ৰতিযোগিতা ...৭৪

সম্পাদকীয়
বি.নাগি ৰেড্ডী
আৰু চক্ৰপানি

অমৰ বাণী

যি মানুহে নীতিৰ কথা জানে, তেওঁক কোনোৱে নিন্দা কৰক বা প্ৰশংসা, সম্পত্তি আহক বা নাহক, মৃত্যু লাগিলে এই মুহূৰ্ত্ততে আহে বা বহু যুগলৈকে নহাকৈ থাকে, সাহসী ব্যক্তি ন্যায় মাৰ্গৰপৰা এখোজো বিচলিত নহয়।

বন্য জীৱ জন্তুৰ সংৰক্ষণ

ঊনৈশশৰ দশকটোত ভাৰতৰ হাবিবোৰত বাঘৰ সংখ্যা আছিল ৪০,০০০টা। কিন্তু ১৯৭২ চনত সম্পন্ন কৰা বাঘৰ প্ৰথম পিয়লত এই অংকটো কমি ১৮২৭ হোৱা দেখি সকলোৰে চকু কপালত উঠে। ১৯৭৩ চনত বাঘক ভাৰতৰ ৰাষ্ট্ৰীয় জন্তু বুলি ঘোষণা কৰা হয় আৰু এই জন্তুটোক বিলুপ্ত হোৱাৰপৰা ৰক্ষা কৰিবলৈ চৰকাৰে "প্ৰজেক্ট টাইগাৰ" নামৰ আঁচনি আৰম্ভ কৰে।

প্ৰজেক্ট টাইগাৰৰ লক্ষ্য হ'ল বন্য জন্তুবোৰ, বিশেষকৈ বিলুপ্তিৰ মুখামুখি হোৱা জন্তুবোৰ সংৰক্ষণ কৰা। জন্তুবোৰ লুপ্তপ্ৰায় হয় কেনেকৈ? এটা কাৰণ হ'ল, জধেমধে কৰা চোৰাং চিকাৰ। অৱেশ্যে, বন্য জীৱন সংৰক্ষণ অধিনিয়ম কাৰ্যকৰী হোৱাৰ পাছত এনে চিকাৰ আইনগতভাৱে নিষিদ্ধ হয়। তথাপি কিছু পৰিমাণে চোৰাং চিকাৰ এতিয়াও অবাধে চলি আছে। যোৱা সময়বোৰত, অৰণ্যৰ মাজেদি বৈ যোৱা নদীবোৰৰ পানী প্ৰদূষিত হৈছে। এই প্ৰদূষিত পানী পান কৰিলে হোৱা বিপদৰ কথা জন্তুবোৰে নাজানে। তৃতীয়তে, জনসংখ্যা অভাৱনীয় ভাৱে বাঢ়ি অহাত অৰণ্য অঞ্চলত মানুহে বেদখল কৰি বাস কৰিবলৈ লৈছে। জন্তুবোৰ সেয়েহে অৰণ্যৰ নিজৰ ঘৰ এৰি ওচৰৰ নগৰ মহানগৰত ঘূৰি ফুৰিবলৈ লৈছে আৰু তেতিয়াই মানুহৰ হাতত সিহঁতে প্ৰাণ দিবলগীয়া হয়।

অৱশ্যে ১৯৮১ চনৰ এই ঘটনাটোৰ দৰে বহুত উদাহৰণ আছে, এবাৰ এটা হৰিণ পোৱালি গাঁওবাসীৰ হাতত ধৰা পৰে, পোৱালিটো নামাৰি তেওঁলোকে ইয়াক গতাই দিয়ে প্ৰজেক্ট কৰ্ত্তৃপক্ষৰ হাতত আৰু পিছত তাক পশ্চিমবংগৰ চল্ট লেকত থকা হৰিণ উদ্যানলৈ নিয়া হয়। প্ৰায়েই আমি নগৰীয়া অঞ্চলত অনাই বিনাই ঘূৰি ফুৰা হাতী, নাহৰফুটুকী বাঘ, লতামাকৰী বাঘ আদিৰ কাহিনী শুনো যিবোৰক বন বিভাগৰ কৰ্মীসকলৰ সহায় লৈ ধৰা হয় আৰু সমীপৰ হাবি বা অভয়াৰণ্যত এৰি দিয়া হয়।

এটা কথাত কোনো বিবাদ নাই। জন্তুৰ মূল নিধনকাৰী হ'ল আমি মানুহবোৰ নিজে। এটা কথা বুজাৰ এইটোৱেই উপযুক্ত সময় যে জীৱ জন্তু আৰু উদ্ভিদ থাকিলেহে আমাৰো অস্তিত্ব বৰ্ত্তি থাকিব।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.com

চান্দমামা

Editor, Publisher : B. Viswanatha Reddi (Viswam)
Chief Executive Officer : L. Subramanyan
Editorial Advisors : Ruskin Bond, Manoj Das
Consultant Editor : K. Ramakrishnan
Artists: K.C. Sivasankaran (Sankar)
Gandhi Ayya, P. Mahesh
Layout Design: R. Sudha
Assistants: D. Revathy, B.A. Hemalata Malini
Research : R. Vaasugi

CIRCULATION TEAM :
Chennai : T N Ravi Shankar, *National Sales Manager*
Mobile +91 99620 70014
email : ravishankar.tn@chandamama.com
Fazal Khan, *Manager-Circulation & Institutional Sales*
Mobile +91 99625 67860
email : fazal.khan@chandamama.com
Mumbai :* Rajendra K Jadhav, *Asst. Manager - Circulation
Mobile +91 9271720669
CHANDAMAMA INDIA LTD., B-3, Lunic Industry
Opp. State Bank of India, Near Police Station Cross Road
No.6, MIDC Andheri (East), Mumbai-400093
Phone +91 22 28312872 / 28311849
email : rajendra.jadhav@chandamama.com
New Delhi :* Sushil Sharma, *Circulation Manager-North
Mobile +91 98719 30767
CHANDAMAMA INDIA LTD., Goyal Business Centre,
C-23/2 First floor, Connaught Place, New Delhi-110001
Bangalore :* P. Murali, *Asst. Circulation Manager -Karnataka
Mobile +91 94488 36952
CHANDAMAMA INDIA LTD., 18, 10th Cross, Mayura Street
Papanna Lay Out, Outer Ring Road, RMV 2nd Stage
Bangalore-560094, Phone +91 80 6655 1000
email : murali.p@chandamama.com
Kolkata :* Ananth Prakash, *Circulation Manager-East
Mobile +91 98351 82202
email : ananth.prakash@chandamama.com
Advertisement : email : sales@chandamama.com
***Online and Interactive :* Surajit Agarwal**
Mobile +91 99620 70015
email : surajit.agarwal@chandamama.com
***Head Office :* CHANDAMAMA INDIA LTD.,**
JVL Plaza, Block-A, 6th Floor, 626, Anna Salai, Teynampet
CHENNAI-600018, Phone +91 44 2432 2101/02,
Fax +91 44 2432 2103
email : chandamama@chandamama.com
Website : www.chandamama.com

শুল্ক :

ভাৰতত বুক প'ষ্টৰদ্বাৰা বাৰটা সংখ্যা ১৮০ টকাত। এই ধনৰাশি **'চান্দমামা ইণ্ডিয়া লিমিটেডৰ'** নামত ডিমাণ্ড ড্ৰাফ্‌ট বা মণি অৰ্ডাৰ হিচাপে পঠিয়াওক।

পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা

পুৰস্কৃত পত্ৰ

মই *চান্দমামাৰ* নতুন পাঠক। প্ৰথমতে মই ইয়াৰ বিষয়ে নাজানিছিলো। এবাৰ মোৰ এজন শিক্ষা-গুৰুৱে *চান্দমামাৰ* বিষয়ে আৰু ইয়াত প্ৰকাশিত কাহিনীৰ বিষয়ে ক'লে। এবাৰ কিবা এটা কামত চহৰলৈ যাওঁতে কিতাপৰ দোকানত সহজেই মই *চান্দমামা* পালো। মোৰ ককাই ইয়াৰ বেটুপাত দেখিয়েই আলোচনীখনত প্ৰকাশিত কাহিনী শুনাবলৈ ক'লে। মই এতিয়া ইয়াৰ নিয়মীয়া পাঠক। মই আৰু মোৰ ভাইটিয়ে ধৰ্মীয় তথা ঐতিহাসিক কাহিনী পঢ়ি ভাল পাঁও। কেৱল *চান্দমামা*-তহে এইবোৰ কাহিনী প্ৰকাশিত হয়। ইয়াৰ প্ৰশংসা কৈ শেষ কৰিব নোৱাৰি। গংগাৰূপী *চান্দমামাত* এবাৰ ডুব মাৰিলে বেলেগ এটা অনুভূতি হয়। এনে এখন আলোচনী উলিওৱাৰ বাবে "চান্দমামা টীম"ক ধন্যবাদ।

- *মহেন্দ্ৰ মণ্ডা, নয়াপুৰা*

শৈশৱৰেপৰা আজিলৈ মই *চান্দমামাৰ* পাঠিকা হৈ আহিছো। কেৱল সেয়ে নহয়। মোৰ মা দেউতায়ো খুব আগ্ৰহেৰে *চান্দমামা* পঢ়ে। বিভিন্ন সাংস্কৃতিক আৰু সাহিত্যিক ৰঙেৰে সমৃদ্ধ এই আলোচনীত মাটিৰ সেই গোন্ধ আছে যিটোৱে আজিৰ বালক বালিকাক তেওঁলোকৰ ঘাই শিপাৰ সৈতে সংলগ্ন কৰাত সহায় কৰে। ইয়াৰ চিত্ৰ যিমান আকৰ্ষণীয় আৰু ৰঙীন, পাঠ্য সামগ্ৰীও সিমানেই সমৃদ্ধ আৰু সহজ।

প্ৰযুক্তি আৰু বস্তুবাদৰ আজিৰ যুগত *চান্দমামা* যেতিয়াই আমি হাতত তুলি লওঁ তেতিয়া এনে লাগে যে আজিও সেই সৰলতা, সহজভাৱ আৰু সংস্কাৰ জীৱন্ত হৈ আছে যিবোৰ আমি পাইছিলো ককা আইতাই কোৱা সাধুত। **-*অদিতি গৌৰ, ভূপাল***

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

নেত্ৰ সঞ্জীৱনী

কন্নৰৰ বৈদ্যা চিন্তামণি ৰোগ নিদান, চিকিৎসা তথা হস্ত কৌশলৰ বাবে বিখ্যাত আছিল। প্ৰতি বছৰে গৰমৰ দিনত ওচৰে পাজৰে থকা গাওঁবোৰৰ লোকসকল এটা আচৰিত ধৰণৰ চকুৰ অসুখত ভুগিছিল যিটোৰ চিকিৎসা কৰাত তেওঁ সফল হ'ব পৰা নাছিল। এই কথাটো লৈ তেওঁ বৰ চিন্তিত পৰিছিল। এই নেত্ৰ ৰোগৰ লক্ষণ আছিল, হঠাতে চকু ফুলি উঠা, চকুৰপৰা পানী ওলোৱা আৰু চকুৰ জ্বলন। এই ৰোগৰ ফলত দৃষ্টি ধূসৰ হৈ পৰিছিল।

এই ৰোগৰ চিকিৎসা পদ্ধতি তেওঁৰ জনা আছিল, কিন্তু ইয়াৰ বাবে লগা নেত্ৰ সঞ্জীৱনী বনৌষধি নোপোৱাৰ বাবে তেওঁ চিকিৎসা কৰিব নোৱাৰিছিল।

নিজৰ অসহায়তাৰ বাবে তেওঁৰ বৰ দুখ হৈছিল। সেই বনৌষধি কন্নৰৰ দক্ষিণ ফালে থকা চন্দ্ৰাৱলি পৰ্বতৰ নামনিত যে পোৱা যায় সেই কথা তেওঁ খুব ভালকৈ জানিছিল। কিন্তু এক নৰভক্ষী ৰাক্ষস দম্পতি তাত বাস কৰিছিল বাবে কোনেও তালৈ যাবলৈ সাহস কৰা নাছিল।

বিজয়চন্দ্ৰ নামৰ এজন অলপতে তেওঁৰ শিষ্য হৈছিল। সেই বনৌষধি লাভ কৰাৰ তেওঁ তীব্ৰ বাসনা আছিল। এদিন তেওঁ গুৰুক এইবুলি কৈ ওলাই আহিল যে তেওঁ ওচৰে পাজৰে থকা বনৌষধি লৈ আহিবলৈ ওলাইছে। কিন্তু তেওঁ পোনে পোনে চন্দ্ৰাৱলি পৰ্বত অভিমুখে গ'ল আৰু দুপৰীয়াৰ ভিতৰত পৰ্বতৰ ওচৰত উপস্থিত হ'লগৈ। তাত গৈ পোৱাৰ পাছত, নেত্ৰ সঞ্জীৱনী বনৌষধি গোটাই ল'লে, তাত পোৱা ফল মূল খালে আৰু এজোপা বৃক্ষৰ তলত বহি পৰিল।

সেই সময়তে এটা ভয়ংকৰ মাত শুনা গ'ল, "তুমি কোন?" শব্দটো শুনি তেওঁ চক্ খাই উঠিল আৰু ওপৰলৈ মূৰ তুলি চালে।

এটা শিঙ থকা ৰাক্ষস নিজৰ পত্নীৰ সৈতে প্ৰকাণ্ড শিলাখণ্ডৰ আঁৰৰপৰা তেওঁৰ ফাল-লৈকে আহি আছিল। তাৰ ভয়ংকৰ আকাৰ

ৰাম শাস্ত্ৰী

দেখি বিজয়চন্দ্ৰই প্ৰথমে ভয় খাইছিল যদিও পিছত নিজকে চম্ভালি ল'লে। তেওঁ গম পালে যে ভয় খালে কোনো লাভ নহ'ব। তেওঁ সাহস গোটাই থিয় হ'ল।

"তুমি মোৰ প্ৰশ্নৰ উত্তৰ নিদিলা। ইমান সাহস, ইমান অহংকাৰ? মোক দেখিও তুমি ভয় খোৱা নাই?" এইবুলি কৈ ৰাক্ষস দুখোজ আগুৱাই আহিল।

এনেতে ৰাক্ষসীয়ে ৰাক্ষসক বাধা দি ক'লে, "তোমাৰ চেহেৰা দেখি কোনে ভয় খাব? চাই থাকা, মুহূৰ্ত্তৰ ভিতৰতে মই তাৰ মুখৰপৰা মাত উলিয়াম," এইবুলি কৈ তাই আগবাঢ়ি আহিল। "মই হ'লো পুৰুষ। যেতিয়া ময়েই সেই কাম কৰিব নোৱাৰিলো তুমি তিৰোতা হৈ কেনেকৈ সেই কাম কৰিবা?" এইবুলি কৈ ক্ৰোধান্বিত দৃষ্টিৰে চাই বিজয়চন্দ্ৰক সুধিলে, "কোৱা মোক দেখি তোমাৰ ভয় লগা নাইনে?"

বিজয়চন্দ্ৰই গম পালে যে পতি পত্নীৰ মাজত ভাল ভাব নাই আৰু সৰু সৰু কথা লৈ সিহঁতে নিজৰ মাজতে কাজিয়া কৰি থাকে।

তেওঁ তৎক্ষণাৎ ক'লে, "তোমালোক দুয়োকে দেখি ভয় খোৱাৰ কি প্ৰয়োজন আছে? অলপতে মই তোমালোকতকৈয়ো ভয়ংকৰ এটা ৰাক্ষস দেখিছিলো। সি মোক বহুত ধন দিছিল।"

ৰাক্ষসে ডাঙৰকৈ হাঁহি ক'লে, "ভাল কাহিনী ক'ব পাৰা বালক। মোৰ দৰে ৰাক্ষসেনো তোমাক ধন দিব কিয়হে আৰু তোমাক নিগিলাকৈ এৰি দিবনে?"

"সি মই দিয়া পৰামৰ্শ ভাল পাইছিল। সেয়েহে সি মোৰ সৈতে বন্ধুত্ব কৰিছিল," বিজয়চন্দ্ৰই ক'লে।

"সেই ৰাক্ষসেনো তোমাৰ পৰামৰ্শ বিচাৰিবলগীয়া হ'লনে? আচৰিত কথা দেই। কোৱাচোন, তোমাৰনো সেই পৰামৰ্শ কি আছিল?" ৰাক্ষসে সুধিলে।

"এতিয়া মই তোমাৰ প্ৰশ্নৰ উত্তৰ দিম। সেই ৰাক্ষসে সুধিলে, "শুনিছো তোমালোক মানুহবোৰ হেনো বৰ বুদ্ধিয়ক। পত্নীক বশ কৰি ৰাখিবলৈ হ'লে কি কৰিব লাগে কোৱাচোন। ইয়াৰ বাবে কিবা উপায় আছে নেকি কোৱাচোন।"

নিজৰ মাতটো সৰু কৰি ৰাক্ষসে সুধিলে, "তুমি কিবা বুদ্ধি দিলানে বাৰু?"

"কিয় নিদিম? সেই কাৰণেইতো তেওঁ মোক ঢেৰ উপহাৰ দিলে।" বিজয়চন্দ্ৰই অলপো সংকোচ নকৰাকৈ কথাখিনি ক'লে।

এই কথা শুনি ৰাক্ষস চিন্তাত পৰিল। তাৰ পত্নী বৰ খিংখিঙীয়া আছিল। সৰু সৰু কথাতে

তাই কাজিয়া কৰিছিল। নিজকে তাতকৈ ডাঙৰ বুলি ভাবিছিল। সেয়েহে সি ভাবিলে যে পত্নীক বশ কৰি ৰখাৰ বিদ্যাটো শিকি ল'লে দেখোন একো বেয়া কথা নহয়। সেয়েহে সি লাহেকৈ ক'লে, "বালক, অলপ এইফালে আহাচোন।" তাৰপাছত ৰাক্ষসে বিজয়চন্দ্ৰক অলপ দূৰলৈ লৈ গ'ল আৰু তেওঁক সুধিলে, "সেই উপায়টো মোক কোৱাচোন, কাণে কাণে কোৱা। ময়ো তোমাক ভাল উপহাৰ দিম।"

বিজয়চন্দ্ৰই এইবুলি কৈ থাকিল, "নিশ্চয় কম, নিশ্চয় কম," এনেতে ৰাক্ষসৰ পত্নী সেইখিনি আহি পালেহি আৰু গৰজি উঠিল। "মোক বশ কৰাৰ উপায় মোৰ পতিক শিকাই দিলে চাবা মই তোমাৰ কি দশা কৰিম। মই তোমাক এতিয়াই গিলি থম।" গৰজি গৰজি তাই বিজয়চন্দ্ৰক ধৰিবলৈ হাত মেলি দিলে।

"যোৱা, তোমাৰনো কি অপকাৰ হ'ব? তুমি হ'লা অধম ৰাক্ষসী, অনবৰতে মোৰ ভৰিত দীঘল দি পৰাই তোমাৰ কাম, আহ, এওঁক গিলি পেলাব খোজে। মই সেইটো কেতিয়াও হ'বলৈ নিদিম।" ৰাক্ষসে নিজৰ পত্নীক বাধা দি ক'লে।

"তোমাৰ ভৰিত দীঘল দি থাকো মই? সেই কামৰ বাবে আন কাৰোবাক বিচাৰি লোৱা। মই জীয়াই থকালৈকে তোমাৰ সেই ইচ্ছা পূৰণ নহ'ব।" এইবুলি কৈ ৰাক্ষসীয়েও মুখ পাতি ধৰিলে।

তাৰপাছত দুয়োৱে ইটোৱে সিটোক গালি পাৰিবলৈ ধৰিলে, টনা- আজোৰা কৰিবলৈ ধৰিলে আৰু নখেৰে ইটোৱে সিটোক আঁচুৰিবলৈ ধৰিলে। বিজয়চন্দ্ৰই এইটোৱেই পলোৱাৰ সুবৰ্ণ সুযোগ বুলি ধৰি তাৰপৰা পলাই গ'ল।

আবেলি তেওঁ নেত্ৰ সঞ্জীৱনী বনৌষধি লৈ গুৰুৰ ওচৰ পালেহি। গুৰুৱে শিষ্যৰ সফলতাত বৰ সন্তোষ পালে।

তেওঁ বিজয়চন্দ্ৰক ক'লে, "তুমি প্ৰমাণ কৰিলা যে ধৈৰ্য থাকিলেহে বুদ্ধিমত্তা কামত আহে। তোমাৰ বুদ্ধি প্ৰশংসাৰ যোগ্য। মোৰ এই ধৈৰ্য নাছিল বাবেই আজিলৈকে মই এই বনৌষধি আনিব নোৱাৰিলো। তোমাৰ এই পৰোপকাৰভৰা বুদ্ধিৰ বাবেই এই অঞ্চলৰ ৰাইজৰ চকুৰ অসুখ আৰোগ্য হ'ব। তুমি দীৰ্ঘায়ু হোৱা।" এইবুলি গুৰুৱে শিষ্যক আশীৰ্বাদ দিলে।

অক্ষয় নিধি

লক্ষ্মণ এজন দুখীয়া কৃষক আছিল। গোটেই দিনটো তেওঁ পত্নীৰ লগত খেতিৰ পথাৰত কাম কৰিছিল। পৰিশ্ৰম নকৰিলে তেওঁৰ পেট নভৰে, তেওঁ ভোকত থাকিব লাগে। তথাপি তেওঁ নিজৰ একমাত্ৰ সন্তান ধনঞ্জয়ক বৰ মৰমেৰে ডাঙৰ দীঘল কৰিছিল। তেওঁ আশা কৰিছিল তেওঁৰ পুতেক ধনঞ্জয় অন্ততঃ শিক্ষিত হ'ব।

কিন্তু ধনঞ্জয় বৰ এলেহুৱা আছিল। পঢ়া শুনাৰপৰা সি সদায় দূৰত আছিল। পঢ়াৰ নামেই নলৈছিল। বেপাৰী হোৱাৰ তাৰ তীব্ৰ বাসনা আছিল। কিন্তু সেইটো সম্ভৱ নাছিল। এনেকৈ বেপাৰ কৰাৰ বাবে প্ৰয়োজনীয় পুঁজি আহিব ক'ৰপৰা? যুদ্ধ বিদ্যা শিকে যদি তাৰ বাবে কষ্ট কৰিব লাগিব। তাতে, এনেকুৱা কলাৰ প্ৰতি তাৰ ভয়ো আছিল। সি বিচাৰিছিল, একো বিদ্যা নিশিকাকৈ আৰামেৰে থাকা, সুখী জীৱন কটাঁও আৰু কোনো কাম নকৰো। এইবোৰ সপোনতে সি অনবৰতে বিভোৰ হৈ আছিল।

এনে অৱস্থাত ধনঞ্জয়ে এজন মহিমামণ্ডিত তপস্বীৰ বিষয়ে গম পালে, যি সিফালে থকা পাহাৰৰ এটা গুহাত বাস কৰিছিল। সি এইটোও গম পালে যে যেতিয়া মহিমামণ্ডিত এই তপস্বীয়ে সৰোবৰত স্নান কৰি ঘূৰি আহে তেতিয়া তেওঁক প্ৰথমে প্ৰণাম কৰা জনে নিজৰ ইচ্ছা প্ৰকট কৰিলে সেই ইচ্ছা পূৰণ হৈছিল। ধনঞ্জয়ে সেই তপস্বীৰ বিষয়ে সকলো খা খবৰ গোটালে আৰু তেওঁক বিচাৰি এদিন ওলাই আহিল।

সেইদিনা সূৰ্যোদয়ৰ সময়ত যেতিয়া সেই তপস্বীয়ে স্নান কৰি ঘূৰি আহিছিল, তেতিয়া ধনঞ্জয়ে তেওঁক প্ৰণাম কৰিলে আৰু তেওঁৰ ভৰি চুই পৰম বিনয়েৰে ক'লে, "সহজ উপায়েৰে বৈভৱপূৰ্ণ জীৱন কটাব পৰাকৈ আপুনি মোক আশীৰ্বাদ দিয়ক।'

"পৰিশ্ৰম নকৰাকৈ একোৱেই সম্ভৱ নহয়। যিহেতু এই সময়ত অহা ব্যক্তিৰ প্ৰাৰ্থনা স্বীকাৰ কৰাই মোৰ নিয়ম সেয়েহে এই তাবীজ মই তোমাক দিলো। ইয়াৰ সহায়ত ডাঙৰ মানুহ

ৰামপ্ৰসাদ

হোৱাৰ চেষ্টা কৰা। কিন্তু এটা কথা তুমি ভালকৈ মন কৰিবা যে এই তাবীজটো এবাৰহে কামত লগোৱা উচিত। তোমাৰ মনোকামনা পূৰ্ণ হওক।" এইবুলি কৈ তেওঁ আশীৰ্বাদ দিলে আৰু তাৰপৰা গুচি গ'ল।

মহিমাময় তাবীজটো পাই ধনঞ্জয় বৰ সুখী হ'ল। সি ভবাই নাছিল যে এনে এটা তাবীজ সি ইমান সহজে পাব। সি তাৰপৰা ওলাই এখন নগৰ পালেগৈ। গোটেই দিনটো সি যেতিয়া নগৰৰ অলি গলিয়ে ঘূৰি ফুৰিছিল, তেতিয়া সি বিবেক আৰু বিধন নামৰ দুজন মিত্ৰৰ কথোপকথন শুনিলে।

"মই শুনিছো তোমাৰ হেনো বেপাৰত এদিনৰ ভিতৰতে এক লাখ টকাৰ লাভ হৈছে। নগৰত যিফালেই চোৱা যায়, সেইফালেই চুৰি। ইমানযিনি ধন ক'ত লুকুৱাই থৈছা? সাৱধানে থাকিবা।" বিবেক ক'লে।

"মোৰ অনুমতি নোলোৱাকৈ কোনেও মোৰ ঘৰত প্ৰবেশ কৰিব নোৱাৰে। ইয়াৰ বাবে মই প্ৰয়োজনীয় ব্যৱস্থাও কৰিছো। মোৰ কথা এৰা, তুমি নিজেই সাৱধান হ'বা। আজিকালি তুমি ইটোৰ পাছত সিটোকৈ সন্মান লাভ কৰিবলৈ ধৰিছা। সেইবোৰত পোৱা ধন তুমি ক'ত লুকুৱাই থৈছা? তাতে তোমাৰ ঘৰখন চোৰা চিতা কৰিবলৈ কোনো নায়েই দেখোন।" বিধনে ক'লে।

এই কথা শুনি বিবেকে হাঁহি মাৰি ক'লে, "মই যিয়েই সম্পত্তি লাভ কৰিছো, সেয়া মই অক্ষয় নিধিলৈ পৰিৱৰ্ত্তিত কৰি আহিছো। তুমিতো জানাই যে চোৰে চুৰ কৰিলেও, কুবেৰৰ কোষাগাৰ কেতিয়াও খালী নহয়। ধৰি লোৱা, মোৰ ঘৰখনেই কুবেৰৰ কোষাগাৰৰ দৰে। মই সেয়া চোৰা চিতা কৰাৰ কোনো প্ৰয়োজন নাই।" বিবেকে ক'লে।

তেওঁলোকৰ কথা শুনি ধনঞ্জয়ৰ মন আনন্দেৰে ভৰি উঠিল। ভাগ্য ভাল বুলিহে সি বিবেকৰ ঘৰৰ অক্ষয় নিধিৰ সন্ধেদ পাইছে। সেই নিধি লুটিব পাৰিলে গোটেই জীৱনটো আৰামেৰে পাৰ কৰিব পৰা যায়। একোৰে অভাৱ নহ'ব। সি বিবেকৰ পাছে পাছে গ'ল আৰু জানি ল'লে তেওঁৰ ঘৰ ক'ত। সেইটো এটা ডাঙৰ মহল আছিল। সেয়েহে ধনঞ্জয়ে ভাবিলে যে ইয়াত নিশ্চয় বৰ ডাঙৰ নিধি আছে।

ৰাতি হোৱাৰ লগে লগে সি সেই মহলৰ ওচৰলৈ আহিল, নিজৰ হাতত তাবীজটো পিন্ধি ল'লে আৰু তপস্বীৰ নাম তিনিবাৰ স্মৰণ কৰি মহলৰ ভিতৰলৈ গ'ল। ভিতৰত বহুত সুন্দৰ চিত্ৰ, মনোৰম শিলত কটা ভাস্কৰ্য আছিল।

আৰু আছিল অসংখ্য তালপত্ৰত লিখা কিতাপ। সি ভাবিছিল যে তাত হীৰা, মুকুতা, ধন থাকিব কিন্তু ধনঞ্জয়ে তাত এইবোৰ একো নাপালে। বিচাৰি বিচাৰি সি নিৰাশ হ'ল আৰু তাৰপৰা ওলাই আহিল।

বিবেকৰ অক্ষয় নিধিৰ ৰহস্যৰ বিষয়ে সুধিবলৈ ধনঞ্জয় তপস্বীৰ ওচৰলৈ গ'ল।

গোটেই ঘটনাটোৰ কথা শুনি হাঁহি এটা মাৰি তপস্বীয়ে ক'লে, "পণ্ডিতৰ বাবে তেওঁৰ অক্ষয় ধন হ'ল জ্ঞান। সেই জ্ঞান ভৰি থাকে কিতাপত। বিবেকে যিয়েই উপাৰ্জন কৰে, তাৰে তেওঁ কিতাপ কিনে। তাৰ বাবেই তেওঁ ধন খৰচ কৰে। সেয়েহে তেওঁৰ চোৰৰ ভয় নাই কিয়নো চোৰেনো এই কিতাপবোৰ লৈ কৰিব কি?"

"এতিয়া মই কি কৰো? আপুনি মোক দিয়া তাবীজটো ব্যৰ্থ হ'ল নেকি?" ধনঞ্জয়ে বৰ দুখেৰে সুধিলে।

"তুমি বিবেকৰ ঘৰটো বাচনি কৰিছিলা, গতিকে পুনৰ তেওঁৰ ঘৰলৈকে যোৱা। তেওঁৰ আশ্ৰয় লৈ জ্ঞান অৰ্জন কৰাগৈ। তাবীজৰ মহিমাৰ বাবে তুমি শীঘ্ৰেই জ্ঞান প্ৰাপ্ত কৰাৰ শক্তি লাভ কৰিবা আৰু তুমি জ্ঞানী হৈ উঠিবা। সেই জ্ঞানেই তোমাৰ বাবে অক্ষয় নিধি হৈ উঠিব আৰু তুমি এটা বৈভৱপূৰ্ণ জীৱন কটাব পাৰিবা।" তপস্বীয়ে ক'লে।

তপস্বীয়ে কোৱা মতে ধনঞ্জয় বিবেকৰ ঘৰলৈ গ'ল, তেওঁৰপৰা জ্ঞান লাভ কৰিলে আৰু সোনকালেই ডাঙৰ পণ্ডিত হৈ সুখৰ জীৱন কটাবলৈ ধৰিলে।

ভয়ঙ্কৰ ঘাটী

(৩১)

(জংঘলী মানুহবোৰৰ সহায় লৈ কেশৱ আৰু তেওঁৰ লগৰীয়াহঁত পলাই আহিল। তাৰ-পিছত সিহঁতে পাখিলগা মানুহবোৰৰ জুপুৰীবোৰত জুই লগাই দিলে। তেতিয়া যি হুলস্থুল হ'ল, তাৰে সুবিধা লৈ সিহঁত পলাই গ'ল। কিন্তু সিহঁতক শত্ৰুৱে ঘৰিয়ালেৰে ভৰা হ্ৰদৰ ওচৰত বাধা দিলে। বিড়ালী আৰু শ্ৰাণকৰ্ণীয়ে কেশৱক মাতিবলৈ ধৰিলে। তাৰ পাছত...)

কেশৱ আৰু তাৰ লগৰীয়াহঁতক বচাবলৈ যি দুজন জংঘলী নৱযুৱক আহিছিল সিহঁতে নিজৰ নিজৰ চৰ্দাৰৰ চিঞৰ শুনি বৰ আশ্বস্ত হ'ল। সিহঁতে জানিছিল যে দুই তিনি মিনিটমান পাখিলগা মানুহবোৰক যুদ্ধত ব্যস্ত ৰাখিব পাৰিলে তেওঁলোক পিছত নিশ্চয় সিহঁতক সহায় কৰিবলৈ আহিব। কেশৱ আৰু জয়মল্লয়ো জানিছিল কি হৈ আছে। সিহঁতেও গোমাংগক উৎসাহিত কৰিবলৈ ধৰিলে আৰু পাখিলগা মানুহবোৰক ঘৰিয়াল থকা হ্ৰদত ঠেলি পেলাবলৈ ধৰিলে। তেনেতে গোমাংগই তলত পৰি থকা যাঠী উঠাই ল'লে আৰু তাৰে পাখিলগা মানুহবোৰক আক্ৰমণ কৰিবলৈ ধৰিলে। "কেশৱ, এতিয়া অস্ত্ৰ আমাৰ হাতত পৰিছেহি, তোমালোকেও এই দুষ্টহঁতৰ লগত মল্ল যুদ্ধ কৰিবলৈ এৰি অস্ত্ৰ লৈ যুদ্ধ কৰা।"

গোমাংগৰ হাতত মাৰ খাই পাখিলগা মানুহবোৰে চিঞৰ বাখৰ কৰি ঘৰিয়ালেৰে

ভৰা হ্ৰদত পৰিবলৈ ধৰিলে। বাকীবোৰ পলা-বলৈ ধৰিলে। "চৰ্দাৰ, বিপদ। হাজাৰ হাজাৰ গুহাবাসী আমাক আক্ৰমণ কৰিবলৈ আহি আছে।" সিহঁতে চিঞৰিলে।

তাকে শুনি পাখিলগা মানুহবোৰ তাৰপৰা হাবিৰফালে পলাবলৈ ধৰিলে। গৰুড়মুখীয়া চৰ্দাৰেও ভাবিলে তেওঁৰ মানুহ-বোৰক গুহাবাসীহঁতৰ সৈতে যুদ্ধ কৰিবলৈ প্ৰৰোচিত নকৰাই ভাল হ'ব। কিন্তু লগতে তেওঁ এইটোও ভাবিলে যে এবাৰ পিছ হুঁহকিলে আক্ৰমণ-কাৰীহঁতে পাখিলগা মানুহলৈ সমূলি ভয় নকৰিব। কিন্তু এতিয়া কি কৰা যায়? তেওঁ উভয় সংকটত পৰিল।"

গৰুড়মুখীয়াৰ এই দুই নাও দুই ভৰি অৱস্থাৰ কথা বুজি পাই ব্ৰহ্মদণ্ডী তান্ত্ৰিকে নিজৰ মন্ত্ৰদণ্ড ওপৰলৈ উঠাই ক'লে, "জয় কালভৈৰৱ, গৰুড় মহাৰাজ! এইটো আমাৰ বাবে কষ্টৰ কাল। কালভৈৰৱ ক্ৰোধান্বিত হৈছে। এতিয়া আমি একো কৰিব নোৱাৰো। আমাৰ ওপৰত আক্ৰমণ চলাৰ আগতেই আমি অৰণ্যলৈ পলাই যাওঁ। খৰ কৰাহঁত।"

"তান্ত্ৰিক, ময়ো তাকেই ভাবি আছো. আমি গৰুড় জাতিৰ মানুহবোৰে ৰাতি একো দেখা নাপাওঁ। সূৰ্যোদয় হ'বলৈ দিয়া। তেতিয়া আমি আমাৰ প্ৰতাপ দেখুৱাম।" এইবুলি কৈ তেওঁ খৰখেদাকৈ পলাই গ'ল।

তেনেতে জিত আৰু শক্তিবাৰ্মা তালৈ উধাতু খাই আহিল। সিহঁতৰ গোটেই শৰীৰ ৰক্তাক্ত হৈ আছিল।

জিত আৰু শক্তিবাৰ্মাক দেখিহে ব্ৰহ্মদণ্ডীৰ মুখলৈ পানী আহিল। তেওঁ সিহঁতৰ ওচৰলৈ আহি ক'লে, "জিত, শক্তি, তোমালোক এতিয়াও জীয়াই আছা! মইতো ভাবিছিলো সেই দুষ্টহঁতে তোমালোকক হত্যা কৰিলে।"

ডাঙৰকৈ হাঁহি মাৰি জিতবাৰ্মাই ক'লে, "চাওক, আমাৰ এই উদ্যত তৰোৱাল আৰু ৰক্তাক্ত শৰীৰ। কিমান শত্ৰুক আমি নিধন কৰিলো, তাৰ হিচাপ নাই। তৰোৱাল ভাঙি যোৱাৰ বাবেহে আমি পিছ হুহঁকি আহিব-লগীয়া হ'ল।"

জিতবাৰ্মাৰ কথা শুনি অট্টহাস্য কৰি স্থূলকায়ে ক'লে, "তোমালোকৰ কোনোবা এজনেও যদি কোৱা যে মই শত্ৰু দেখিছো তথাপিও মই বিশ্বাস নকৰো। তোমালোক দুয়ো নিশ্চয় ইমান সময়ে ক'ৰবাত গছে তছে উঠি লুকাই আছিলা।"

জিত আৰু শক্তিবাৰ্মা ক্ৰোধান্বিত হ'ল আৰু নিজৰ ভঙা তৰোৱালেৰে সিহঁতে স্থূলকায়ক আক্ৰমণ কৰিব খোজোতেই গৰুড়মুখীয়াই

বাধা দি ক'লে, "ছিহ, তোমালোকে জানানে যে তোমালোকৰ বাবেই আমাৰ বিপদ আহিছে। তোমালোকে পহৰা দি থকা এই দুষ্টহঁত পলাই যাব পাৰিলে কেনেকৈ? সেই কথা মই এতিয়া জানিব লাগিব। অন্যথা পক্ষী মাতাৰ আগত তোমালোকক বলি দিয়া হ'ব।" এইবুলি কৈ তেওঁ নিজৰ যঠী ওপৰলৈ কৰিলে।

তেনেতে গুহাবাসীৰ দল সেইফালে অহা যেন লাগিল। ব্ৰহ্মদণ্ডী তান্ত্ৰিকে গৰুড়মুখীয়া চৰ্দাৰৰ হাতত ধৰি ক'লে, "গৰুড় মহাৰাজ! আপুনি শান্ত হওক। সেই জংঘলীহঁতৰ গোট এইফালেই আহি আছে। এতিয়াই পলাই নগ'লে আমাৰ বিপদ আহিব পাৰে।"

ব্ৰহ্মদণ্ডী তান্ত্ৰিকে কথাখিনি কৈ থাকোতেই গৰুড়মুখীয়া অৰণ্যৰ ফালে পলাবলৈ ধৰিলে। স্থূলকায়, ব্ৰহ্মদণ্ডী তান্ত্ৰিক, জিতবাৰ্মা আৰু শক্তিবাৰ্মাও তেওঁৰ পাছে পাছে পলাল।

জিতবাৰ্মাই শক্তিবাৰ্মাক ক'লে, "চোৱা শক্তি, শত্ৰুক নিধন কৰাত আমি যি শক্তি প্ৰদৰ্শন কৰিলো সেয়া কোনো কামত নাহিল। সকলোৱে আমাৰ শক্তিৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছে যেন ধাৰণা হৈছে। তুমিয়েই কোৱা আমি কি কৰিলে ভাল হয়।"

"তেওঁলোক দুজনেই নহয়, এই মেদবহুল স্থূলকায়েও আমাক অপমান কৰিছে। ভাল তৰোৱাল পোৱাৰ আগতেই ইহঁত আটাইকৈ সিপুৰী পোৱাবগৈ লাগিব।" শক্তিবাৰ্মাই ক'লে।

তেনেতে "বিড়ালীৰ জয়" বুলি কৰা জয়ধ্বনি সিহঁতৰ কাণত পৰিল। জিকমিকাই থকা যঠীও সিহঁতৰ ফালে আহি থকা দেখা



গ'ল। "আৰু অলপ বেগাই পলোৱা, ধাৰণা হৈছে, শত্ৰুৱে আমাক দেখা পাইছে। তোমালোকে বাজে কথাবোৰ বন্ধ কৰা।" এইবুলি কৈ ব্ৰহ্মদণ্ডী তান্ত্ৰিকে হৰিণাৰ দৰে আগলৈ জঁপিয়াবলৈ ধৰিলে।

কেশৰে নিজৰ লগৰীয়াহঁত তথা বিড়ালী আৰু শ্ৰাণকৰ্ণী গোটৰ মানুহবোৰ লৈ, গৰুড়মুখীয়া চৰ্দাৰৰ জুপুৰীৰ ওচৰলৈ গ'ল, কিন্তু তাত কোনো পাখিলগা মানুহ দেখা নগ'ল। কেশৰ আৰু জয়মল্লই গম পালে যে বিপদৰ আশংকা কৰিয়েই পাখিলগা মানুহবোৰ জংঘলৰ ফালে পলাই গৈছে নিশ্চয়। কিন্তু আন্ধাৰত সিহঁতৰ পাছ লোৱাটোও সম্ভৱ নাছিল। সেয়েহে কেশৰে দুই এক জংঘলী মানুহক জংঘললৈ গৈ পাখিলগা মানুহবোৰক মাৰিবলৈ ক'লে। এনে এটা গোটৰ হাতত‌েই ব্ৰহ্মদণ্ডী আৰু গৰুড়মুখীয়া চৰ্দাৰৰ প্ৰাণ যাঁও যাঁও হৈছিল।



ৰাতিটো কেশৰ আৰু তেওঁৰ লগৰীয়া-হঁতে গৰুড়মুখীয়া চৰ্দাৰৰ জ্বলি থকা জুপুৰীৰ ওচৰতে পাৰ কৰিলে।

সূৰ্যোদয় হ'ল। গছৰপৰা জঁপিয়াবলৈ পাখিলগা মানুহবোৰে ব্যৱহাৰ কৰা পাখিৰ দ'ম অ'ত ত'ত দেখিবলৈ পোৱা গ'ল। সেইবোৰ দেখি বিড়ালী আৰু শ্ৰাণকৰ্ণীয়ে গম পালে ইমানদিনে এই মানুহবোৰে তেওঁলোকক কেনেকৈ প্ৰতাৰণা কৰি আছিল। সেইবোৰ পাখি স্বাভাৱিক পাখি নাছিল।

"আমি ভাবিছিলো সিহঁতে পক্ষীৰ দৰে আকাশত উৰিব পাৰে, সিহঁত অদ্ভুত শক্তিৰ অধিকাৰী। কিন্তু ইহঁত দেখিছো আমাৰ দৰেই জংঘলী আৰু এইবোৰ কৃত্ৰিম পাখি। আমাক ভাল প্ৰতাৰণা কৰিলে।" বিড়ালীয়ে ক'লে।

"এতিয়া সিহঁতকো আমি এতিয়া বনৰীয়া জন্তুৰ দৰে পিছে পিছে খেদি যাম। সিহঁতৰ সাহস কিমান সেই কথা আমি ইতিমধ্যেই গম পাইছো।" শ্ৰাণকৰ্ণীয়ে ক'লে।

জংঘলবাসীহঁতৰ দুয়োজন চৰ্দাৰৰ মনোবল দেখি কেশৰ আৰু জয়মল্ল বৰ সন্তুষ্ট হ'ল। সূৰ্যোদয়ৰ পাছত বিড়ালী আৰু শ্ৰাণকৰ্ণীয়ে জয়মল্ল, কেশৰ আৰু গোমাংগক গৌৰবস্ত্ৰ প্ৰদান কৰিলে। লগতে অনেক গুহাবাসীয়ে গীত পৰিৱেশন কৰিলে। যুৱক গুহাবাসী-সকলে মল্লযুদ্ধ কৰিলে আৰু বিভিন্ন কলা কৌশল প্ৰদৰ্শন কৰিলে।

এই অনুষ্ঠানতে জয়মল্লই বিড়ালী আৰু শ্ৰাণকৰ্ণীক এটা পৰামৰ্শ দিলে। এতিয়া যিহেতু পাখিলগা মানুহৰ ভয় নাই সেয়েহে তেওঁ-লোকে দেখোন গুহা এৰি সমতল ভূমিতে ঘৰ সাজি তাত বাস কৰিব পাৰে।

এই পৰামৰ্শ অস্বীকাৰ কৰি শ্ৰাণকৰ্ণীয়ে ক'লে, "আমি পিতৃ পিতামহৰ দিনৰেপৰা গুহাত বাস কৰি আহিছো। তাত আমি সকলো ফালৰেপৰা সুৰক্ষিত অনুভৱ কৰো। শত্ৰু, বনৰীয়া জন্তু আৰু প্ৰাকৃতিক দুৰ্যোগৰপৰা বাচি থাকিব পাৰো। আৰু সবাতোকৈ ডাঙৰ কথা হ'ল আমি পূৰ্বজৰ পৰম্পৰা ভংগ কৰিব নোৱাৰো। খোলা আকাশৰ তলত আমাৰ সুৰক্ষা নাথাকিব। এতিয়া গুহা এৰি, গছৰ তলত থাকো কেনেকৈ?" বিড়ালীয়েও তাকেই ক'লে।

জয়মল্লই হাঁহি মাৰি ক'লে, "এটা কাম কৰা। গোটেইবোৰ একেলগে গুহাৰপৰা গুচি আহিব নোৱাৰে সেইটো বাৰু বুজিলো, কিন্তু তোমালোকৰ তৰুণসকলতো আহিব

পাবে। গুহাত থকাতকৈ পোহৰ আৰু বতাহত থকা, অধিক স্বাস্থ্যসন্মত আৰু যেতিয়া অলপ মানুহে এই কথা বুজি পাব তেতিয়া তেওঁলোকৰ লগত আৰু মানুহ থাকিবলৈ আহিব। যিয়েই নহওক, সেই পাখিলগা মানুহবোৰক পুনৰ ইয়াত ঘৰ সাজিবলৈ নিদিবা। এই ঠাইত পানী আদিৰ ভাল সুবিধা। এই ঠাই সমৃদ্ধ, ইয়াক নেৰিবা। আমাৰ কথা শুণ।"

"সেই পাখিলগা মানুহবোৰলৈ আমি মুঠেই ভয় নকৰো। তোমাৰ সহায়ৰ বাবেই মই মোৰ পূৰ্বপুৰুষৰ মহিমামণ্ডিত গদা ঘূৰাই পালো। সেই গদাটোৰ বাবেই আমাৰ দুয়োপক্ষৰ মাজত শত্ৰুতা হৈছিল। বিড়ালী আৰু মোৰ মাজত এতিয়া কোনো শত্ৰুতা নাই। আমি মিত্ৰ, আমাৰ দুই গোটক তুমি যি সহায় কৰিলা, সেই কথা আমি কেতিয়াও পাহৰিব নোৱাৰো। তুমি আমাৰ পৰা কি সহায় বিচৰা, নিসংকোচে কোৱা। যিমানেই জটিল নহওক সেই সহায় আমি কৰিমেই।" শ্ৰাণকৰ্ণীয়ে ক'লে।

শ্ৰাণকৰ্ণীৰ এই কথাত বিড়ালীয়েও সন্মতিৰ মূৰ দুপিয়ালে।

জয়মল্লই নিজৰ লগৰীয়াহঁতৰ ফালে চাই বিড়ালী আৰু শ্ৰাণকৰ্ণীক ক'লে, "আমি জানো, যি সহায় আমি বিচাৰো সেয়া তোমালোকে আগ বঢ়াবা। আমি ভয়ংকৰ ঘাটী নামৰ এক বিপদজনক উপত্যকালৈ যাব লাগে। তালৈ আমি এটা জৰুৰী কামত যাব খুজিছো, কিন্তু তালৈ যোৱাৰ ৰাস্তা আমি নাজানো তোমালোকৰ মাজত তালৈ গৈ ঘূৰি অহা কোনোবা মানুহ আছে যদি কোৱা।"

এই কথা শুনি বিড়ালী আৰু শ্ৰাণকৰ্ণীয়ে



ইজনে আনজনৰ মুখলৈ চালে। দুয়োৰে মুখত আশ্চৰ্যৰ স্পষ্ট চিন দেখা পোৱা গ'ল।

শ্ৰাণকৰ্ণীয়ে এবাৰ গলহেকাৰি মাৰি ক'লে, "আমাৰ প্ৰজন্মৰ এনেকুৱা কোনো মানুহ নাই, যি তালৈ গৈ ঘূৰি আহিছে। কিন্তু সেই উপত্যকাৰ বিষয়ে আমি নিশ্চয় শুনিছো। বিন্ধ্যাৰণ্যৰ ওচৰত থকা সেয়া এক অতি বিপদসংকুল উপত্যকা। তথাপি তোমা-লোক তালৈ যাব খুজিছা কিয়?"

"শ্ৰাণকৰ্ণী, তোমাৰ কথাৰপৰা এনেকুৱা লাগিছে, তুমি তালৈ যোৱাৰ ৰাস্তাৰ কথা জানা, আমাক মাত্ৰ সেই কথা ক'লেই হ'ব। সেই উপত্যকাত এটা ঔষধি আছে। আমাক লাগে। ব্ৰহ্মপুৰৰ ৰজাৰ এটা ৰোগ হৈছে। সেই ঔষধি পালেই ৰজা আৰোগ্য হ'ব। সেয়েহে ৰাজবৈদ্যই আমাক পঠিয়াইছে।" জয়মল্লই ক'লে।

"সেই উপত্যকালৈ যোৱা অসম্ভৱ, আৰু তাত যদি এবাৰ গৈ পোৱাও যায় তথাপি তাৰ-পৰা ঘূৰি অহা অসম্ভৱ। ভাবি চোৱা।" শ্ৰাণ-কৰ্ণীয়ে ক'লে।

"শ্ৰাণকৰ্ণী, এইবোৰ কথা নজনাকৈ আমি ইমানদূৰ অহা নাই। আমি যিকোনো বিদপৰ মুখামুখি হ'বলৈ সাজু হৈ আহিছো। আমাক কেৱল ৰাস্তা দেখুৱাই দিয়া। আৰু এটা কথা। এই গৰুড়মুখীয়া চৰ্দাৰৰ লগত আছে ব্ৰহ্মদণ্ডী তান্ত্ৰিক। যদি কেনেবাকৈ তেওঁ তোমাৰ হাতত পৰে, তেন্তে আমি যেতিয়ালৈকে ঘূৰি নাহো তেতিয়ালৈকে হয় তেওঁক বন্দী কৰি ৰাখিবা নহয় তেওঁক মাৰি পেলাবা। আমাৰ কোনো আপত্তি নাই।" জয়মল্লই ক'লে।

"ঠিক আছে, আমি চাই লম বাৰু। কিন্তু এতিয়া আমি তোমালোকক এই ভয়ংকৰ উপত্যকাৰ ৰাস্তা দেখুৱাই নহয়, বৰঞ্চ মই আৰু বিড়ালী তোমালোকৰ লগতে যাম। আমিও নিজ চকুৰে চাব খোজো এই উপত্যকা কিমান ভয়ংকৰ? আৰু তাতে তোমালোকৰ দৰে বীৰ লগত থাকিলে আমি ৰাক্ষসৰ লগতো যুদ্ধ কৰিব পাৰো। তাতে আমি তোমালোকৰ ঋণও পৰিশোধ কৰিব লাগে। নে কি কোৱা বিড়ালী?" শ্ৰাণকৰ্ণীয়ে ক'লে। বিড়ালীয়ে উৎসাহ দেখুৱাই ক'লে, "মই বুঢ়া হৈ আহিছো। মই মোৰ গোটৰ বাবে এজন নৱযুৱকক চৰ্দাৰৰ পদত অধিষ্ঠিত কৰি তোমালোকৰ লগতে যাব পাৰো।"

এই কথাত কেশৱ আৰু জয়মল্লই আপত্তি কৰিলে। জয়মল্লই ক'লে, "তোমালোক দুয়ো আমাৰ লগতে যোৱাৰ কোনো প্ৰয়োজন নাই। ৰাস্তা দেখুৱাবলৈ দুই চাৰিজন মানুহ পুঠিয়ালেই হ'ল।" তাৰপাছত কিছু কথা বতৰা চলিল। সূৰ্যাস্তৰ পাছত, জয়মল্ল, কেশৱ আৰু গোমাংগক তাৰ পৰ্বতৰ শীৰ্ষৰপৰা ডাঙৰ গছৰ শিপাৰ সহায় লৈ বিড়ালী আৰু শ্ৰাণকৰ্ণীৰ মানুহে এটা উপত্যকাত নমাই দিলে। মানুহকেইজনে ক'লে যে এই উপত্যকাৰ সুৰংগইদি গৈ থাকিলেই ভয়ংকৰ উপত্যকা ওলাবগৈ পাৰি।

ডাঙৰ গছৰ শিপাৰদ্বাৰা তললৈ নামি আহোতে কেশৱ আৰু তাৰ লগৰীয়াহঁতে কিছু দূৰৈত ঢোল তালৰ শব্দ শুনিবলৈ পালে। সিহঁতে শব্দটো অহাৰ ফাললৈ মুখ ঘূৰাওঁতে দেখিলে এজন ব্যক্তি সিহঁতৰ সমুখেদি তললৈ নামি আহি আছে। মানুহজনৰ হাতত আছিল এটা ভয়ংকৰ পক্ষী। ***(আগলৈ)***

যোগ্য ৰজা

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল, গছৰপৰা শটো নমাই কান্ধত তুলি ল'লে আৰু যথাৰীতি শ্মশান অভিমুখে আগ বাঢ়িল। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, অনেক বাধা নেওচি তুমি পৰম সাহসিকতাৰে এই কঠোৰ পৰিশ্ৰম কৰি আছা। নিজৰ প্ৰতিজ্ঞাত অবিচলিত হৈ আছা। তোমাৰ কোনো প্ৰশংসাই বেছি হ'ব নোৱাৰে। বিশেষকৈ তোমাক এই কথা কোৱাৰ প্ৰয়োজন নাই যে শাসকৰ কাম কৰিবলৈ উৎসাহৰ লগতে শৌৰ্য পৰাক্ৰমো বহুত প্ৰয়োজনীয়। কিন্তু কিছুমান মানুহৰ পক্ষপাতদুষ্ট দৃষ্টিভংগী আৰু যোগ্যতাক সঠিক-ভাৱে চিনাত অসমৰ্থতাৰ বাবে তেওঁ-লোকে বহুত ডাঙৰ ভুল কৰে। কিছুমান পৰিস্থিতিত তেওঁলোকে প্ৰকৃত পৰাক্ৰমী কোন সেইটো

বেতাল কাহিনী

চন্তালিব পৰা যোগ্য উত্তৰাধিকাৰী নাথাকিলে ওচৰে পাজৰে থকা ৰাজ্যৰ ৰজাই নিশ্চয় আমাৰ ৰাজ্যৰ ওপৰত আক্ৰমণ কৰিব। আমাৰ ৰাজ্য অধিকাৰ কৰিবলৈ সকলো প্ৰকাৰে চেষ্টা চলাব। তেওঁলোকে মোৰ দুৰ্বলতাৰ সুযোগ ল'ব। এইটো প্ৰশ্নই সদায়ে মোক অশান্তি দি থাকে যে মোৰ পাছত কোনে মোৰ প্ৰজাৰ সুখ শান্তি বজাই ৰাখিব? মহাৰাণীয়ে পৰামৰ্শ দিছে মোৰ বন্ধু বান্ধৱৰ মাজৰে কাৰোবাৰ পুত্ৰক তোলনীয়া পুত্ৰ কৰি লওঁ যাতে তেওঁকেই ভৱিষ্যতে ৰাজ্যভাৰ দিব পৰা যায়। কিন্তু এই পৰামৰ্শ মই ভাল পোৱা নাই। মই ভাবি উলিয়াব পৰা নাই মোৰ যোগ্য উত্তৰাধিকাৰী কেনেকৈ বাচনি কৰো?" হুমুনিয়াই কাঢ়ি ৰজাই ক'লে।

কিছু সময় চিন্তা কৰি মন্ত্ৰীয়ে ক'লে, "মহাৰাজ, আপোনাৰ দুখ, আপোনাৰ বেদনা অমূলক নহয়। বিষয়টো লৈ দকৈ চিন্তা কৰাৰ প্ৰয়োজন আছে। এটা উপায় মোৰ মনলৈ আহিছে।"

সেই উপায়টোনো কি ৰজাই সুধিলে।

"হৰিৎ বনৰ গুৰু বিদ্যাসাগৰৰ গুৰু কুলৰ কথা আপুনি খুব ভালকৈ জানে। তাত বহুতো পৰাক্ৰমী ক্ষত্ৰিয় যুৱকে বিদ্যাভ্যাস কৰি আছে। সেই গুৰুকুললৈ গৈ আমি গুৰু বিদ্যাসাগৰৰ সহায় বিচৰাটোৱেই সমুচিত হ'ব।" মন্ত্ৰী গংগাধৰে ক'লে।

পিছদিনা মন্ত্ৰীক লৈ ৰজা বিদ্যাসাগৰ গুৰুকুললৈ গ'ল আৰু তেওঁক সবিস্তাৰে কথাখিনি ক'লে।

গুৰুৱে তেওঁলোকক আদৰ সৎকাৰ কৰি ক'লে, "ৰাজন, ভালেই হ'ল আপুনি সঠিক

ধৰিব নোৱাৰে, যাব ফলত তেওঁলোকৰে ক্ষতি হয়। তোমাক সাৱধান কৰি দিবলৈকে মই এজন গুৰুৰ কাহিনী ক'বলৈ ওলাইছো, যাৰ পক্ষপাতদুষ্ট দৃষ্টি-ভংগীৰ বাবেই প্ৰকৃত পৰাক্ৰমী কোন সেইটো চিনাত তেওঁ বিফল হৈছিল।" এইবুলি বেতালে সেই গুৰুৰ কাহিনী শুনাবলৈ ধৰিলে। "ৰজা সুদক্ষণ সমৃদ্ধিশালী সুপ্ৰতীক ৰাজ্যৰ শাসক আছিল। তেওঁৰ শাসনকালত প্ৰজা সুখী আছিল। তেওঁৰ জীৱন প্ৰশান্ত আছিল। কিন্তু দুখৰ কথা আছিল এয়ে যে ৰজাৰ পঞ্চাছ বছৰ বয়স হোৱাৰ পাছতো তেওঁৰ কোনো সন্তান হোৱা নাছিল। এই কথাটো লৈয়েই ৰজা সদায় চিন্তাগ্ৰস্ত হৈ আছিল।

ৰজাই এদিন মন্ত্ৰী গংগাধৰক মাতি আনিলে আৰু ক'লে, "মন্ত্ৰীবৰ, ৰাজ্য হ'ল বীৰৰ প্ৰাপ্য। মোৰ পাছত শাসনৰ বাঘজৰী

সময়তে আহিলে। বিজয়াদশমী উৎসৱৰ সময়ত গুৰুকুলত আজিৰেপৰা অহা তিনি দিনলৈকে প্ৰতিভা প্ৰদৰ্শনৰ প্ৰতিযোগিতা হ'ব। আপুনি নিজেই এই প্ৰতিযোগিতা চাই এটা সিদ্ধান্ত ল'ব পাৰিব।"

তিনি ধৰি চলা প্ৰতিযোগিতাত প্ৰতাপে ধনুৰ্বিদ্যাত প্ৰথম, প্ৰচণ্ডই খড়্গ যুদ্ধত প্ৰথম আৰু মল্লযুদ্ধত প্ৰশান্তই প্ৰথম স্থান লাভ কৰিলে। বাকীবোৰ বিদ্যাত তিনিও সমান পাৰদৰ্শিতা দেখুৱালে।

এই তিনিজনৰ মাজত কাক তেওঁৰ উত্তৰাধিকাৰী নিৰ্বাচন কৰা হয় এই লৈ ৰজা চিন্তাত পৰিল। তেতিয়া গুৰুৱে ক'লে, "এই তিনিজনৰ মাজত মই আৰু এটা পৰীক্ষা ল'ব খুজিছো। এতিয়া আপুনি ৰাজধানীলৈ ঘূৰি যাওক। মই খবৰ দিয়াৰ লগে লগে ইয়ালৈ আহিব। তেতিয়া আপোনাৰ ইচ্ছা পূৰণ হ'ব বুলিয়েই মই আশা কৰিছো।"

মন্ত্ৰীৰ লগত ৰজা ৰাজধানীলৈ ঘূৰি আহিল।

সেইদিনা তিনিও শিষ্যক মাতি আনি গুৰুৱে ক'লে, "দেশভ্ৰমণ কৰি প্ৰত্যক্ষভাৱে লোকজ্ঞান প্ৰাপ্তিৰ পাছতহে তোমালোকৰ বিদ্যাভ্যাস সমাপ্ত হ'ব। তোমালোক তিনিও বেলেগ বেলেগ দিশত দেশভ্ৰমণত গৈ চল্লিছ দিনৰ পিছত গুৰুকুললৈ ঘূৰি আহিবা। আহি তোমালোকে নিজৰ নিজৰ অভিজ্ঞতাৰ বৰ্ণনা দিবাহি।"

তিনিও যুৱকে পাছদিনা পুৱাই গুৰুৰ আশীৰ্বাদ লৈ যাত্ৰা আৰম্ভ কৰিলে। ৰাজ্যৰ বিভিন্ন প্ৰদেশত পৰ্যটন কৰিলে আৰু গুৰুৰ আজ্ঞা অনুসাৰে চল্লিছ দিনৰ দিনা গুৰুকুললৈ



ঘূৰি আহিল। সেই সময়ত ৰজা আৰু মন্ত্ৰী তাত উপস্থিত আছিল।

"তোমালোকে দেশভ্ৰমণৰ অন্তত ভালে কুশলে এইখিনি আহি পাইছাহি সেই কথাত মই খুব সুখী হৈছো। তোমালোকে দেশৰ কি কি বৈশিষ্ট্য মন কৰিলা, তোমালোকৰ কেনে অভিজ্ঞতা হ'ল--এজন এজনকৈ সেইবোৰৰ বিৱৰণ দিয়া।

প্ৰথমতে ধনুৰ্বিদ্যাত পাৰ্গত, প্ৰতাপে ক'লে, "মই উত্তৰ দিশত গ'লো আৰু কোনো জটিলতাৰ সৃষ্টি নোহোৱাকৈ মোৰ যাত্ৰা শেষ হ'ল। ৰাজ্যৰ সকলো ঠাইতে সমৃদ্ধি বিৰাজ কৰিছে। প্ৰজা সুখী আৰু সন্তুষ্ট। কিন্তু মই ৰাজ্যৰ সীমাৰ ওচৰত থকা এখন অৰণ্যত দেখিলো কিছুমান যুৱকে লুকাই লুকাই তাত মাৰণাস্ত্ৰৰ প্ৰয়োগ, অতৰ্কিতে বাটৰুৱাৰ ওপৰত আক্ৰমণ আদি বিদ্যা শিকি আছে। মই গম পালো

তেওঁলোক প্ৰতিবেশী ৰাজ্য পুষ্পলপুৰৰ অধিবাসী। কোনো ধৰণৰ চাকৰি নোপোৱাত তেওঁলোকে দৰিদ্ৰতা আৰু নিৰাশাৰ মাজত দিন কটাইছে। তেওঁলোকৰ উদ্দেশ্য হৈছে আমাৰ ৰাজ্যৰ সীমালৈ আহি আমাৰ প্ৰজাৰ সম্পদৰ ওপৰত লুট পাত চলোৱা। এই যুৱকসকলক এনেকৈ প্ৰশিক্ষণ দিয়া আদবয়সীয়া মানুহজনক মই গোপনে বাণ চলাই মাৰি পেলালো। মোৰ মতে এই বিষয়ে মই ৰজাৰ দৃষ্টি আকৰ্ষণ কৰা উচিত। আপোনাক কথাখিনি কৈ মই মোৰ কৰ্ত্তব্য পালন কৰিছো গুৰুদেৱ।”

“মই গ'লো দক্ষিণ দিশত আৰু কেইবাখনো সীমামূৰীয়া গাঁৱৰ মাজিদে আগ বাঢ়ি গ'লো। গম পালো সেইবোৰ ঠাইত চোৰ ডকাইতে মানুহৰ ওপৰত অহৰহ লুণ্ঠন কাৰ্য চলাই আছে। তাৰ প্ৰজা ভয়াৰ্ত্ত হৈ আছে। আন্ধাৰ হোৱাৰ লগে লগে তেওঁলোকে দুৱাৰ বন্ধ কৰি ঘৰত সোমাই থাকে। যুৱকসকলৰ সিহঁতৰ মুখামুখি হোৱাৰ সাহস নাই। ইয়াৰ কাৰণ হ'ল সুৰক্ষা ব্যৱস্থাৰ ত্ৰুটী। এখন গাঁৱৰ মাজেদি পাৰ হৈ যাঁওতে মই এটা ডকাইতৰ মুখামুখি হ'লো আৰু তৰোৱাল চলাই তাক খেদি দিলো। ইয়াৰ পাছত, মই সেই অঞ্চলৰ মানুহবোৰক একগোট কৰি তেওঁলোকক খড়্গ বিদ্যা শিকালো। এতিয়া তেওঁলোকে ডকাইতক প্ৰত্যাহ্বান জনাব পৰা হৈছে। তেওঁলোকৰ ভয় নোহোৱা হৈছে। আহি থাকোতে মোৰ ওপৰত জঁপিয়াই পৰা এটা চিতাবাঘকো মই বধ কৰিলো। তাৰ ছালখন মই উপহাৰ স্বৰূপে আপোনালৈ লৈ আহিছো। গুৰুদেৱ, গ্ৰহণ কৰক।” প্ৰচণ্ডই ক'লে।

“মই পূৰ্ব দিশত গ'লো আৰু মোৰ যাত্ৰা প্ৰায় প্ৰশান্ত আছিল। ক্ষত্ৰিয় বিদ্যা প্ৰয়োগ কৰাৰ কোনো প্ৰয়োজন নহ'ল। পোন্ধৰ দিন ধৰি কৰা যাত্ৰাৰ অন্তত মই সুপ্ৰসিদ্ধ সিন্ধুভৈৰৱী নগৰ পালোগৈ। তাৰ প্ৰাচীন কৱিবন্দৰ মন্দিৰত মই এটা বিচিত্ৰ দৃশ্য দেখিলো। অদ্ভুত শিল্পকলাৰে ভৰপূৰ সেই মন্দিৰৰ এটা স্তম্ভত থকা এগৰাকী নৰ্ত্তকীৰ ভাস্কৰ্যৰ পাছফালে এটা জেঠী লাগি ধৰিছিল। বাহিৰলৈ ওলাব নোৱাৰি জেঠীটোৱে ছটফটাই আছিল। কি কৰো মই নিজেও ভাবি উলিয়াব নোৱাৰিলো। অলপ সময়ৰ পাছত কেইটামান জেঠী মুখত আহাৰ ভৰাই তালৈ আহিল আৰু সেই জেঠীটোক সিহঁতে খাবলৈ দিলে। এই দৃশ্য দেখি মই বিস্ময়াভিভূত হ'লো। তাৰপাছত মই তাত থকা মন্দিৰ পৰিচালনা সমিতিৰ কেইজনমান সদস্যক লগ পালো। তেওঁলোকে কেইজনমান ভাস্কৰক মাতি সেই জেঠীটোৰ প্ৰাণ বচালে।

"ঘূৰি অহাৰ পথত, যেতিয়া মই বিশ্ৰান্তি অৰণ্যৰ মাজেদি আহিছিলো তেতিয়া দেখিলো এটা কুঁৱাত হাতীৰ এটা পোৱালি পৰি গৈছে। তাক বচোৱাৰ কোনো উপায় নেদেখি বাকী হাতীবোৰে কুঁৱাটোৰ চাৰিওফালে ঘূৰি চিঞৰিব লাগিছে। মই ওচৰতে থকা ভীল-সকলৰ গাঁওবাসীক এই খবৰটো দিলো। তেওঁ-লোকৰ সহায় লৈ হাতী পোৱালিটোক কুঁৱাৰ-পৰা বাহিৰলৈ আনিলো।

"এই প্ৰেম আৰু একতা যে মানুহৰ মাজত বিৰল সেই কথা কৈ মই ভীলসকলক বুজালো যে নিজৰ মাজতে কাজিয়া পেচাল কৰা ভাল কথা নহয়। কিয়নো মই জানিছিলো যে সৰু সুৰা কথাবোৰ লৈ প্ৰায়ে তেওঁলোকৰ বিভিন্ন গোটৰ মাজত কাজিয়া লাগি থাকে। মই তেওঁলোকৰ মাজত চেনেহৰ সম্পৰ্ক স্থাপন কৰিলো।" নিজৰ অভিজ্ঞতাৰ কথা প্ৰশান্তই ক'লে।

ৰজা আৰু মন্ত্ৰীয়ে নিজৰ মাজতে আলোচনা কৰি ঠিক কৰিলে যে, প্ৰতাপ আৰু প্ৰচণ্ডৰ ৰজাৰ উত্তৰাধিকাৰী হোৱাৰ যোগ্যতা আছে। গুৰুৰ ৰায় জানিবলৈ তেওঁলোকে গুৰুৰ ফালে চালে। "মহাৰাজ, মোৰ দৃষ্টিত প্ৰশান্তৰহে আপোনাৰ উত্তৰাধিকাৰী হোৱাৰ সম্পূৰ্ণ যোগ্যতা আছে। তেওঁ এজন বীৰ যোদ্ধা হৈয়ো শান্ত, গম্ভীৰ, বিবেকৱান আৰু সহৃদয় ব্যক্তি। সঠিক সময়ত নিজৰ বীৰত্ব প্ৰকাশ কৰিব তেওঁ জানে। তেওঁৰ শাসন কালত সুপ্ৰতীক ৰাজ্যৰ প্ৰজাই সুখী আৰু শান্ত জীৱন কটাব পাৰিব।" গুৰু বিদ্যাসাগৰে ক'লে।

এই কথা শুনি ৰজা আচৰিত হ'ল। কিন্তু তৎক্ষণাৎ নিজকে নিজে চম্ভালি ক'লে,



"আপোনাৰ ইচ্ছাকে আদেশ বুলি মই মানি লৈছো গুৰুদেৱ।"

বেতালে এই কাহিনীটো কৈ উঠি ক'লে, "ৰাজন, ৰাজৰ প্ৰধান গুণ হ'ল শৌৰ্য। নিজৰ অভিজ্ঞতাৰ আধাৰত ৰজা সুদক্ষণে নিজেই এই সত্য জানিছিল, সেয়েহে তেওঁ প্ৰথমতেই কৈছিল, "ৰাজ্য হ'ল বীৰৰ প্ৰাপ্য। এনেকুৱা এজন ৰজাই এই কথা কেনেকৈ মানি ল'লে যে দুষ্ট লোকক নিধন কৰাত পৰাক্ৰম প্ৰদৰ্শন কৰা প্ৰতাপ আৰু প্ৰচণ্ডৰ দৰে যোদ্ধা ৰজাৰ উত্তৰাধিকাৰী হোৱাৰ যোগ্য নহয় বৰঞ্চ সেই প্ৰশান্তহে উত্তৰাধিকাৰী হোৱাৰ যোগ্য হ'ল যি কেৱল জন্তুৰ প্ৰতিহে প্ৰেম দেখুৱাইছিল। গুৰু বিদ্যাসাগৰৰ অভিপ্ৰায় মানি লৈ তেওঁ ৰাজ্যৰ ভৱিষ্যতকেই বিপদৰ মুখলৈ ঠেলি দিয়া নাছিলনে? গুৰুৱে এনে পৰামৰ্শ দিয়া পক্ষপাতিত্বৰ পৰিচয় দি নাছিলনে? মোৰ এইবোৰ সন্দেহৰ সমিধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।"

বিক্ৰমাদিত্যই ক'লে, "স্বীকাৰ কৰিছো যে ৰজাৰ বাবে শৌৰ্য, পৰাক্ৰম আৱশ্যকীয় গুণ, তাত কোনো সন্দেহ থাকিব নোৱাৰে। কিন্তু তাৰ লগতে প্ৰয়োজন হ'ল মানৱতা আৰু প্ৰেম। বিপদগ্ৰস্ত প্ৰাণীক সহায় কৰিবলৈ প্ৰশান্তৰ হৃদয় ব্যাকুল হৈ উঠিছিল। এনে সহায়ৰ বাবে মানুহক একগোট কৰি তেওঁ নিজৰ প্ৰবীণতাৰ পৰিচয় দিছিল। প্ৰশান্তৰ আছে সকলো প্ৰাণীকে প্ৰেমৰ চকুৰে চোৱাৰ প্ৰবৃত্তি। ৰজা হ'লে তেওঁ প্ৰজাক নিজৰ সন্তানৰ দৰে মৰম কৰিব। গুৰু বিদ্যাসাগৰে তেওঁক শাস্ত্ৰবিদ্যা আৰু যুদ্ধকলাতো পাৰ্গত কৰি তুলিছিল। গতিকে প্ৰশান্তৰ পৰাক্ৰম নাই বুলি ভবাটো অনুচিত। এনে শক্তিশালী লোকৰ মানৱতা আৰু জনতাক এক কৰাৰ ক্ষমতা থাকে। এনে এজন ৰজাই বাকী দুজনৰ শৌৰ্য পৰাক্ৰমো প্ৰজাৰ সুখ সন্তুষ্টিৰ বাবে কামত লগাব পাৰিব। এজন যোগ্য ৰজাৰ শৌৰ্যৰ লগতে লাগিব সহৃদয়তা। এই সকলোবোৰ কথা ভালকৈ ভাবি চিন্তিহে গুৰুৱে প্ৰশান্তক ৰজাৰ উত্তৰাধিকাৰী হিচাপে বাচনি কৰিছিল। ইয়াত পক্ষপাতিত্বৰ প্ৰশ্নই উঠিব নোৱাৰে। এই সত্যৰ কথা উপলব্ধি কৰিয়েই ৰজায়ো এই সিদ্ধান্তত তেওঁৰ সন্মতি দিলে।"

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শটো লৈ অদৃশ্য হৈ গ'ল আৰু পুনৰ সেই গছজোপাত ওলমি থাকিলগৈ।

(পদ্মলতা গাৰ্গীৰ ৰচনাৰ আলম লৈ)

Chandamama stories explore our traditions, folk tales, mythology, history and science in an unforgettable narrative style which captures your child's imagination.
Generations of children have grown up reading *Chandamama* in their native language.
Subscribe today and let your child's quest for knowledge stay alive forever.

I want to subscribe to the following editions of Chandamama: (Tick whatever applies)
☐ **English** ☐ **Language**.................................... ☐ **Junior Chandamama**
My Name .... Date of Birth ....
Send my issues to: Mr/Ms...
Address ....
....
....
City.................... State .... Pin ....
Telephone.................... Mobile .... Email ....

Enclosed Cheque/DD* for Rupees..
Cheque/DD no.................................Favouring **Chandamama India Ltd**
on .... bank. (Send At-par cheques or add Rs. 60 for non-Chennai cheques) Your subscription will start in 4 weeks.

Please mail the subscribtion form to :
Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501) Anna Salai Teynampet, Chennai – 600 018.
Tel: (044) 24334455 Telefax: 24322103 Email: chandamama@chandamama.com Web: www.chandamama.com

*Language/edition for one year is Rs. 180. Only English: Rs. 180 for 1 year. English + any language: Rs. 360 for 1 year. English Chandamama + Junior: Rs. 360 for 1 year. English Chandamama + Junior + any language: Rs. 540 for 1 year.
*Conditions apply.

খ্যাতনামা উৰিয়া লেখক, জয়ন্ত মহাপাত্ৰৰ কবিতাসমূহ বিশ্বৰ বিভিন্ন ভাষাত প্ৰকাশ পাইছে। তেওঁ বাস কৰে উৰিষ্যাৰ ৰাজধানী কটকত য'ত তেওঁ চন্দ্ৰভাগা নামৰ সাহিত্য আলোচনী সম্পাদনা কৰে।

নিশা বাৰ বাজি দহ মিনিটত

ঘৰটোৰ বাহিৰত, সেমেকা হাড়কপোৱা বতাহ-জাক, হালি জালি থকা দেৱদাৰু গছবোৰৰ মাজে মাজে অশান্ত, বিশৃংখল গতিত আগ বাঢ়িছে। আন্ধাৰৰ মাজেদি লাহে লাহে নামি আছে বৰষুণৰ টোপাল-বোৰ, ইয়াৰ আমনিদায়ক শব্দ যেন হাড়ৰ ভিতৰলৈহে সোমাই গৈছে।

খিৰিকীৰে বাহিৰলৈ চাই পঠিওৱা মোহনৰ চকুদুটাৰ সমুখলৈ আহিল আন্ধাৰৰ এখন ক'লা দেৱাল, দেৱালখন অ'ত ত'ত ভঙা আছে ধূসৰবৰণীয়া ঘূৰি ফুৰা অস্পষ্ট দাগবোৰৰদ্বাৰা, যিবোৰ ওচৰৰ গছবোৰৰ ছাঁৰ বাহিৰে আন একোৱেই হ'ব নোৱাৰে।

তাৰ সোহাঁতে প্ৰায় এশ ফুটমান দূৰৈত অকলশৰে থিয় হৈ থকা ইলেকট্ৰিক স্ট্ৰীট লাইটৰপৰা অহা ক্ষীণ পোহৰে তাৰ চাৰিওফালৰ আন্ধাৰ ঠেলি দিছে পিছে তাৰপৰা কিছুদূৰৈত আন্ধাৰে সেইখিনি পোহৰকো গিলি থৈছে। হঠাতে সোমাই অহা এজাক ঠাণ্ডা বতাহে তাৰ দুৰ্বল দেহাটো জোকাৰি গ'ল। টেবুলৰ ওপৰত সিঁচৰতি হৈ আছে কিতাপ আৰু কাগজ... আৰু এখন শকত, বিশাল শৰীৰবিদ্যাৰ কিতাপ, আধা মেলখোৱা অৱস্থাত। আৰু কিতাপখনৰ দাঁতিতে আছে সি অধ্যয়ন কৰি থকা দাঁত নিকটাই থকা মানৱ লাওখোলাটো।



বৰষুণজাকৰ আমনিদায়ক মাতটোৱে তাক অশান্ত কৰি তুলিছিল। সি ভাবিলে কাইলৈ পৰীক্ষা নথকাহেঁতেন সিতো কিতাপখন জপাই শান্তিৰে বিচনাত চকু দুটা জপাই দিলে হয়। বা বিচনাতে দন্ত্য দ হৈ সি ডিটেক্টিভ এখন মেলি ল'লে হয়। বহুত একছন থকা কিতাপ পঢ়ি তাৰ খুব ভাল লাগে।

ঘড়ীটোৰ টিক্ টিক্ শব্দই তাৰ চিন্তাক জোকাৰি গ'ল। টোপনি যোৱা-হেঁতেন, ইমান সময়লৈ সি সোণালী কাপোৰ পিন্ধা অপৰূপ ৰাজকুমাৰীৰ সপোন দেখিলহেঁতেন। কি কৰিব সি ঠিক কৰিব নোৱাৰিলে। ঘড়ীৰ কাটাই বাৰ বাজি দহ

মিনিট সূচাইছে। ইতিমধ্যে মাজনিশা হৈছে। তাৰমানে বহুত সময় সি নিশ্চয় কলমটিয়াই আছে।

নতুন দৃঢ়তাৰে সি আকৌ কিতাপখন পঢ়িবলৈ ল'লে। পিছে লিখা শব্দবোৰ তাৰ মূৰত নোসোমোৱা হ'ল। টেবুলৰ ওপৰত পৰি থকা লাওখোলাটোৰ ওপৰত তাৰ দৃষ্টি নিবদ্ধ হ'ল। কিবা এটাই তাক দৃষ্টি আঁতৰাই আনিবলৈ বাধ্য কৰিলে, পাহৰি যোৱা অতীতত এদিন দুটা জীৱন্ত চকু ধৰি ৰখা সেই অতল গহ্বৰ দুটাৰ পৰা।



সি ভাবিলে সেই গহ্বৰ দুটাই ইটোৱে সিটোক নিশ্চয় আমাৰ বেছিভাগৰ দৰে ভাল পাইছিল, ঘৃণা কৰিছিল আৰু জীয়াই আছিল। হঠাতে সেই কেইচেকেণ্ডমান ঘড়ীৰ কাটাৰ টিক টিক শব্দ ডাঙৰ হৈ আহিল। আৰু আচৰিত কথা, সি অনুভৱ কৰিবলৈ ধৰিলে, কোঠাটোত আৰু কোনোবা আছে, আন কোনোবা মুখ যাৰ সি নাম ক'ব নোৱাৰে, এটা অজান অনুভূতি, এটা অদৃশ্য ত্ৰাসে তাক আবৰি ধৰিলে।

নাই তাৰ ভুল হোৱা নাই, কোঠাৰ ভিতৰতে কোনোবাখিনিৰপৰা আহিছে—বেৰত কোনোবাই নখেৰে আঁচুৰিছে, শব্দটো অৱশ্যে অস্পষ্ট। ভয়ে ভয়ে সি চাৰিওফালে চাঁওতে হঠাতে আৰম্ভ হোৱা শব্দটো একেই ক্ষিপ্ৰতাৰে বন্ধ হৈ গ'ল। এই নীৰৱতা তাৰ অসহ্য লাগিল। চকু দুটা মুদি সি নিজকে নিজে প্ৰবোধ দিলে-সি শুনা শব্দটো তাৰ কল্পনাৰ বাহিৰে আন একোৱেই হ'ব নোৱাৰে। কিতাপখন বন্ধ কৰি সি শুই পৰিবলৈ ঠিক কৰিলে।

কেই মুহূৰ্তমানৰ পাছত আকৌ সেই শব্দটো তাৰ কাণত পৰিল, এইবাৰ আগতকৈ স্পষ্ট, এটা অবিৰাম ঘঁহনিৰ শব্দ যিটো শব্দ ওচৰৰে কৰবাৰপৰা অহা যেন লাগিছে। এটা উন্মাদ আশংকাই তাক ঘেৰি ধৰিলে, চাৰিওফালে চাই এইবাৰ সি মন কৰিলে শব্দটো লাওখোলাটোৰ ওচৰৰ পৰাই আহিছে। তাৰ বুকুৰ ঢপঢপনি বাঢ়ি আহিল। তাৰ ইচ্ছাৰ বিৰুদ্ধে যোৱা এটা শক্তিৰ বশৱৰ্ত্তী হৈ সি আৱিষ্কাৰ কৰিলে লাওখোলাটোৰপৰা সি দৃষ্টি আঁতৰাই আনিব পৰা নাই। তাৰ চকুৰ আগতে, লাওখোলাটো টেবুলৰ ওপৰেদি লৰচৰ কৰিবলৈ আৰম্ভ কৰিছে, লাওখোলাটোৱে দাঁত নিকটাই তাৰ ফালে চাই আছে। ভয়তে তাৰ বুকুখন ফাটি যাব খোজা যেন লাগিল। তাৰপাছত এটা তীব্ৰ আৰ্ত্তনাদ কৰি সি অচেতন হৈ পৰিল।

চকু মেলি মোহনে দেখিলে, তাৰ চাৰিওফালে গোট খাইছে কেইখনমান চিনাকি মুখ। হাঁহি থকা এখন মুখৰ মানুহ এজনে টেবুলখনৰ ফালে আঙুলিয়াই দেখুৱালে, ভাঙি থানবান হোৱা লাওখোলাটোৰ মাজত পৰি আছে এটা মৰা নিগনি!

মহান লোকৰ জীৱনৰ শিক্ষনীয় দিশ-২৯

মাজনিশাৰ এটা আৱিষ্কাৰ

শ্ৰীৰামকৃষ্ণ পৰমহংসৰ (১৮৩৬-১৮৮৬) প্ৰসিদ্ধ শিষ্য স্বামী বিবেকানন্দই (১৮৬২-১৯০২) আমেৰিকাৰ বুদ্ধিজীৱী সকলৰ প্ৰজ্ঞা আৰু চিন্তাক প্ৰচণ্ডভাৱে জোকাৰি দিছিল যেতিয়া তেওঁ বেদান্ত অৰ্থাৎ ভাৰতীয় দৰ্শনৰ কথা তেওঁলোকৰ আগত উন্মুক্ত কৰিছিল। এটা সময়ত পশ্চিমৰ বেছিভাগ মানুহেই ভাবিছিল যে ভাৰতীয় ধৰ্ম মানে হ'ল অন্ধবিশ্বাস, ৰীতি, নীতি আৰু অপযশৰ সমষ্টি। স্বামীজীৰ উদাত্ত ভাষণ শুনা লোকসকলে এই কথা স্পষ্টকৈ বুজি উঠিছিল যে বহু বছৰৰ আগতে বেদৰ সময়তে এই ভাৰতত আৰম্ভ হৈছিল সত্যৰ সন্ধানত মানুহৰ অভিযান। সোনকালেই আমেৰিকাৰ শ শ পুৰুষ মহিলা তেওঁৰ শিষ্য বা গুণমুগ্ধ হৈ উঠিছিল।

আমেৰিকাৰপৰা স্বামীজী গৈছিল ইংলণ্ডলৈ। তাতো তেওঁৰ কথাই মানুহৰ আধ্যাত্মিক মনত গভীৰভাৱে ৰেখাপাত কৰিছিল। বহুতো লোক তেওঁৰ শিষ্য হৈ পৰিছিল, যিসকলৰ ভিতৰত অন্যতম আছিল মাৰ্গাৰেট নবল যি পিছলৈ ভগ্নী নিবেদিতা নামেৰে বিখ্যাত হৈ উঠিছিল আৰু যি তেওঁৰ জীৱনৰ বাকী সময়ছোৱা ভাৰতৰ সেৱাত উৎসৰ্গা কৰিছিল।

অভূতপূৰ্ব আদৰণিৰ মাজত স্বামীজী ভাৰতলৈ ঘূৰ আহিছিল ১৮৯৬ চনত।

শ্ৰীৰামকৃষ্ণৰ পবিত্ৰ স্মৃতি অমৰ কৰি ৰাখিবলৈ স্বামী বিবেকানন্দই গুৰুৰ শিষ্যসকলৰ এটা সংস্থা, ৰামকৃষ্ণ মিছন স্থাপন কৰিছিল। ইয়াৰ সদস্য সকল আছিল সন্ন্যাসী, যিসকলে একেলগে থাকি নিজৰ আধ্যাত্মিক লক্ষ্যৰ পথত আগ বাঢ়িবলৈ আৰু দেশৰ দৰিদ্ৰ তথা আৰ্ত্তজনৰ সেৱাত জীৱন উৎসৰ্গা কৰিবলৈ ঠিক কৰিছিল। স্বামীজীয়ে কলকাতাৰ উপকণ্ঠ অঞ্চলত থকা বেলুৰত এই নতুন শৃংখলাৰ মুখ্য কাৰ্যালয় স্থাপন কৰিছিল। এই শিবিৰেই পিছত বেলুৰ মঠ নামেৰে জনাজাত হৈছিল।

কেইজনমান সতীৰ্থ ভক্তৰ লগত স্বামীজী তাতেই বাস কৰিছিল। তেওঁৰ কোঠাটোৰ কাষৰ কোঠাটোতে বাস কৰিছিল শ্ৰীৰামকৃষ্ণৰ আন এজন শিষ্য বিজ্ঞানানন্দ।

হুগলীৰ পাৰত সেয়া আছিল এটা নিস্তব্ধ নিশা। ঠিক মাজনিশা পাৰ হৈ গৈছে, বিজ্ঞানানন্দৰ কাণত পৰিল এটা অনুচ্চ অথচ

অস্বাভাৱিক শব্দ। তেওঁ কাণ থিয় কৰিলে। কোনোবাই যেন উচুপিছে। তেওঁ কোঠাৰপৰা ওলাই আহিল আৰু বাৰান্দাত ভালকৈ চালে। তেওঁ একো নেদেখিলে। অনুসন্ধিৎসাৰ বাবে তেওঁ স্বামী বিবেকানন্দৰ কোঠাটো জুমি চালে। ভিতৰত তেওঁ এটা আচৰিত দৃশ্য দেখিলে। মুখখন তললৈ কৰি শুদা মজিয়াত স্বামীজী পৰি আছে আৰু তেওঁ নিজৰ কান্দোন নিয়ন্ত্রণ কৰিবলৈ চেষ্টা কৰিছে। বিজ্ঞানানন্দই লাহে লাহে দুৱাৰখন ঠেলি খুলি দিলে আৰু হাতত সাৰে ভৰিত সাৰে কোঠাটোত প্ৰৱেশ কৰি স্বামীজীৰ ওচৰতে মজিয়াত বহি লৈ তেওঁক স্পৰ্শ কৰিলে। আচৰিত হৈ, স্বামীজী তৎক্ষণাৎ উঠি বহিল আৰু নিজৰ চকু মুখ মোহাৰি থোকাথুকি মাতেৰে ক'লে যে তেওঁৰ প্ৰতিবেশীজন যে তেতিয়াও সাৰ পাই আছে তেওঁ নাজানে।

"আপুনি অসুস্থ নেকি?" বিজ্ঞানানন্দই পৰম ব্যগ্ৰতাৰে সুধিলে। স্বামীজীয়ে আশ্বাস দিলে যে তেওঁ সুস্থ আৰু তেওঁৰ স্বাস্থ্যক লৈ চিন্তা কৰাৰ কোনো কাৰণ নাই।

পিছে স্বামীজীৰ উত্তৰত তেওঁৰ প্ৰতিবেশী আশ্বস্ত নহ'ল। তেওঁ স্বামীজীৰ দুখৰ কাৰণ জানিবই লাগিব, কাৰণ সকলোৰে নেতা এই শক্তিশালী তৰুণ মানুহজনক চকুপানী টুকা আজিলৈকে কোনেও দেখা নাই।

কিছু সময়লৈ স্বামীজীয়ে প্ৰসংগটো সলাবলৈ চেষ্টা কৰিলে, কিন্তু তেওঁ সোনকালেই বুজি পালে যে তেওঁৰ অস্বাভাৱিক আচৰণৰ কাৰণ নজনালৈকে বিজ্ঞানানন্দ ক্ষান্ত নহয়। তেওঁ সঁচা কথাটো ক'বলৈ বাধ্য হ'ল: পশ্চিমৰ দেশবোৰত তেওঁ মানুহৰ আঢ্যৱন্ত অৱস্থা নিজ চকুৰে দেখি আহিছিল। দেখিছিল তেওঁলোকৰ আৰামদায়ক জীৱন। আৰু ঘূৰি আহি তেওঁ ভাৰতত দেখিলেহি লাখ লাখ দেশবাসীৰ অবৰ্ণনীয় দুখ কষ্ট। দিনটোৰ বহুতবাৰ তেওঁৰ চকুপানী ওলাই আহিব খুজিছিল, কিন্তু কোনোমতে তেওঁ নিজৰ আবেগ নিয়ন্ত্রণত ৰাখিছিল। তেওঁৰ এই অন্তৰৰ অশান্তি আনৰ আগত তেওঁ দেখুৱাব খোজা নাছিল। কিন্তু ৰাতিৰ নিসঙ্গতাত তেওঁ আৰু নিজৰ আবেগক ধৰি ৰাখিব নোৱাৰিলে আৰু চকুপানী বৈ আহিবলৈ দিলে।

স্বামীজীক সান্ত্বনা দিবলৈ বিজ্ঞানানন্দৰ ভাষা নাছিল। দুয়ো কিছু সময় নীৰৱে থাকিল। তাৰপিছত স্বামীজীয়ে এটা মিচিকিয়া হাঁহি মাৰিলে আৰু তেওঁৰ সতীৰ্থক শুই পৰিবলৈ ইংগিত দিলে।

- মনোজ দাস

এখন আদৰ্শ গাঁও

তামিলনাডুৰ কইম্বাটুৰ জিলাৰ কেথানুৰ গাঁও। ইয়াত ১৫০০ খন ঘৰত মুঠ ৭০০০ লোক বাস কৰে। ইয়াৰ কোনো প্ৰাপ্তবয়স্ক লোকে ধূম্ৰপান বা সুৰাপান নকৰে। শিক্ষিতৰ হাৰ এশ শতাংশ। গাঁওখনৰ আটাইবোৰ ডেকা গাভৰুৰ স্নাতক ডিগ্ৰী আছে। আটাইবোৰ ৰাস্তা কংক্ৰীটৰ আৰু সেইবোৰত ফু মাৰি ভাত খাব পাৰি। ৰাস্তাত কোনো ধৰণৰ আৱৰ্জনা দেখা নাযায়। ৰাস্তাবোৰ পৰিষ্কাৰ কৰে গাঁওখনৰ ডেকা গাভৰুৱে। গাঁওখনৰ আটাইবোৰ ল'ৰা ছোৱালী স্কুললৈ যায়। যোৱা ১০ বছৰত গাঁওখনৰ কোনো ল'ৰা ছোৱালীয়েই শিক্ষা সাং নকৰাকৈ স্কুল এৰা নাই।

খাজুৰাহোৰ মন্দিৰবোৰ

সাধাৰণতে ৰজাসকলে ৰাজধানী বা ৰাজধানীৰ সমীপত একো একোটা স্মৃতিসৌধ গঢ়ি তোলা দেখা যায়। পিছে এতিয়াৰ মধ্যপ্ৰদেশত শাসন চলোৱা চাণ্ডেলা বংশৰ ৰজাসকলে বিখ্যাত খাজুৰাহো মন্দিৰবোৰ সজাইছিল ৰাজধানীৰপৰা বহু দূৰত। ৯৫০ খ্ৰীষ্টাব্দৰপৰা ১০৫০ খ্ৰীষ্টাব্দৰ ভিতৰত এইমন্দিৰবোৰ সজোৱা হৈছিল। এইবোৰ পুৰণি ভাৰতীয় স্থাপত্যৰ উৎকৃষ্ট নিদৰ্শন। মন্দিৰবোৰৰ বৃহৎ আকৃতি এইবোৰৰ আকৰ্ষণৰ প্ৰধান কাৰণ নহয়। এইবোৰৰ বেৰত থকা অনুপম ভাস্কৰ্যইহে মন্দিৰবোৰ আকৰ্ষণীয় কৰি তুলিছে। এই ভাস্কৰ্যবোৰত বৰ্ণিত হৈছে এহাজাৰ বছৰৰো অধিক কালৰ আগৰ ভাৰতীয় জীৱনৰ বিভিন্ন দিশবোৰ।

বীৰবলৰ কাহিনী-৯

কুঁৱাত পৰা হীৰাৰ আঙুঠি

গৰমৰ দিন আছিল। সূৰ্যোদয় ইতিমধ্যে হৈছে। সূৰ্যৰ কিৰণে জুই বৰষিছে। ক'ৰবাত দেখা গৈছিল প্ৰায় পানী নোহোৱা দুই চাৰিটা জুৰি। নদীবোৰ বালিৰে ভৰি আছিল। কুঁৱাবোৰ শুকাই গৈছিল। প্ৰখৰ ৰ'দ সহিব নোৱৰাৰ বাবে বাট-পথ জনশূণ্য আছিল। মানুহে বাহিৰলৈ আহিবলৈ ভয় কৰিছিল।

এদিন পুৱাই পুৱাই বাদছাদ ফুৰিবলৈ ওলাল। তেওঁৰ লগত বীৰবলকে ধৰি কেইজনমান গণ্যমান্য বিষয়াও আছিল। অলপ সময় ফুৰাৰ পাছত বাদছাহে ক'লে, "ইমান পুৱাতে সূৰ্যই জুই বৰষিছে। আটাইবোৰ কুঁৱা শুকাই গৈছে।" এইবুলি কৈ তেওঁৰ দৃষ্টি পথৰ দাঁতিত থকা এটা কুঁৱাৰ ওপৰত পৰিল। "চোৱাচোন ইয়াত পানী আছে নে নাই।" এইবুলি কৈ তেওঁ হাউলি কুঁৱাটোলৈ চালে। লগৰ মানুহখিনিয়েও তাকেই কৰিলে।

"এটোপালো পানী নাই," দীঘলকৈ উশাহ লৈ বাদছাদে ক'লে।

"যেতিয়ালৈকে বৰষুণ নহয়। তেতিয়ালৈকে এই স্থিতি সলনি নহয় বাদছাদ। কুঁৱাত কিবা এটা বস্তু পেলাই দিম আৰু চাম সেই বস্তুটোৱে মাটি স্পৰ্শ কৰেগৈ নে নকৰে, পানী থাকিলে সেই কথা জন সম্ভৱ নহব।" এইবুলি কৈ বীৰবলে এটা সৰু পাথৰ হাতত তুলি ল'লে আৰু কুঁৱাটোত পেলাই দিলে। পাথৰৰ শব্দৰ-পৰাই বুজা গ'ল ই গৈ মাটি স্পৰ্শ কৰিছেগৈ।

"এটা পাথৰৰ লগত আন এটা পাথৰো পেলাব লাগে, নহয় জানো," এইবুলি কৈ আকবৰে নিজৰ আঙুলিৰপৰা হীৰাৰ আঙুঠিটো খুলি কুঁৱাত পেলাই দিলে।

তাকে দেখি বীৰবল বৰ আচৰিত হ'ল, তেওঁ ক'লে, "স্বীকাৰ কৰিছো, এটা পাথৰ পেলোৱাৰ পাছত দ্বিতীয় পাথৰ এটাও পেলোৱা উচিত। কিন্তু সাধাৰণ পাথৰ একোটা জানো মূল্যৱান হীৰাৰ সমকক্ষ হ'ব পাৰে।" বীৰবলে ক'লে।

বাদছাদেও নিজৰ ভুল বুজি পালে। তেওঁ

বুজি পালে যে লৰালৰি কৰোতে তেওঁ এই ভুল কাম কৰিলে। তেওঁ চিন্তাত পৰিল। তেওঁ ভাবিলে যে কোনোবা এজন মানুহক কুঁৱাটোত নামিবলৈ দি আঙুঠিটো আনিব পৰা যায়। কিন্তু হঠাতে তেওঁৰ মগজুত এটা বিচিত্ৰ চিন্তা খেলালে, "বীৰবল, কোনোবা এজন মানুহক কুঁৱাত নামিবলৈ দি আঙুঠিটো উঠাই আনিব পৰা যায়, কিন্তু..."এইবুলি কৈ আকবৰ বৈ গ'ল।

"কওক জাহাপানা," বীৰবলকে ধৰি সকলোৱে সুধিলে।

"কুঁৱাত ননমাকৈ কোনোবাই আঙুঠিটো বাহিৰলৈ আনিব পাৰিবনে?" বাদছাদে সুধিলে।

"অসম্ভৱ," এজন বৃদ্ধ বিষয়াই ক'লে।

"ইয়াৰ অৰ্থ হ'ল কুঁৱাত ননমাকৈ আঙুঠিটো বাহিৰলৈ আনিব নোৱাৰি। আপোনালোকে তাকেই ক'ব খুজিছে নহয় জানো?" বাদছাহে সুধিলে।

"হয় জাহাপানা, এই কাম কেতিয়াও সম্ভৱ নহয়।" আন এজন বিষয়াই ক'লে।

"বীৰবল, তুমি কি ভাবা?" বীৰবলৰ ফালে চাই আকবৰে সুধিলে।

"মই তাকেই চিন্তা কৰি আছো, প্ৰভু," এইবুলি কৈ বীৰবলে পাগুৰী খুলি মূৰ খজুৱাবলৈ ধৰিলে।

"কেৱল মূৰ খজুৱালেই সমস্যাৰ সমাধান হ'বনে?" এজন বিষয়াই ব্যংগ কৰি সুধিলে।

"হয়, মোৰ ক্ষেত্ৰত তাকেই হয়, সম্ভৱ আপোনাৰ ক্ষেত্ৰত সেইটো নহয়," বীৰবলে গহীন হৈ ক'লে।

"কেৱল তোমাৰ ক্ষেত্ৰতহে সেইটো হয় কিয়?" বিষয়াজনে সুধিলে।

"কাৰণ মোৰ এটা মগজু আছে, যিটো আপোনাৰ নাই। কোনো উপায় ওলোৱা নাই, সেয়েহে মূৰ খজুৱাইছো।" বীৰবলৰ কথা শুনি সকলোৱে হাঁহিলে।

"কৈছোৱেই দেখোন, মূৰ খজুৱালে উপায় নিশ্চয় ওলাব। এতিয়া মই জানিছো সেই আঙুঠিটো কেনেকৈ বাহিৰ উলিয়াব পাৰি," উৎসাহেৰে বীৰবলে ক'লে।

উৎকণ্ঠাত বাদছাদে সুধিলে, "কোৱাচোন এতিয়া, কেনেকৈ উলিয়াবা?"

"তাৰ বাবে অলপ সময়

লাগিব জাহাপানা, গধূলিৰ ভিতৰতে কামটো হ'ব বুলি মই আশা কৰিছো। তেতিয়ালৈকে মোৰ পৰিকল্পনা গোপনে ৰখাই ভাল হ'ব বুলি মই ভাবিছো। কাকো নকম বুলি ভাবিছো।"

"কিবা প্ৰতাৰণাভৰা কাম কৰিম বলি ভবা নাইতো?" সেইজন বিষয়াই ক'লে যি বীৰবলৰ হাতত সকলোৰে হাঁহিয়াতৰ পাত্ৰ হৈছিল।

"সেইটো মোৰ স্বভাৱবিৰুদ্ধ কথা। আঙুঠিটো উলিয়াই অনাৰ মোৰ হাতত সুন্দৰ পথ আছেই যেতিয়া মইনো একা বেঁকা পথ লম কিয়?" বীৰবলৰ কথাত বিশ্বাসৰ সুৰ।

"ঠিক আছে, কিন্তু বাদছাহৰ ওচৰত মোৰ মিনতি এয়ে যে দুজন সৈনিকক যাতে ইয়াত নিয়োগ কৰা হয়, কিয়নো কাকো মুখৰ কথাতে বিশ্বাস কৰা অনুচিত।" সেই বিষয়াজনে জোৰ দি ক'লে।

"বীৰবলৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছে। তথাপি আপোনাৰ পৰামৰ্শ মতেই মই কাম কৰিম।" বাদছাহে ক'লে। যোৱাৰ আগতে তেওঁ দুজন সৈনিকক তাত থৈ গ'ল আৰু ক'লে যে কুঁৱাটোত যাতে কোনো মানুহ নানামে সেই কথা তেওঁলোকে মন কৰিব।"

সকলো লোক গ'লগৈ। বীৰবল অকলে থাকি গ'ল। তেওঁ চাৰিওফালে চকু ফুৰালে। দেখিলে অলপ দূৰত এটা জুপুৰী আছে আৰু তাৰ ওচৰতে এজনী গাইক এজোপা গছত বান্ধি থোৱা আছে। বীৰবল তৎক্ষণাৎ সেই জুপুৰীটোৰ ওচৰলৈ গ'ল আৰু বাহিৰৰ পৰা চিঞৰিলে। "ভিতৰত কোনোবা আছেনে?"

ভিতৰৰ পৰা কুঁজী বুঢ়ী এগৰাকী ওলাই আহিল আৰু বাহিৰত থিয় হৈ থকা বীৰবলক দেখি ক'লে, "কি লাগে বোপাই? তুমিনো কোন?"

"আই, মোক এমুঠিমান গোবৰ লাগে, আপুনি বিচাৰিলে মই পইচা দিম।" এইবুলি কৈ বীৰবলে জেপৰপৰা খুচুৰা পইচা উলিয়ালে।

"ইমান সৰু বস্তু এটাৰ বাবে পইচা কিয় লম? যোৱা লৈ লোৱাগৈ। বৰ গৰম পৰিছে," এইবুলি কৈ তেওঁ ভিতৰলৈ সোমাই গ'ল।

বীৰবলে তেওঁৰ বাওঁহাতেৰে এমুঠিমান গোবৰ ল'লে। সেইখিনি লৈ তেওঁ কুঁৱাটোৰ ওচৰলৈ গ'ল আৰু কুঁৱাৰ ভিতৰলৈ জুমি চালে। হীৰাৰ আঙুঠিটো জকমকাই আছিল। আঙুঠিটো লক্ষ্য কৰি তেওঁ গোবৰখিনি পেলাই দিলে। গোবৰখিনি আঙুঠিৰ ওপৰতে

পৰিলগৈ। এতিয়া আঙুঠিটো দেখা পোৱা নগৈছিল।

তাৰপাছত বীৰবলে এটা সৰু পাথৰ আৰু এডাল দীঘল ৰছী নিজৰ হাতত ল'লে। পাথৰটো তেওঁ ৰছীডালৰ আগত বান্ধি দিলে। তাৰপাছত গোবৰখিনি লক্ষ্য কৰি তেওঁ পাথৰটো তললৈ নমাই দিলে। এই কামত বহুত আনন্দিত হৈ বীৰবলে ৰছীডালৰ আনটো মূৰ কুঁৱাৰ ওচৰতে থকা এজোপা গছত বান্ধি দিলে। তাৰপাছত তেওঁ সেই সৈনিক দুজনক ক'লে, "তোমালোকে এই ৰছীডাল পহৰা দি থাকা। সন্ধ্যা হোৱাৰ আগতে মই আহিম।" এইবুলি কৈ তেওঁ তাৰপৰা গুচি গ'লগৈ। ৰ'দ বৰ চোকা আছিল। তথাপি বীৰবলে ভাবিলে এই প্ৰখৰ ৰ'দ মোৰ পৰিকল্পনাৰ বাবে বৰ উপযোগী প্ৰমাণিত হ'ব।

সূৰ্যাস্ত হ'বলৈ আৰু এঘন্টা বাকী আছিল। বীৰবল কুঁৱাটোৰ ওচৰলৈ আহিল। যিডাল ৰছী তেওঁ গছজোপাত বান্ধি থৈ গৈছিল সেইডাল তেওঁ নিজৰ হাতত মেৰিয়াই ল'লে আৰু খুব সাৱধানে সেই ৰছীডাল তেওঁ কুঁৱাটোৰপৰা বাহিৰলৈ উলিয়াই আনিলে। ৰছীডালত বান্ধি থোৱা পাথৰ আৰু তাৰ লগতে পিঠাৰ দৰে শুকোৱা গোবৰ আৰু গোবৰৰ ভিতৰত আঙুঠিটোও ওপৰলৈ উঠি আহিল। বীৰবলে গোবৰৰ পিঠাটো ভাঙি চালে। হীৰাৰ আঙুঠিটো তাত সুৰক্ষিত হৈ আছিল। আঙুঠিটো খুব ভালকৈ ধুই নিজৰ কাপোৰত লুকুৱাই বীৰবল বাদছাহৰ ওচৰলৈ গ'ল। তেওঁ ৰাজভৱন গৈ পোৱাৰ সময়ত বাদছাহৰ লগত কেইজনমান প্ৰধান বিষয়াও আছিল।

বীৰবলে বাদছাহক চালাম কৰিলে।

"আঙুঠিটো আনিছানে?" আকবৰে সুধিলে।

"হয় আনিছো, লওক" এইবুলি কৈ তেওঁ হীৰাৰ আঙুঠিটো বাদছাহক দিলে।

"এইটো কেনেকৈ তুমি আনিলা?" বাদছাহে সুধিলে।

বীৰবলে সবিস্তাৰে বৰ্ণনা দিলে।

"বাহ, বাহ! নিসন্দেহে তুমি আটাইতকৈ বেছি বুদ্ধিয়ক।" এইবুলি কৈ বাদছাহে সোণৰ মুদ্ৰাৰে ভৰা এটা মোনা বীৰবলৰ হাতত তুলি দিলে।

"আপোনাৰ দৰে দয়ালু আৰু দানী বাদছাহ বিচাৰিলেও পোৱা নাযাব।" এইবুলি কৈ বাদছাহক বীৰবলে আকৌ এবাৰ চালাম কৰিলে।

সংবাদ বিচিত্ৰা

হিমালয়ত পদচিহ্ন

ৰহস্যাজনক য়েটি বা 'বীভৎস বৰফমানৱৰ' অস্তিত্বৰ সমৰ্থনত অৱশেষত সাক্ষ্য প্ৰমাণ পোৱা হৈছে যেন ধাৰণা হৈছে। জশুৱা গেইট্চৰ নেতৃত্বাধীন এটা টিভি চেনেলৰ এদল মাৰ্কিন অন্বেষণ-কাৰীয়ে হিমালয়ৰ ২৮৫০ মিটাৰ ওখ খুম্বু অঞ্চলৰপৰা ঘূৰি অহাৰ পথত ১২ ইঞ্চি দীঘল পদচিহ্ন দেখা বুলি বাতৰিত প্ৰকাশ। যোৱা ২৮ নৱেম্বৰত, দলটোৰ সহকাৰী গাইড তুল বাহাদুৰ ৰায়ে প্ৰথমতে এটা পদচিহ্ন লক্ষ্য কৰে। পিছত, দলটোৰ সদস্যসকলে নতুন পদচিহ্ন দেখা পায়। এইবোৰ এটা য়েটিৰ বুলি বিশ্বাস কৰা হৈছে। এই পদচিহ্নবোৰৰ ফটো লোৱা হয়। এটা মডেলো তৈয়াৰ কৰা হয়। শ্ৰী গেইট্চে সাংবাদিকসকলক কয়, "য়েটি বাস্তৱ, ই আৰু কিংবদন্তি হৈ থকা নাই।"

এক ধৰণৰ এটা অভিলেখ

কেৰালাৰ পেৰিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে যোৱা ২৩ ডিচেম্বৰত ইয়াৰ সোণালী জয়ন্তী পালন কৰে। এদিনীয়া উৎসৱৰ বিশেষত্ব আছিল স্কুলখনৰ পুৰণি ছাত্ৰ আৰু আন লোককে ধৰি ৯৫টা বিভিন্ন বিষয়ৰ ওপৰত এশজন লোকৰ বক্তৃতা। শিক্ষা, সংস্কৃতি, কলা, ৰাজনীতি, বৃত্তিগত জীৱন, কেৰালাৰ আৰু ভাৰতৰ বাহিৰৰ জীৱন, ছপা সাংবাদিকতা আৰু আধ্যাত্মিকতা, আদি বিষয়ত তেওঁলোকক পাঁচ মিনিটকৈ ক'বলৈ দিয়া হৈছিল।

চান্দমামা কুইজ-২ মাৰ্চ ২০০৮ৰ উত্তৰসমূহ:

১.জয় আৰু বিজয়; ২.বাল্মীকি; ৩.দুৰ্বাসা; ৪.অদিতি, কাশ্যপ মুনিৰ পত্নী; ৫.যথাক্ৰমে বৃহস্পতি আৰু শুক্ৰাচাৰ্য; ৬.অঙ্গিৰা, আত্ৰি, ক্ৰতু, মৰীচি, পুলহ, পুলস্ত্য, বশিষ্ঠ; ৭.কুবেৰ, সম্পত্তিৰ দেৱতা; ৮.মৃত্যুৰ দেৱতা যমৰ সহকাৰী যি মৃত্যু হোৱা প্ৰতিজন লোকৰে ভাল আৰু বেয়া কামৰ হিচাপ ৰাখে; ৯.যথাক্ৰমে দুৰ্গা, কৃষ্ণ আৰু ৰাম; ১০.গণেশ।

চিৰস্মৰণীয় ঐতিহাসিক পৰিঘটনা-৯

বৃদ্ধ সিঙ যাক ধৰাটো অসম্ভৱ আছিল

বিহাৰৰ এখন সৰু ৰাজ্য জগদীশপুৰ। তাৰ ৰজা কোঁৱৰসিঙ আছিল আশী বছৰীয়া বৃদ্ধ। কিন্তু তেওঁৰ দেহত বৈছিল ডেকাতেজ। তেওঁৰ পৰাক্ৰমৰ কাহিনী থকা লোকগীত আজিও শিশুৰপৰা বৃদ্ধলৈকে সকলোৱে গুণগুণাই থাকে, "দাড়ি বগা বলিৰেখাৰে ভৰা, বৃদ্ধ তেওঁ বাহিৰৰপৰা, কিন্তু হৃদয় আৰু মস্তিষ্কত কোঁৱৰসিঙ ডেকাতেজেৰে ভৰা।" বৃদ্ধাৱস্থাতো তাৰুণ্যৰ শক্তি আৰু সাহসৰ বাবে তেওঁ বৃদ্ধ সিংহ নামেৰে জনাজাত হৈছিল। এই বিশেষণৰ মমাৰ্থ তেতিয়া বুজা যায় যেতিয়া তেওঁৰ সৰু ৰাজ্যখন দখল কৰিবলৈ অহা ব্ৰিটিছৰ বাৰে বাৰে হোৱা নগুৰ নাগতিৰ কথা জানিব পৰা যায়। সেয়া স্বাধীনতৰ প্ৰথম সংগ্ৰাম চলা ১৮৫৭ চনৰ কথা।

অনেক অপমানজনক পৰাজয়ৰ অন্তত ব্ৰিটিছ শাসকে তেওঁৰ ৰাজ্যৰ ওপৰত আক্ৰমণ চলাব পাৰিছিল ঠিকেই কিন্তু বৃদ্ধ সিংহক কৰায়ত্ব কৰাত বিফল হৈছিল। যেতিয়া কোঁৱৰসিঙে গম পালে যে ইংৰাজ সেনাৰ তেওঁ মোকাবিলা কৰিব নোৱাৰে তেতিয়া তেওঁ এমুঠিমান সাহসী সৈনিক লগত লৈ অৰণ্যত লুকাই থাকিলগৈ আৰু কেৱল জগদীশপুৰৰেই নহয় সমগ্ৰ দেশৰ স্বাধীনতাৰ বাবে ইংৰাজৰ বিৰুদ্ধে যুদ্ধৰ সুযোগৰ অপেক্ষাত ৰ'ল। স্থানীয়ভাৱে প্ৰচলিত কাহিনীৰপৰা জনা যায় কোঁৱৰসিঙ এসময়ত উজ্জয়িনীৰ ওপৰত শাসন চলোৱা বিক্ৰমাদিত্যৰ বংশধৰ আছিল। অৰণ্য তেওঁৰ প্ৰিয় স্থান আছিল। বাল্যকালত তেওঁ বন্ধুৰ লগত তালৈ চকু বন্ধ কৰি খেলা খেল খেলিবলৈ আহিছিল। যৌৱনত ভৰি দিয়াৰ পাছত তেওঁ অৰণ্যতে গেৰিলা যুদ্ধৰ কৌশল সমূহৰ অনুশীলন কৰিছিল। তেওঁ নিজৰ বন্ধুসকলক দুটা দলত বিভক্ত কৰিছিল। এটা দলে আনটোক অতৰ্কিতে আক্ৰমণ কৰিব লাগিছিল। এই বিদ্যা পিছত তেওঁ শত্ৰুক

পৰাভূত কৰাত বৰ সহায়ক হৈছিল।

এইটো আছিল সেই সময় যেতিয়া ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কম্পেনীয়ে কিবা নহয় কিবা অজুহাত দেখুৱাই ইখনৰ পিছত সিখনকৈ সৰু সৰু ৰাজ্য নিজৰ অধীনলৈ আনিছিল। জগদীশপুৰো তেওঁলোকৰ শেনচকুৰপৰা সাৰি যোৱা নাছিল। তথাপি সেই ৰাজ্যৰ শাসক কোঁৱৰসিঙ তেওঁৰ মুষ্টিমেয় অনুগতক লগত লৈ ওচৰৰে জংঘলত লুকাই পৰিছিল আৰু পুনৰ আক্ৰমণ কৰাৰ প্ৰস্তুতি লৈ ব্যস্ত হৈ পৰিছিল। তেওঁলোক সঠিক সুযোগৰ অপেক্ষাত আছিল।

তেওঁ গাম পালে যে লক্ষ্মৌৰ ওপৰত বিজয় সাব্যস্ত কৰিবলৈ ব্ৰিটিছ সৈনিক অৰধলৈ গৈ আছে। নিজৰ অনুচৰসকল লৈ আৰু কিছুমান বিপ্লৱী শক্তিৰ লগত বুজাবুজিলৈ আহি, তেওঁ ব্ৰিটিছ সেনাক অজিমগড় দুৰ্গৰপৰা বাহিৰলৈ অহাত বাধা দিবলৈ চেষ্টা কৰিলে। তেওঁৰ বেহু ৰচনা আৰু গেৰিলা পদ্ধতি অভাৱনীয় আছিল। প্ৰায়েই ব্ৰিটিছ সেনাবাহিনী অতৰ্কিতে কৰা আক্ৰমণৰ সমুখীন হৈছিল আৰু তেওঁলোকে কোঁৱৰসিঙৰ কৌশল বুজি পোৱা নাছিল। বহুতো ইংৰাজ সৈনিকে পলাই গৈ নিজৰ শিবিৰত আশ্ৰয় ল'বলগীয়া হৈছিল। স্বয়ঙ ইংৰাজ কমাণ্ডাৰ অজিমগড় দুৰ্গত আবদ্ধ হৈ পৰিছিল। কিন্তু ব্ৰিটিছ সেনা, কোঁৱৰসিঙক জগদীশপুৰলৈ যোৱাত বাধা দিবলৈ কৃতসংকল্প আছিল। "ইণ্ডিয়ান মিউটিনী"ৰ লেখক কৰ্ণেল চি.বি. মেলচনৰ মতে গৱৰ্ণৰ জেনেৰেল লৰ্ড কেনিঙ এই কথা লৈ আতংকিত আছিল যে বৃদ্ধ সিংহই তেওঁৰ জাল বৰ দূৰলৈকে মেলি দিছিল। বহুতবাৰ বৃদ্ধ সিংহই কেৱল বিহাৰৰ পূৰ্ব আৰু পশ্চিম অংশই নহয় ঔপনিৱেশিক শক্তিৰ ৰাজধানী কলকাতাও কঁপাই তুলিছিল। লৰ্ড কেনিঙে ভাৰতীয় সেনাৰ বিশেষজ্ঞ লৰ্ড মাৰ্ক কেৰক তৎক্ষণাৎ অজিমগড় অভিমুখে আহিবলৈ আৰু বৃদ্ধ সিংহক পিঞ্জৰাত বন্দী কৰিবলৈ নিৰ্দেশ দিলে। তৎক্ষণাৎ অস্ত্ৰ শস্ত্ৰৰে সুসজ্জিত ইংৰাজৰ বিপুল বাহিনী অজিমগড় সীমাত উপস্থিত হ'লহি আৰু তেওঁলোকৰ বন্দুক আৰু টোপৰ আগেদি জুই ওলাবলৈ ধৰিলে। এই সংঘৰ্ষত সকলোৱে দেখিছিল যে বৃদ্ধ ৰজা কোঁৱৰসিঙে তেওঁৰ প্ৰিয় বগা ঘোঁৰাত উঠি চিকমিকাই থকা তৰোৱালেৰে শত্ৰুসেনাক কুচকুটা দিছিল আৰু অনুকৰণীয় দক্ষতাৰে নিজৰ সৈনিকক নিৰ্দেশো দি আছিল। শ্ৰেষ্ঠ সেনাবাহিনী লৈয়ো শত্ৰুপক্ষই ভয় খাইছিল আৰু মাৰ্ক কেৰ নিজৰ সৈনিকসকলক লগত লৈ যুদ্ধক্ষেত্ৰৰপৰা পলাবলৈ বাধ্য হ'ল। তেওঁ মূল কাৰ্যালয়ক জনালে যে তেওঁৰ সহায়ৰ বাবে যাতে অস্ত্ৰ শস্ত্ৰৰ সৈতে আৰু সৈনিক প্ৰেৰণ কৰা হয়। জেনেৰেল লুগাৰ্ডৰ নেতৃত্বত সেনাৰ আৰু এটা দল অজিমগড়ৰ ফালে

আহিবলৈ ধৰিলে। শত্ৰুৰ চকুত ধূলি দি তেওঁ জগদীশপুৰ পালেহি আৰু তাৰপৰা আক্ৰমণ-কাৰীহঁতক খেদি পঠিয়াবলৈ এই আঁচনি পাঙিলে। ইয়াৰ বাবে প্ৰয়োজনীয় সাহসী সৈনিকসকলক তেওঁ সাৱধানে বাচনি কৰিলে আৰু তেওঁলোকক মাজপথৰে তানু নদীৰ দলঙ ৰক্ষা কৰিবলৈ নিৰ্দেশ দিয়া হ'ল। আজিমগড় দুৰ্গত বন্দী হৈ থকা ব্ৰিটিছ সৈনিকক মুকলি কৰি আনিবলৈ জেনেৰেল লুগাৰ্ডৰ নেতৃত্বত যুদ্ধ কৰা সৈনিকৰ দলে নগৰত প্ৰবেশ কৰিবলৈ সেইখন দলঙ পাৰ কৰাটো বাধ্যতামূলক আছিল। জেনেৰেল লুগাৰ্ডে ভাবিলে কোঁৱৰসিঙৰ সেনাই নিশ্চয় তেওঁৰ সেনাক নগৰত প্ৰৱেশ কৰাত বাধা দিবলৈ ইয়াত ৰৈ আছে। কিন্তু তাৰ আঁৰত যে আন এক পৰিকল্পনা আছিল সেই কথা জেনেৰেল লুগাৰ্ডে ধৰিব নোৱাৰিলে।

জেনেৰেল লুগাৰ্ড আৰু তেওৰ সেনাই বহুত চেষ্টা কৰিলে, কিন্তু পদচ্যুত ৰজাৰ অলপীয়া সেনাক পৰাভূত কৰি তেওঁলোক আগবাঢ়ি যাব নোৱাৰিলে। কিন্তু হঠাতে পূৰ্ব পৰিকল্পনা অনুসাৰে ৰজাৰ সৈনিক তাৰপৰা আঁতৰি গ'ল আৰু দলঙৰ আনটো পাৰে গুচি গ'ল। তাত এজনো সৈনিক নেদেখি ব্ৰিটিছ সেনাবাহিনী আচৰিত হ'ল। কেইজনমান সৈনিকে যেতিয়া ব্ৰিটিছ সেনাক দলঙৰ ওপৰত বাধা দি আছিল তেতিয়া তেওঁলোকে গম পালে যে বৃদ্ধ ৰজা আৰু তেওঁৰ সৈনিকসকল শত্ৰুৰ চকুত ধূলি দি গাজী মাৰ্গ হৈ গংগা নদীৰ পাৰত উপস্থিত হ'বগৈ। তৎক্ষণাৎ ব্ৰিগেডিয়াৰ ডগলচৰ নেতৃত্বাধীন ব্ৰিটিছ সেনা সেই ফালে আগ বাঢ়িল। বাস্তৱত ব্ৰিটিছ সেনা, কেইখনমান ঠাইত কোঁৱৰসিঙৰ অনুচৰে কৰা গেৰিলা যুদ্ধৰ মুখামুখি হ'বলগীয়া হ'ল।

অবিৰাম যাত্ৰাৰ বাবে বৃদ্ধ ৰজা কোঁৱৰ সিঙ ভাগৰি পৰিছিল, সেয়েহে তেওঁ সেই-সকল ব্ৰিটিছ সেনাৰ মুখামুখি হ'ব নোৱাৰিলে যিসকলে তেওঁক আৰু তেওঁৰ সেনাবাহিনীক হাতী আৰু ভয়ংকৰ অস্ত্ৰশস্ত্ৰেৰে ঘেৰি ধৰিছিল। যেতিয়া পৰিস্থিতি গুৰুতৰ হৈ পৰিল আৰু তেওঁ গম পালে যে পৰাজয় নিশ্চিত তেতিয়া তেওঁ নিজৰ সহজ বেহুৰ কৌশল অৱলম্বন কৰিলে। সৈনিক-সকলক কেইবাটাও গোটত বিভক্ত কৰা হ'ল আৰু তেওঁলোকক এখন নিৰ্দিষ্ট ঠাইত, এক নিৰ্দিষ্ট সময়ত একগোট হ'বলৈ নিৰ্দেশ দিয়া হ'ল।

তেনেতে যি ভবা হৈছিল, তাকেই ঘটিল। ৰজাৰ সেনা গংগা পাৰৰ সমীপলৈ আহিল। তেওঁ অনুমান কৰিলে যে ব্ৰিটিছ সেনা সেইখিনি আহি পোৱালৈ বেছি



সময় নালাগিব। কোঁৱৰসিঙে বুজি পালে যে ইমান অলপীয়া সেনা লৈ ইমান এটা ডাঙৰ সেনাবাহিনীৰ মুখামুখি হোৱাটো অসম্ভৱ আৰু সি বিবেকসংগত কামো নহ'ব। প্ৰয়োজনীয় নাৱও লগত নাছিল, গতিকে ৰজাই এইবুলি এটা উৰাবাতৰি উলিয়ালে যে ৰজা আৰু তেওঁৰ অনুচৰসকল বালিলাৰ ওচৰত হাতীত উঠি গংগা পাৰ হ'ব লাগিছে।

তেওঁলোকে অনুমান কৰা ধৰণেই, এই উৰাবাতৰি গৈ ব্ৰিটিছ সেনাপতিৰ কাণত পৰিলগৈ। ক্ষিপ্ৰতাৰে ব্ৰিটিছ সৈনিক বালিলা তটৰ ওচৰলৈ গ'ল আৰু জাৰণিৰ মাজত লুকাই ৰজা অহালৈ অধীৰ আগ্ৰহেৰে বাট চাই ৰ'ল। কিন্তু দীৰ্ঘ প্ৰতীক্ষাৰ অন্ততো না ৰজা আহিল না তেওঁৰ সৈনিক। আকৌ তেওঁলোকে খবৰ পালে সেই ঠাইৰপৰা সাত মাইল দূৰৈত শিৱপুৰ ঘাটৰ ওচৰত তেওঁ নাৱত বহি নদী পাৰ হ'ব খুজিছে। ব্ৰিটিছ সৈনিক তৎক্ষণাৎ তালৈকো গ'ল। তেতিয়ালৈ ৰজাৰ সেনা গৈ আনটো পাৰ পাইছেগৈ। শেষত তেওঁলোকে ৰজাৰ সেইখন নাৰ দেখা পালে যিখন নদীৰ সোঁমাজত আছিল আৰু আনটো পাৰ পাবলৈ তীব্ৰ গতিৰে গৈ আছে। শত্ৰুৰ গুলীয়ে গৈ ৰজাৰ এখন হাতত আঘাত কৰিলেগৈ। সেইখন হাতৰপৰা ধাৰাষাৰে তেজ ওলাবলৈ ধৰিলে। ৰজাই আনখন হাতেৰে তৰোৱাল তুলি লৈ ক'লে, "গংগা আই, তোমাৰ চেনেহৰ পুত্ৰৰ এই অন্তিম উপহাৰ স্বীকাৰ কৰা।" এইবুলি কৈ তেওঁ বাঁওহাতখন কাটি পেলালে আৰু কটা হাতখন গংগাত পেলাই দিলে। তাৰপাছত তেওঁ নদীৰ আনটো পাৰলৈ গ'ল আৰু আঠমাহ আগতে এৰি অহা নিজৰ ৰাজধানীত উপস্থিত হৈ শাসনৰ ৰাঘজৰী চম্ভালি ল'লে। এই খবৰ পাই ব্ৰিটিছ সেনাৰ নায়ক জেনেৰেল ল গ্ৰেণ্ডৰ বৰ বেয়া লাগিল। তেওঁ বুজি নাপালে এই বৃদ্ধ ৰজাজনে কেনেকৈ বাচি আহিল আৰু সিংহাসনত বহিলহি। তেওঁ পুনৰ নিজৰ সেনাবাহিনীক জগদীশপুৰলৈ লৈ গ'ল। কিন্তু বৃদ্ধ ৰজাই প্ৰবল পৰাক্ৰমেৰে শত্ৰুসেনাৰ মুখামুখি হ'ল আৰু শত্ৰুক নাশ কৰিলে। ১৮৫৮ চনৰ এপ্ৰিল মাহলৈকে তেওঁ পুনৰায় ৰাজ্যশাসন নিজৰ হাতলৈ আনিলে। কেইদিন-মানৰ পাছত কটা যোৱা হাতৰ ঘাৰ বাবে তেওঁৰ মৃত্যু হ'ল।

তাৰপাছত তেওঁৰ ভায়েক ৰজা অমৰ সিঙ ৰজা হ'ল যি ধৈৰ্য, সাহসত আৰু দেশভক্তিত ককায়েকতকৈ কম নাছিল। নিজৰ দুৰ্গ পতন নোহোৱালৈকে তেওঁ ব্ৰিটিছ সেনাৰ লগত যুদ্ধ কৰি গ'ল। শেষত তেওঁ দুৰ্গৰপৰা পলাই সাৰিল। তাৰপিছত কি হ'ল, সেই কথা কোনেও নাজানে। *(এ.কে.ডি.)*

গৰম আৰু ধূলি

“কেনে আমনিদায়ক!” স্কুল বাচত উঠিয়েই শশাংকই ক'লে, “আকৌ এটা বুৰঞ্জীৰ পাঠ, এইবাৰো সেইটোৱেই হ'ব।”

ৰাহুলেও হুমুনিয়াহ কাঢ়ি ক'লে, “মই জানো, আৰু তাকো শ্ৰেণীকোঠাত নহয়, হ'ব গৰম মৰুভূমিৰ মাজত!”

মোহন নীৰৱে থাকিল। সি বুৰঞ্জী ভাল পায় আৰু এই ভ্ৰমণ আমনিদায়ক হ'ব বুলিও সি নাভাবে।

আহমেদাবাদৰ এখন স্কুলৰপৰা অধ্যয়নৰ বাবে যোৱা এটি দলৰ সদস্য মোহন। সিহঁত যাবলৈ ওলাইছে সিন্ধু উপত্যকাৰ সভ্যতাৰ দিনৰে ৫০০০ বছৰীয়া পুৰণি বসতিস্থান ধলাভিৰা নামৰ প্ৰত্নতাত্ত্বিক গুৰুত্বৰ ঠাইখনলৈ।

সিহঁতৰ লগত যোৱা বুৰঞ্জীৰ শিক্ষয়িত্ৰী-গৰাকীয়ে ওৰেটো বাট সেই সভ্যতাৰ বিষয়ে কৈ গ'ল। ৰাহুলৰ ইটোৰ পাছত সিটোক হামি আহিল। শশাংকই আকৌ পটেট' ৱেফাৰ চোবোৱাত লাগিছে। কেৱল মোহনেহে মন দি শুনি গৈছে।

এটা সময়ত সিহঁতবোৰ ঠাইখনত উপস্থিত হ'লগৈ। ল'ৰাহঁত বাচৰপৰা নামি আহিল আৰু শিক্ষয়িত্ৰীয়ে সিহঁতক আগ বাঢ়িবলৈ দিলে। ধলাভিৰা আছে কচ্ছৰ ৰাণ অঞ্চলৰ শিলৰ পাহাৰ থকা ওপৰলৈ উঠা এটুকুৰা ভূমিত, যিটো এলেকা খাদিৰ দ্বীপ নামেৰে জনাজাত। বসতিঅঞ্চলটোৰ চৌহদ বিশাল আৰু ইয়াৰ ধ্বংসাৱশেষ দেখাত চাৰিওফালে প্ৰাচীৰ থকা প্ৰাসাদৰ দৰে। বন্ধুবোৰৰ সৈতে খান্দি উলিওৱা প্ৰত্নতাত্ত্বিক গড়টোৰ ওপৰত উঠি মোহনে গোটেই অঞ্চলটো তন্ন তন্নকৈ চাইছে।

“এনে এক শুকান আৰু পতিত ভূমিতনো কোনোবাই বসতি স্থাপন কৰিব খুজিব কিয়?” সি মনতে ভাবিলে। সুদূৰত সি দেখিলে ৰাণৰ বিস্তৃত বালিৰ মৰুভূমি। ইয়াত নিশ্চয় কিবা এটা ভুল হৈছিল। মোহনে জানিছিল যে ইয়াত কোনো নদী নাছিল আৰু অঞ্চলটোত তেনেই অলপীয়া বৰষুণ হৈছিল। সি তাৰ মনৰ সন্দেহ দূৰ কৰিব খুজিলে, কিন্তু সি থেৰোগেৰো

কৰিলে। তাৰ সহপাঠী-সকলে আমনি পোৱা যেনহে লাগিছে। ৰাহুলে জোতাৰ আগেৰে বালিত ছবি আঁকিছে। কাৰো সুধিবলৈ কোনো প্ৰশ্ন নাই। মোহনেই আগ-ভাগ ল'ব খুজিলে, সি প্ৰশ্নটো সুধিবলৈ মনস্থ কৰিলে।

"কিন্তু বাইদেউ, সিন্ধু উপত্যকা সভ্যতাৰ মানুহেনো ইয়াত কিয় বসতি স্থাপন কৰিছিল? ইমান এখন শুকান, পানী নোহোৱা ঠাইহে বাচি ল'লে কিয়?"

শিক্ষয়িত্ৰীয়ে মিচিকিয়াই হাঁহিলে, "বৰ ভাল প্ৰশ্ন সুধিছা মোহন!" আনন্দেতে মোহনৰ মুখখন ৰঙা হৈ আহিল, সকলোৱে তাৰ ফালে চালে। "প্ৰথম কথা হ'ল ৫০০০ বছৰ আগতে ধলাভিৰালৈ অহাটো দুৰূহ নাছিল। কিয়নো আৰৱ সাগৰৰ সম্প্ৰসাৰিত বাহুৰ দৰে গ্ৰেট ৰাণ আৰু লিটল ৰাণ সৰু সৰু নাৱেৰে সংলগ্ন আছিল। আনকি আজিও, সমুদ্ৰপৃষ্ঠাৰ সামান্য ওপৰত থকা এই ৰাণ, বৰ্ষাকালত অগভীৰভাৱে জলমগ্ন হয়। যিহেতু পানীখিনি ঘাইকৈ সাগৰৰপৰা আহে, ই শুকাই গ'লে, অঞ্চলটো নিমখৰ শকত স্ফটিকৰ লুণীয়া মৰুভূমিত পৰিণত হয়।" কথা পাতি থাকোতেই শিক্ষয়িত্ৰীয়ে মোহনক ধ্বংসাৱশেষৰপৰা আগ বঢ়াই নিলে, মোহনে তেওঁৰ লগত সমানে খোজ মিলালে, বাকীবোৰ পিছ পৰিল।

"দ্বিতীয় কথা হ'ল ৫০০০ বছৰৰ আগতে এই অঞ্চল অতি উৰ্বৰ আছিল।" ইফালে ৰাহুল আৰু শশাংকৰ বিৰক্তিদায়ক ধেমালিবোৰ আৰম্ভ হ'ল। শশাংকই ঠেলা মাৰি দিয়াত ৰাহুল পিছল খাই পৰি গ'ল। শিক্ষয়িত্ৰীয়ে তাক হাতত ধৰি উঠাই দিব খুজিলে। "ৰাহুল, আজিৰেপৰা ৫০০০ বছৰৰ আগতে তুমি ইয়াত এনেকৈ পৰি যোৱা হ'লে, তোমাক ৰক্ষা কৰিবলৈ মই সাঁতুৰিবলগীয়া হ'ল-হেঁতেন।" শিক্ষয়িত্ৰীয়ে ক'লে। এইবাৰ সকলোৱে তেওঁৰ মুখলৈ চালে। সিহঁতে খোজ কাঢ়ি আছে এক শুকান অঞ্চলৰ ওপৰেদি, বাইদেৱেনো কিয় সাঁতুৰি-বলগীয়া হ'লহেঁতেন।

হাঁহি এটা মাৰি শিক্ষয়িত্ৰীয়ে ক'লে, "এই অঞ্চলটো হ'ল এসময়ত গোটেই অঞ্চলটোৰ সতেজ পানীৰ উৎস মানছাৰ নদীৰ গৰ্ভ।" ল'ৰাহঁতে ইটোৱে সিটোৰ মুখলৈ চোৱাচুই কৰিলে। এখন নদী আৰু এটোপালো পানী নাই?" মানহাৰ নামৰ আন এখন নদী ধলাভিৰাৰ কেউকাষে বৈ যোৱাৰ পাছতে মানছাৰৰ লগ লাগিছিল। শিলৰ বান্ধ নিৰ্মাণ কৰি মানুহে এই দুখন নদীৰপৰা পানী সংগ্ৰহ কৰিছিল। এই পানীখিনি পিছত হৰপ্পাৰ নগৰত থকা চৌব্বাচ্চাবোৰলৈ নিয়া হৈছিল।"

"মানছাৰ আৰু মানহাৰৰ হ'ল কি?" এইবাৰ প্ৰশ্নটো কৰিলে ৰাহুলে।

"প্ৰায় ৫০০০ বছৰৰ আগতে সিন্ধু উপত্যকা আৰু তাৰ দাঁতিকাষৰীয়া অঞ্চল-বোৰৰ লোকসকলে সভ্যতা গঢ়ি তুলিছিল।



সময় যোৱাৰ লগে লগে কৃষি আৰু পশুপালন তেওঁলোকৰ প্ৰধান জীৱিকা হৈ পৰিল। জলসিঞ্চন, জুই ধৰিবলৈ খৰি, চাৰণক্ষেত্ৰ আৰু আন আন উদ্দেশ্যেৰে দিনক দিনে নতুন ভূমিক্ষেত্ৰ মুকলি কৰিবলৈ লয়। খুব কম সময়ৰ ভিতৰতে অৰণ্য নাইকিয়া হৈ আহিল। ফলত অঞ্চলটোত বৰষুণ কমি আহিল। ভূগৰ্ভস্থ পানীৰ পৃষ্ঠ তললৈ নামিল। সোনকালেই নদীবোৰ শুকাই গ'ল।"

শিক্ষয়িত্ৰীগৰাকীয়ে এক মিনিটমান কথা নোকোৱাকৈ থাকিল। "শুকান বতাহে নদীৰ গৰ্ভৰপৰা পলস কঢ়িয়াই আনি গোটেই অঞ্চলটোতে সিঁচি দিলে। এই প্ৰক্ৰিয়াৰে নাম হ'ল মৰুভূমিকৰণ। অৰ্দ্ধ শুষ্ক অঞ্চলটো একেবাৰে শুকান হৈ পৰিল। এই ধলাভিৰাত মৰুভূমিকৰণ আৰম্ভ হয় হৰপ্পান যুগৰ অন্তত, প্ৰায় ৩৫০০ বছৰৰ আগতে। আজি গোটেই বিশ্বতে এই একেটা ঘটনাই ঘটি আছে।"

তেনেতে ওচৰৰে গাঁও এখনপৰা অহা গাইড ভোলাই আটাইবোৰকে লাঙ্গৰ বাবে মাতিবলৈ আহিল। "এই মৰুভূমিকৰণ আৰু যাতে নহয় তাক নিশ্চিত কৰিবলৈ কোনেও একো কৰিব নোৱাৰেনে?" ল'ৰাবোৰ গাইড ভোলাৰ ওচৰত গোট খাওঁতেই মোহনে কথাটো ভাবিলে। গাঁৱত সিহঁতৰ বাবে ভোজনে বাট চাইছে। ল'ৰাবোৰে দেখি আচৰিত হ'ল গাঁওখন কিন্তু ধ্বংসাৱশেষৰ কেউকাষৰ শুকান পৰিৱেশৰ দৰে নহয়। গাঁওখন বেছ ডাঙৰ, তাত বহুত মানুহ আছে আৰু আছে বহুত ঘৰচীয়া জন্তু। সৰু সৰু জোপোহাৰ বাহিৰেও আছে অলপ গছ।

"গাঁওখন শ্যামল আৰু উৰ্বৰ, ধলাভিৰাৰ দৰে নহয়।" মোহনক ক'লে ৰাহুলে।

"হয় ঠিকেই কৈছা।" ভোলাই ক'লে।

আচৰিত হৈ দুয়োটাই ভোলাৰ ফালে চালে। সিহঁতে তাৰপৰা কিবা উত্তৰ আশা কৰা নাছিল। ভোলাই কৈ গ'ল, "এতিয়াই আমি যত্ন নকৰিলে, সোনকালেই আমাৰ গাঁওখনো ধলাভিৰা হ'বগৈ। কুঁৱাবোৰত থকা অলপীয়া সতেজ পানী আমাৰ খাবলৈ আৰু ঘৰুৱা কামৰ বাবে কোনোমতে জোৰে। খেতি বাতি কৰিবলৈ খুব অসুবিধা হয়। আমি গৰু ম'হ, ভেড়া, ছাগলী, গাধ আৰু উট পালন কৰোঁ। ৰাণৰ ওচৰত আমি উমৈহতীয়া চাৰণক্ষেত্ৰৰ বিকাশ ঘটাইছোঁ। গাঁওখনৰ অলপ অচৰপ ঘাঁহ বন, ফল মূলৰ গছ এই ঘৰচীয়া জন্তুবোৰে খোৱাটো আমি নিবিচাৰোঁ। ইয়াৰ ফলত এই ঠাইৰ গছ গছনি ক্ৰমে বাঢ়ি গৈ আছে। এই ঠাইৰ পৰিৱেশৰ অনুকূল গছপুলি আমি ৰুইছোঁ।"

লাঞ্চৰ পাছত ভোলাৰ লগত ল'ৰাহঁতে গাঁওখন চালে। সিহঁতে দেখিলে গাঁৱৰ মানুহে কেনেকৈ খৰি নজ্বলাই গোবৰৰ পিঠা ইন্ধন হিচাপে ব্যৱহাৰ কৰিছে। দেখিলে কেনেকৈ গাঁওবাসীয়ে বৰষুণৰ প্ৰতিটো টোপাল ধৰি ৰখাৰ ব্যৱস্থা কৰিছে। "শুকান ঠাইত হোৱা খেতি কৰিবলৈ এদিন আমি নিশ্চয় পৰ্যাপ্ত পানী পাম," ভোলাৰ কথাষাৰত আছিল পৰম প্ৰত্যয়। গাঁওখন শস্যশ্যামলা কৰিবলৈ গাঁওবাসীয়ে চলাই থকা প্ৰচেষ্টা দেখি ল'ৰাহঁতে তবধ মানিলে।

ঘৰলৈ ঘূৰি অহাৰ পথত আনকি ৰাহুল আৰু শশাংকয়ো স্বীকাৰ কৰিলে যে এই ভ্ৰমণত সিহঁতৰ চকু মেল খালে। "আমনি-দায়ক বুৰঞ্জীৰ পাঠ বুলি নোকোৱাজানো?" মোহনে সিহঁত দুয়োটাকে খোচ এটা মাৰি চালে। দুয়োটাই মোহনলৈ চালে মৰমমিহলি খঙেৰে।

ভাৰতৰ বিষয়ে জানি লোৱা

এই মাহৰ বিষয়বস্তু হ'ল ভাৰতৰ জীৱ জন্তু

১. ঘানা পক্ষী অভায়াৰণ্য ক'ত আছে?

২. কোনটো জন্তুৰ ভিতৰৰ নোমৰপৰা "কেশ্মিৰ" উণ তৈয়াৰ কৰা হয়?

৩. এটা সিংহৰ সাধাৰণ জীৱন কাল কিমান?

৪. ভাৰতৰ ক'ত ফ্লেমিংগ' দেখা যায়?

৫. কস্তুৰী পহু ভাৰতৰ ক'ত দেখা যায়?

৬. বন্য গাধ অভয়াৰণ্য ক'ত আছে?

(উত্তৰ ৭৪ পৃষ্ঠাত)

অলিম্পিক: বৰকৈ নজনা কেইটামান কথা

কুবেৰটিনৰ উৎকণ্ঠা

বেৰন পিৰে দ কুবেৰটিন আধুনিক অলিম্পিক গেমচৰ পিতৃৰূপে জনাজাত। এই পুৰণি গেম্‌চ পুনৰ উজ্জীৱিত কৰিবলৈ তেওঁক কিহে প্ৰেৰণা দিছিল জানানে? এই ফৰাচী আঢ্যৱন্ত লোকজনে মন কৰিছিল যে বেছিভাগ ফৰাচী যুৱকেই দুৰ্বল; সেয়েহে ব্ৰিটিছৰ সৈতে হোৱা যুদ্ধবোৰত ফ্ৰান্সৰ পৰাজয় ঘটিছিল। গতিকে, অলিম্পিকৰ দৰে কিবা এটা অনুষ্ঠিত কৰিব পাৰিলে, তেওঁৰ দেশৰ মানুহবোৰ সবল সুঠাম হৈ থাকিব পাৰিব।

এটা নৈশ ভোজমেল

এখন অভিৰ্ৱতন আৰু এটা নৈশ ভোজমেলৰ পাছত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটি গঠন হৈছিল। কুবেৰটিনে আয়োজন কৰা এখন বৃহৎ অভিৰ্ৱতনত ১২ খন দেশৰ ক্ৰীড়াপ্ৰেমীয়ে ভাগ লৈছিল। এই অভিৰ্ৱতনৰ অন্তত হোৱা নৈশ ভোজমেলত ২০০০ মানুহে ভাগ লৈছিল। অভ্যাগতসকলে আত্মৰক্ষামূলক কলাৰ সংগীত শুনিছিল আৰু ফেন্সিঙ তথা ৰ'ৱিঙ খেল চাইছিল। আতচবাজীৰে এই নৈশ ভোজমেল সামৰা হৈছিল। দিনটোৰ শেষলৈ কুবেৰটিনক সম্পাদক হিচাপে লৈ কমিটি গঠন কৰা হৈছিল।

নালাগে ধন্যবাদ!

তোমালোকে জানাই, প্ৰথমখন আধুনিত অলিম্পিক গেম্‌চ অনুষ্ঠিত হৈছিল এথেন্সত। প্ৰাচীন অলিম্পিকৰ প্ৰতিখন অনুষ্ঠিত হোৱা এথেন্সতে আধুনিক অলিম্পিকৰ শুভাৰম্ভ হ'ব লাগে বুলি গ্ৰীকসকলে জোৰ দিছিল। প্ৰথম গেম্‌চ প্ৰতিযোগিতাতকৈ বেছি উৎসৱহে আছিল। গ্ৰীচৰ ৰজা আয়োজক কমিটিৰ মুৰব্বী আছিল আৰু তেওঁ নিজেই বিজয়ীসকলক বঁটা প্ৰদান কৰিছিল। সামৰণি অনুষ্ঠানত ৰজা তেওঁৰ ভাষণ প্ৰদান কৰিবলৈ থিয় হ'ল। সফলতাৰে শেষ হোৱা গেম্‌চৰ আয়োজনত সহায় কৰা সকলোকে ৰজাই ধন্যবাদ জনালে। ক্ৰীড়াথলীৰ বিভিন্ন দেশৰপৰা অহা খেলুৱৈসকল আৰু তেওঁলোকৰ থকা খোৱাৰ দায়িত্বত থকা যুৱৰাজক ৰজাই বিশেষভাৱে ধন্যবাদ জনালে। বেৰণ দ কুবেৰটিনক ধন্যবাদ নজনোৱাকৈ ৰজা বহিল। ৰজাৰ অন্যমনস্কতা!



ৰাজস্থানৰ এটা লোককাহিনী

নিগনিয়ে যেতিয়া সোণ খাই পেলায়

ৰাজস্থানৰ লুনী নদীৰ পাৰৰ এখন সৰু গাঁও ধানী। শ শ বছৰৰ আগতে তাত বাস কৰিছিল লক্ষ্মণ নামৰ এজন কৃষক আৰু মনোহৰ নামৰ এজন বণিক। লক্ষ্মণ আছিল জাট, মনোহৰ আছিল এজন বনিয়া।

সেই বছৰ বৰষুণ খুব কম আছিল। নদীৰ পানী প্ৰায় শুকাই গৈছিল। খৰাং বতৰত সকলোতে দুৰ্ভিক্ষৰে আশংকাই দেখা দিছিল। তেওঁলোকৰ মাজত হোৱা বিতং আলোচনাৰ অন্তত লক্ষ্মণ আৰু তেওঁৰ পত্নী কামিনীয়ে ঘৰ এৰি ওচৰৰে আন এখন সমৃদ্ধিশালী গাঁৱলৈ যাবলৈ ঠিক কৰিলে য'ত তেওঁলোকে দুবেলা দুমুঠি উলিয়াবলৈ নতুনকৈ চেষ্টা কৰিব পাৰিব।

হঠাতে, নিজৰ বিয়াৰ সময়ত পৰিয়ালে দিয়া অলংকাৰবোৰৰ কথা কামিনীৰ মনত পৰিল।

"নতুনকৈ জীৱন আৰম্ভ কৰিবলৈ বেলেগ এখন ঠাইলৈ গ'লে এইবোৰ লগত লৈ যোৱাটো মুঠেই নিৰাপদ নহ'ব বুলি মই ভাবো," লগত লৈ যাবলগীয়া ন্যূনতম বস্তুখিনি লক্ষ্মণে বান্ধি থাকোতেই কামিনিয়ে কথাটো ক'লে।

অলপ সময় চিন্তা কৰি লক্ষ্মণে ক'লে, "কামিনী তুমি অলংকাৰখিনিৰ এটা টোপোলা কৰা আৰু আমি মনোহৰৰ ঘৰলৈ গৈ আমি ঘূৰি নহালৈকে তেওঁকে টোপোলাটোৰ দায়িত্ব ল'বলৈ অনুৰোধ কৰিম।"

প্ৰতিবেশীজনৰ লগত স্বামীৰ প্ৰগাঢ় বন্ধুত্বৰ কথা ভাবি কামিনীয়ে প্ৰস্তাৱটোত বিনাদ্বিধাই সমৰ্থন দিলে। অলংকাৰখিনিৰে এটা টোপোলা কৰি তেওঁ স্বামীৰ লগত মনোহৰৰ ঘৰলৈ গ'ল। সেই সময়ত মনোহৰ ঘৰত নাছিল। কামিনীয়ে মনোহৰৰ পত্নীক ক'লে, "বাইদেউ, এই খৰাং বতৰ কিমান দিন চলিব সেই কথা আমি নাজানো। সেয়েহে আন ক'ৰবাত কাম পাম

বুলি ভাবি আমি ধানী এৰি যাবলৈ ওলাইছো। আমি ঘূৰি নহালৈকে অনুগ্ৰহ কৰি এই টোপোলাটো ৰাখিব পাৰেনে? ইয়াত আছে মোৰ গোটেইখিনি অলংকাৰ, যিখিনি আমি লগত লৈ যাব খোজা নাই। আমি ঘূৰি অহাৰ পাছত টোপোলাটো ঘূৰাই লম। আমি বৰ বেছি দিন বাহিৰত নাথাকো।"

এনেকৈ তেওঁলোকে কথা পাতি থাকোতেই মনোহৰ ঘূৰি আহিল আৰু পত্নীয়ে কোৱা কথাখিনিকে লক্ষ্মণে মনোহৰক ক'লে। "চিন্তা নকৰিবা, মোৰ বন্ধু, সেইখিনি আমাৰ লগত নিৰাপদে থাকিব," মনোহৰে লক্ষ্মণ আৰু কামিনিক আশ্বাস দিলে।

পিছদিনা দুয়ো প্ৰতিবেশী গাঁৱ মালাৰ্দেছ অভিমুখে ৰাওনা হ'ল। লক্ষ্মণে ব্যৱসায়ত নিজৰ ভাগ্য পৰীক্ষা কৰিবলৈ ঠিক কৰি এখন দোকান খুলিলে। তেওঁলোক দোকানৰ পিছফালেই থাকিবলৈ ল'লে যাতে কামিনীয়ে ইটো সিটো সহায় কৰিব পাৰে, বিশেষকৈ স্বামী দোকানৰ বস্তু আনিবলৈ বাহিৰলৈ যোৱাৰ সময়ত।

কথাটো তেওঁলোকে গম পোৱাৰ আগতে, এবছৰ পাৰ হৈ গ'ল। ধানীৰপৰা অহা কেইজনমান মানুহে জনালে যে গাঁওখনত কিছু বৰষুণ হৈছে আৰু খৰাং বতৰ অন্ত পৰাৰ উপক্ৰম হৈছে। কিন্তু লক্ষ্মণ আৰু কামিনীয়ে মালাৰ্দেছত আৰু এবছৰ থাকিবলৈ সিদ্ধান্ত ল'লে। বছৰটোৰ শেষত, লক্ষ্মণে অনুভৱ কৰিলে যে তেওঁৰ ব্যৱসায় খুব ভাল চলিছে আৰু দোকানখন স্থাপন কৰাৰ সময়ত আশা কৰাতকৈ তেওঁৰ বহুত বেছি উপাৰ্জন হৈছে। তেওঁ দোকানখন কিনিব খোজা এজন মানুহ বিচাৰি পালে আৰু মনত বহুত আশা লৈ লক্ষ্মণ আৰু কামিনী ধানীলৈ বুলি ওলাল।

লক্ষ্মণ দুবছৰ আঁতৰি থকাৰ সময়ত মনোহৰৰ লোভ বাঢ়িল আৰু তেওঁ নিজৰ প্ৰতিবেশীজন ঘূৰি অহা খবৰটো পাই মুঠেই ভাল নাপালে। তেওঁ লক্ষ্মণ আৰু কামিনীক দেখা কৰিবলৈ নগ'ল। তেওঁলোকেও মনোহৰ নহা কথাটোত বৰ বেছি গুৰুত্ব নিদিলে, কিয়নো ঘৰত তেওঁলোক বয় বস্তুবোৰ্ থানথিত লগোৱাত ব্যস্ত আছিল। তেওঁলোক গাঁৱলৈ অহাৰ এদিন পাছত কামিনী মনোহৰৰ ঘৰলৈ গ'ল। মনোহৰ ঘৰত নাছিল। কামিনীয়ে মনোহৰৰ পত্নীক সুধিলে, "বাইদেউ, মই মোৰ অলংকাৰখিনি লৈ যাব পাৰোনে?"

হঠাতে মনোহৰৰ পত্নীয়ে উচুপিবলৈ ধৰাত কামিনীয়ে আচৰিত হৈ সুধিলে, "কি হ'ল বাইদেউ?"

"কিনো কঁও ভনী?" উচুপনি বন্ধ কৰি, চকুপানী টুকি থোকাথুকি মাতেৰে মনোহৰৰ পত্নীয়ে ক'লে, "ভনী, গোটেই টোপোলাটো নিগনিয়ে খাই পেলালে। আমি বৰ লাজ পাইছো আৰু সেয়েহে মোৰ স্বামীয়ে তোমালোকক দেখা কৰিবলৈ যোৱা নাই।"

কামিনী শান্ত হৈ থাকিল আৰু অলংকাৰ হেৰুৱাৰ কথা ক'বলৈ লক্ষ্মণ খেতিৰপৰা ঘূৰি অহালৈ অপেক্ষা কৰিলে। স্বামী স্ত্ৰীয়ে প্ৰতিবেশীৰ লগত কাজিয়া নকৰিবলৈ সিদ্ধান্ত ল'লে যদিও চুঙা চাই সোপা দিবলৈ সুযোগৰ অপেক্ষাত ৰ'ল। লক্ষ্মণে কেইদিনমানৰ বাবে মনোহৰক দেখা নিদিলে।

এদিন, লক্ষ্মণ মনোহৰৰ ঘৰলৈ গ'ল। দুবছৰৰ পাছত দেখা লক্ষ্মণক মনোহৰে হাঁহিৰে সম্ভাষণ জনালে। লক্ষ্মণে ক'লে, "ভাই, এটা অনুৰোধ কৰিব পাৰোনে?"

মনোহৰ বৰ আপোনভাৱ দেখুৱাই ক'লে, "কোৱা বন্ধু, মই তোমাক কি সহায় কৰিব পাৰো?"

"কামিনী নৰিয়াত পৰিছে আৰু মই এৰাতিৰ বাবে বাহিৰলৈ যাব লাগে। মই ঘূৰি নহালৈকে তুমি তোমাৰ ল'ৰাটো পঠিয়াব পাৰানে মোৰ পামখনৰ ওপৰত চকু ৰাখিবলৈ?"

মনোহৰে কোনো আপত্তি নকৰি নিজৰ সৰু ল'ৰাটোক লক্ষ্মণৰ লগত পঠিয়াই দিলে আৰু লক্ষ্মণে ল'ৰাটোক নিজৰ এজন আত্মীয়ৰ ঘৰলৈ নি তাতে থাকিবলৈ ক'লে।

তাৰ লগত খেলা ধূলা কৰিবলৈ আন ল'ৰা পাই মনোহৰৰ ল'ৰাটোৱে বৰ আনন্দ পালে। লক্ষ্মণো তাত এৰাতিৰ বাবে থাকিল আৰু পাছদিনা মনোহৰৰ পুতেকক লগত ননাকৈ তেওঁ ঘৰলৈ ঘূৰি আহিল।

মনোহৰ আৰু তেওঁৰ পত্নীয়ে ল'ৰাটোৰ বাবে দুদিন বাট চালে, পিছে ল'ৰাটোৰ কোনো খা-খবৰ নোপোৱাত তেওঁলোক লক্ষ্মণৰ ঘৰ ওলালগৈ।

এইবাৰ কামিনীৰ ডাঙৰকৈ কন্দাৰ পাল। "কিনো কওঁ বাইদেউ? মইনাটোক ডাঙৰ এটা ঈগলে লৈ গ'লহি। মোৰ স্বামীয়ে দুখ আৰু লাজতে কথাটো আহি আপোনালোকক ক'বহি পৰা নাই!"

লক্ষ্মণ আহি ল'ৰাটোৰনো হ'ল কি সেই কথা কোৱালৈ অপেক্ষা নকৰি মনোহৰ আৰু তেওঁৰ পত্নী পোনে পোনে এটা অভিযোগ কৰিবলৈ গাঁওবুঢ়াৰ ঘৰ ওলালগৈ। গাঁওবুঢ়াই নিজৰ কাণকে বিশ্বাস কৰিব নোৱাৰিলে, "এটা দহ বছৰীয়া ল'ৰাক ঈগলে লৈ গ'ল? অসম্ভৱ! ব'লা, আমি গৈ লক্ষ্মণক সোধোগৈ এইটো হ'ল কেনেকৈ?"

গাঁওবুঢ়া, মনোহৰ আৰু তেওঁৰ পত্নী লক্ষ্মণৰ ঘৰ ওলালগৈ। লক্ষ্মণে তেওঁলোকক আদৰিবলৈ বাহিৰ ওলাই আহিল। গাঁওবুঢ়াই লক্ষ্মণক সুধিলে, "মনোহৰৰ পুতেকৰ হ'ল কি? তাকনো ঈগলে লৈ গ'ল কেনেকৈ?"

"গাঁওবুঢ়া ডাঙৰীয়া, অলপ সোণৰ অলংকাৰ নিগনিয়ে খাই পেলাব পাৰে বুলি আপনি বিশ্বাস কৰিব পাৰেনে? সেইটো যদি সম্ভৱ হয়, এটা ল'ৰাক ঈগলৈ লৈ যোৱাটো কোনো আচৰিত কথা নহয়!" লক্ষ্মণে তৎক্ষণাৎ কথাখিনি ক'লে।

গাঁওবুঢ়াই ক'লে, "মই হ'লে একো বুজা নাই, লক্ষ্মণ, তুমি কথাখিনি বুজাই দিয়াচোন।"

লক্ষ্মণে তেতিয়া মনোহৰৰ হাতত দি যোৱা অলংকাৰখিনিৰ কথা ক'লে আৰু সেইখিনি নিগনিয়ে খালে বুলি কৈ তেওঁক মনোহৰে ঘূৰাই নিদিয়াৰ গোটেইটো কাহিনী গাঁওবুঢ়াক ক'লে। এইবাৰ গাঁওবুঢ়াই মনোহৰৰ মন্তব্য কি জানিব খুজিলে। কিছু সময়ৰ বাবে মনোহৰ আৰু তেওঁৰ পত্নী বাকৰুদ্ধ হৈ পৰিল। তাৰপাছত পত্নীয়ে ক'লে, "গাঁওবুঢ়া ডাঙৰীয়া, মই এতিয়াই ঘৰলৈ গৈ সেইখিনি লৈ আহিমগৈ। অলংকাৰখিনি আমাৰ ঘৰত নিৰাপদে আছে।" এইবুলি কৈ তেওঁ ঘৰলৈ গ'ল।

"মোৰ এজন আত্মীয়ৰ ঘৰত ল'ৰাটোও নিৰাপদে আছে। মই গৈ ল'ৰাটো আনি মনোহৰৰ হাতত গতাই দিমহি।" লক্ষ্মণে ক'লে।

যোৱাৰ আগতে গাঁওবুঢ়াই মনোহৰক কৈ গ'ল, "তুমি মনত ৰাখিবা, যেনে কুকুৰ তেনে টাঙোন।"



চান্দমামা কুইজ-৪

(১৬ বছৰৰ তলৰ শিশুৰ বাবে)

Co-sponsored by Infosys FOUNDATION, Bangalore

আটাইবোৰ শুদ্ধ উত্তৰ থকা প্ৰৱিষ্টিয়ে আনি দিব নগদ ২৫০* টকাৰ পুৰস্কাৰ।

স্বাধীনতা সংগ্ৰাম—এই মাহৰ কুইজত ভাৰতে বিদেশী শাসনপৰা স্বাধীনতাৰ বাবে চলোৱা সংগ্ৰামৰ কেইটামান গুৰুত্বপূৰ্ণ ঘটনা মনত পেলাব খোজা হৈছে।

*আটাইবোৰ শুদ্ধ উত্তৰ থকা প্ৰৱিষ্টি এটাতকৈ বেছি হ'লে সফল অংশগ্ৰহণকাৰীসকলৰ প্ৰত্যেকেই পাব ৫০ টকাকৈ।

তুমি কি কৰা উচিত: ১.এখন কাগজত উত্তৰবোৰ লিখা; ২.তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে সম্পূৰ্ণ ঠিকনা উল্লেখ কৰা; ৩.লেফাফাৰ ওপৰত লিখা চান্দমামা কুইজ-৪; ৪.৩১ মেই, ২০০৮ৰ আগতে আমাৰ হাতত পৰাকৈ তোমাৰ প্ৰৱিষ্টি ডাকত দিয়া। উত্তৰবোৰ দিয়া হ'ব জুলাই, ২০০৮ সংখ্যাত।

১. ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়ত কংগ্ৰেছ সভাপতি কোন আছিল?
২. ভাৰতীয় জাতীয় কংগ্ৰেছৰ ১৮৮৫ চনত প্ৰথমখন অধিৱেশন ক'ত অনুষ্ঠিত হৈছিল। ইয়াত কোনে পৌৰোহিত্য কৰিছিল।
৩. তিনিজন কংগ্ৰেছ সভাপতি পিছলৈ দেশৰ ৰাষ্ট্ৰপতি হৈছিলগৈ। তেওঁলোক কোন কোন?
৪. ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম মহিলা সভানেত্ৰী কোন?
৫. ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাপক কোন? প্ৰথম সভাপতি কোন আছিল? "কংগ্ৰেছ" নামটো কোনে দিছিল?
৬. ক'ত গান্ধীজীক প্ৰথমবাৰলৈ গ্ৰেপ্তাৰ কৰা হৈছিল?
৭. কোনখন মহানগৰীৰপৰা গান্ধীজীয়ে ভাৰত ত্যাগ আন্দোলন আৰম্ভ কৰিছিল? কেতিয়া?
৮. কংগ্ৰেছৰ কোনখন অধিৱেশনত স্বাধীনতা সংগ্ৰামৰ উদ্দেশ্য পূৰ্ণ স্বৰাজ বুলি ঘোষণা কৰা হৈছিল?



পশুপতিৰ বেদশিক্ষা

দহ বছৰ বয়সতে পশুপতিয়ে হৰিধামৰ পাঠশালাত বেদ শিকিবলৈ নিজৰ নামভৰ্ত্তি কৰিলে। যেতিয়া তেওঁৰ বিছ বছৰ বয়স হ'ল, তেতিয়া তেওঁ এখন গাঁৱত পুৰোহিত হ'বলৈ ওলাল গুৰু সকলৰ আশীৰ্বাদ লৈ।

পশুপতি যেতিয়া ৰাজবৰ নামৰ এখন গাঁৱৰ ওচৰ পালেগৈ, তেতিয়া তেওঁ দেখিলে এজন ব্যক্তিয়ে নিজৰ হাতত শিৱলিংগ লৈ পানীত নামিব ধৰিছে। পশুপতিয়ে মানুহ-জনক সুধিলে, "ডাঙৰীয়া, আপুনি কি কৰিব খুজিছে?"

"আমাৰ গাঁৱৰ শিৱ মন্দিৰটো তেনেই ভাগি ছিগি গৈছে। মন্দিৰটো পুনৰনিৰ্মাণ কৰি তাত পুৰণি শিৱলিংগৰ ঠাইত নতুন শিৱলিংগ প্ৰতিষ্ঠা কৰিবলৈ কাশীৰপৰা এই শিৱলিংগ লৈ আহিছিলো। কিন্তু প্ৰতিষ্ঠাপনৰ শুভ-মুহূৰ্ত্তৰ আগতে মই আহি নাপালো। সেয়েহে গাঁওবাসীয়ে পুৰণি শিৱলিংগকে মন্দিৰত প্ৰতিষ্ঠা কৰিলে। সেই কাৰণেই মই এই শিৱলিংগটো জলত নিমজ্জিত কৰিব খুজিছো।" মানুহজনে ক'লে।

"ডাঙৰীয়া, কাশীৰপৰা আনিছে যেতিয়া এই শিৱলিংগ সকলো ঠাইতে পূজা কৰাৰ যোগ্য। একেটা মন্দিৰতে কিমানটা লিংগ থাকিব পাৰে। বেদেও তাকেই কৈছে। পুৰণা লিংগৰ লগত ইয়াকো প্ৰতিষ্ঠাপন কৰক। দুটা শিৱলিংগ থকা মন্দিৰৰ বাবে গাঁওখনো প্ৰখ্যাত হৈ উঠিব। সম্ভৱ সেইটোৱেই দৈৱ ইচ্ছা। আপোনাৰ গাঁৱৰ মানুহখিনিক মই বুজাম। ব'লক, গাঁৱলৈ যাওঁ।" পশুপতিয়ে ক'লে।

পশুপতিৰ পৰামৰ্শ গাঁৱৰ সকলোৱে মানি ল'লে। দুটা শিৱলিংগ প্ৰতিষ্ঠাৰ পাছত নতুন মন্দিৰ আগতকৈ আকৰ্ষণীয় হৈ পৰিল। প্ৰতিষ্ঠাপনৰ সময়ত পশুপতিয়ে বেদৰ মন্ত্ৰ উচ্চাৰণ কৰিলে। ৰাইজে তেওঁৰ মন্ত্ৰপাঠ বৰ ভাল পালে। সকলোৱে বিচাৰিলে তেওঁ যেন

মাৰ্কণ্ডেয়

সেইখন গাঁৱতে থাকি যায়। কশীৰপৰা শিৱলিংগ লৈ অহা মানুহজনৰ নাম আছিল ভূষণ আৰু তেওঁ এজন জমিদাৰ আছিল। পশুপতিৰ পৰামৰ্শৰ বাবে তেওঁ অনা শিৱলিংগটো গাঁৱৰ মন্দিৰত প্ৰতিষ্ঠা কৰাত তেওঁ সফলতা লাভ কৰিলে। সেয়েহে তেওঁ পশুপতিক এক একৰ উৰ্বৰ ভূমি দান কৰিলে আৰু সেইখন গাঁৱতে থাকি যাবলৈ অনুৰোধ কৰিলে। পশুপতিৰ নিজৰ বুলিবলৈ কেও নাছিল, সেয়েহে তেওঁও সেইখন গাঁৱতে থাকি যাবলৈ সিদ্ধান্ত ল'লে।

শিৱলিংগ প্ৰতিষ্ঠাৰ পাছত পাঁচ দিন ধৰি গাঁৱত উৎসৱ চলিল। সেই সময়ছোৱাত শিৱমন্দিৰৰ পূজাৰীৰ কন্যা দুৰ্গাই শিৱলীলা বিষয়ক কথা আৰু গীত পৰিৱেশন কৰিলে, যিটো ভক্তসকলে খুব ভাল পালে। শেষৰদিনা তেওঁ নন্দীশ্বৰৰ কথা শুনালে। তাকে শুনি বাসৱেশ্বৰ নামৰ গাঁৱৰে এজন বয়োজ্যেষ্ঠ লোকে ক'লে, "কথিত আছে দেৱলীলাৰ কাহিনী শুনাজনক খীৰতী গাই আৰু যি এই কাহিনী শুনায় তেওঁক গাভিনী গাই দান দিয়া উচিত। সেয়েহে পূজাৰীৰ কন্যাক মই এজনী গাভিনী গাই দান কৰিব খুজিছো।"

দান হিচাপে দিয়া এই গাইজনীয়ে কেইদিনমানৰ ভিতৰতে এহাল যঁজা পোৱালি জন্ম দিলে। এই কথা শুনি মানুহে কোৱাকুই কৰিলে যে নন্দীশ্বৰে গৰু পোৱালিৰ ৰূপত জন্ম লৈছে আৰু সেয়েহে মানুহে পোৱালি দুটাক ভক্তিৰে প্ৰণাম কৰিলে। মানুহে নন্দীশ্বৰৰ প্ৰতিৰূপ জ্ঞান কৰা এই পোৱালি দুটাক শিৱৰ চৰণত অৰ্পণ কৰিলে যাতে সিহঁত য'লৈকে মন যায় তা'লৈকে যাব পাৰে।



নাদিয়া খেল দেখুওৱা মানুহবোৰে এই কথা গম পাই গাঁৱৰ বয়োজ্যেষ্ঠ লোকসকলক নমস্কাৰ কৰি তেওঁলোকৰ এজনে ক'লে, "ডাঙৰীসকল, শিৱই নৃত্য ভাল পায়। আমাৰ নাদিয়া খেল দেখি তেওঁ নিশ্চয় সন্তুষ্ট হৈছে। এই পোৱালি দুটাৰ এটাক আমাৰ হাতত গতাই দিয়ক। তাক আমি খেল শিকাম আৰু প্ৰতিবছৰে শিৱৰাত্ৰিৰ দিনা তাক ইয়ালৈ লৈ আহিম।"

কিন্তু তাত উপস্থিত থকা পশুপতিয়ে ক'লে, "সেইটো চিন্তা কৰিব পৰা যাব চাৰি বছৰৰ পাছতহে। তেতিয়ালৈ পোৱালিকেইটা ডাঙৰ হ'ব। তাতে এই বিষয়ত পূজাৰীৰ মত কি সেইকথাও জানি ল'ব লাগিব।" সকলোৱে পশুপতিৰ কথা সমৰ্থন কৰিলে।

পিছদিনা আবেলি পশুপতি নদীৰ পাৰত

বহি থাকোতে তেওঁ ওচৰৰে এখন গাঁৱলৈ গৈ থকা নাদিয়া খেল দেখুওৱা কেইজনমান মানুহ দেখা পালে। তেওঁলোকৰ লগত চাৰি পাঁচটামান নাদিয়া ষাড়ও আছিল। পশুপতিয়ে অনুভৱ কৰিলে পোৱালিটোৱে তেওঁৰ ফালে বৰ দুখমনেৰে চাই আছে। অলপ সময়ৰ পাছত তেওঁ এটা ষাড়গৰুক এখন খেতি পথাৰত চৰি থকা দেখা পালে। তেওঁ ষাড়টোৰ ওচৰলৈ গ'ল আৰু তাক ভালকৈ চাই তাৰ পিঠিত থপৰিয়াই দিলে। তাৰপিছত তেওঁ নদীৰ পাৰলৈ গুচি আহিল। ষাড়টো তেওঁৰ পিছে পিছে আহিল।

নদীৰ পাৰত এজোপা ডাঙৰ বট গছ আছিল। দিনটো যিহেতু শনিবাৰ আছিল, পূজাৰীৰ কন্যা দুৰ্গা বটগছজোপাক পূজা কৰিবলৈ তালৈ আহিছিল। দুৰ্গাই দেখিলে সেই ষাড়টোৰ পিঠিত এটুকুৰা ডাঙৰ ঘাঁ। দুৰ্গাই পশুপতিক সুধিলে, "এইটো হ'ল কেনেকৈ?"

"ক'বলৈনো আৰু কিটো আছে? এইবোৰ সকলো আমাৰ কাম। দেৱতা-সকলৰ গৰু কামধেনু পৃথিৱীৰ বাবেও ডাঙৰ সম্পদ। শস্যৰ গুৰিতে আছে গৰু। আমাৰ পূৰ্বপুৰুষসকলে গৰুক দেৱতা জ্ঞান কৰিছিল। গৰুৰ পূজা কৰিছিল। বহুতে গৰুৰ ৰূপতে ভগৱানক প্ৰত্যক্ষ কৰিছিল। দেৱতাৰ চৰণত অৰ্পিত গৰুক মানুহে নন্দীশ্বৰৰ অৱতাৰ বুলি ভাবে। ই ঘৰৰ চোতাললৈ আহিলে প্ৰহাৰ কৰা নহয়। কিন্তু এতিয়া পৰিস্থিতি বেলেগ হৈছে। নিজৰ স্বাৰ্থৰ বশৱৰ্ত্তী হৈ মানুহে গৰুৰপৰা যিমান পাৰে সিমান কাম আদায় কৰে কিন্তু ধৰ্মীয় অনুভূতি নোহোৱা হৈছে। আমি বহুত নিৰ্দয় হৈ উঠিছো। ধাৰণা হৈছে, এই ষাড়টোক কোনোবাই বেয়া ধৰণে মাৰিছে। নাদিয়া খেলৰ সময়তো ইহঁতক খুব বেয়া ধৰণে প্ৰহাৰ কৰা হয়। যেতিয়ালৈকে পোৱালিয়ে খেল নিশিকে তেতিয়ালৈকে সিহঁতক ভোকত থাকিবলৈ দিয়া হয়। সিহঁতৰ এই দুৰৱস্থা দেখিলে দয়া ওপজে।" বৰ দুখেৰে পশুপতিয়ে কথাখিনি ক'লে।

"হয়, আপুনি ঠিকেই কৈছে। আপুনি বেদৰ পণ্ডিত। এই বেয়া অৱস্থাৰপৰা ইহঁতক উদ্ধাৰ কৰিবলৈ আপুনিয়েই কিবা কৰিব লাগিব।" এইবুলি কৈ দুৰ্গা তাৰপৰা গুচি গ'ল।

পশুপতি চিন্তাত পৰিল। ৰাতিপুৱালৈকে তেওঁ এটা সিদ্ধান্তলৈ আহিল আৰু গাঁৱৰ বয়োজ্যেষ্ঠ লোকসকলক লগ ধৰি ক'লে, "ভূষণ ডাঙৰীয়াই মোক দান কৰা মাটিটুকুৰা

মই পশুপালনৰ বাবে কামত লগাব খোজো। গাঁৱত ইফালে সিফালে ঘূৰি ফুৰা ষাড়বোৰৰ চোৱা চিতাৰ সুবিধাৰ বাবে এখন গোশালা স্থাপন কৰিব খোজো আৰু সেইসকল কৃষকক তাত খেতি কৰিবলৈ দিব খোজো যি পশুবোৰক ভালকে চোৱা চিতা কৰে।

"তেতিয়া নিজৰ জীৱিকাৰ বাবে কি কৰিবা?" গাঁৱৰ এজন প্ৰবীণ ব্যক্তিয়ে সুধিলে।

"এই খেতিপথাৰ মোক দিয়া হ'ব বুলি মই ভবা নাছিলো। মই আশা নকৰাকৈয়ে, ভগৱানৰ দয়াৰদ্বাৰা এইটো সম্ভৱ হ'ল। সেই পথাৰ মই নন্দীশ্বৰৰ সেৱাত সমৰ্পণ কৰিম। মই যি বেদবিদ্যা শিকিলো, সিয়েই মোক জীৱন নিৰ্বাহৰ কিবা এটা পথ দেখুৱাব। সেয়েহে মই সিদ্ধান্ত কৰিছো যে সেই মাটিটুকুৰা সমৰ্পণ কৰি এই গাঁও এৰি আজিয়েই মই আন কোনোবা এখন গাঁৱলৈ গুচি যাম," পশুপতিয়ে ক'লে।

তেওঁৰ এই সিদ্ধান্তৰ কথা শুনি মানুহে বহুত দুখ পালে। পশুপতিয়ে গাঁও এৰি যাব খোজাটো মানুহে মুঠেই ভাল পোৱা নাছিল। তাত উপস্থিত শিৱ মন্দিৰৰ পূজাৰীয়ে পশুপতিৰ কথা শুনি ক'লে, "পুত্ৰ পশুপতি, বেদ মন্ত্ৰৰ লগতে পশুধনৰ প্ৰতি তোমাৰ যি প্ৰেম আৰু শ্ৰদ্ধা, সেয়া প্ৰশংসনীয়। তোমাৰ কোনো আপত্তি নাই যদি তোমাৰ দৰে এজন যোগ্য ব্যক্তিলৈ মোৰ একমাত্ৰ ছোৱালী দুৰ্গাক বিয়া দিব খুজিছো। তুমি সন্মতি দিলে মই সেয়া ছোৱালীজনীৰ সৌভাগ্য বুলি কম। তুমি আন ক'লৈকো যোৱাৰ প্ৰয়োজন নাই। আমাৰ লগতে থাকা, পুৰোহিতৰ কাম চম্ভালি লোৱা আৰু সুখী জীৱন কটোৱা।"

আপোনাৰ কন্যাই এই সম্পৰ্কত সন্মতি দিলে মই সেয়া মোৰো সৌভাগ্য বুলি ধৰিম কিয়নো তেওঁ সৰস্বতীৰ কৃপাধন্য।

শুভ মুহূৰ্ত চাই গাঁৱৰ বয়োজ্যেষ্ঠ লোক-সকলৰ উপস্থিতিত দুৰ্গা আৰু পশুপতিৰ বিয়া হৈ গ'ল।

নতুন দৰা কইনাই ঠিক কৰিলে যে বাসৱেশ্ব-ৰে দিয়া গাই আৰু তাইৰ পোৱালিকেইটাৰ চোৱাচিতা তেওঁলোকে নিজে কৰিব। সকলোৱে তেওঁলোকৰ সিদ্ধান্তৰ প্ৰশংসা কৰিলে। তেওঁ দান কৰা ভূমিৰ নাম ৰখা হ'ল পশুপতি ভূমি।

কৰ্মৰ ফল

ব্ৰহ্মদত্ত তেতিয়া কাশীৰ ৰজা। সেই সময়ত বোধিসত্ত্বই এটা বান্দৰ ৰূপে জন্ম গ্ৰহণ কৰিছিল। বান্দৰটোৰ নাম আছিল নন্দীয়। নন্দীয়ৰ এটা ভায়েক আছিল। দুয়ো হিমালয়ত থকা আশী হাজাৰ বান্দৰৰ দলৰ নেতা আছিল। নন্দীয়ৰ অন্ধ মাতৃক চোৱাচিতা কৰাৰ দায়িত্ব দলৰে কেইটামান বান্দৰৰ হাতত ন্যাস্ত কৰা হৈছিল।

নন্দীয় আৰু ভায়েকে প্ৰতিদিনে ফলৰ বাগিচাৰপৰা মিঠা আৰু ৰসাল ফল ছিঙি আনিছিল আৰু সেইবোৰ সেৱকৰ হাতত মাকৰ ওচৰলৈ পঠিয়াই দিছিল।

এদিন নন্দীয় তাৰ মাকক চাবলৈ আহিল। মাকক দেখি নন্দীয় অতি আচৰিত হ'ল আৰু সি মাকক সুধিলে, "মা তুমি কেনেকৈ ইমান দুৰ্বল হৈ পৰিছা? আমি তোমাৰ বাবে প্ৰতিদিনে ভাল ভাল ফল পঠিয়াই আহিছো। তুমি বাৰু সেইবোৰ নোখোৱা নেকি? তোমাৰ স্বাস্থ্যৰ খবৰ ৰখাটোত আমি আন যিকোনো কামতকৈ বেছি গুৰুত্ব দিওঁ।"

"নাই বোপাই, মোৰ ওচৰত এটাও ফল নাপায়হি। ফল খাবলৈ পোৱাহেঁতেন মোৰ অৱস্থা এন শুকান জেওৱা খৰিৰ দৰে হলহেঁতেননে বাৰু? মই জানো তোমালোকে নিজৰ মাতৃৰ বাবে প্ৰাণ দিবলৈকো সাজু আছা, তাক প্ৰমাণ কৰিবলৈ মোৰ ওচৰত আৰু কিবা ফল লাগিছেনে?" মাকে ক'লে।

আচল কথাটো বুজাত নন্দীয়ৰ পলম নহ'ল। সেই মুহূৰ্ত্ততে সি হিমালয় পালেগৈ। নিজৰ ভায়েকক গোটেই কথাখিনি শুনাই নন্দীয়ই ক'লে, "ভাই, মই ঘৰতে থাকি মাক চোৱা চিতা কৰিম। তুমি ইয়াতে থাকি বান্দৰ দলটোক নেতৃত্ব দিয়া।"

"দাদা, ময়ো ঘৰতে থাকি মাৰ চোৱা চিতা কৰিম।" ভায়েকে ক'লে।

এইদৰে দুয়ো ঘৰ আহি পালেহি। মাকৰ বাবে এজোপা আঁহত গছত এটা ভাল ঘৰ সাজি মাকক দুয়ো ভ্ৰাতৃয়ে নিজৰ নয়নৰ মণিৰ দৰে চোৱা চিতা কৰিবলৈ ধৰিলে।

জাতক কথা

সেই সময়ত এজন ব্ৰাহ্মণে তক্ষশীলা নগৰত এজন প্ৰসিদ্ধ গুৰুৰ আশ্ৰমত শিক্ষা লাভ কৰি আছিল। বিদ্য সমাপ্ত হোৱাৰ পাছত তেওঁ নিজৰ গুৰুৰপৰা ঘৰলৈ ঘূৰি অহাৰ অনুমতি বিচাৰিলে। গুৰুৱে তেওঁৰ শিষ্যক বুজালে, "বোপাই, তুমি তোমাৰ শিক্ষা সম্পূৰ্ণ কৰিলা। সেইটো মোৰ বাবে সন্তুষ্টিৰ কথা। পিছে তুমি হ'লা উদণ্ড প্ৰকৃতিৰ। খৰখেদা কৰি কেতিয়াও কোনো অনুচিত কাম নকৰিবা। পিছত তুমি অনুতাপ কৰিলেও তাৰপৰা কোনো লাভ নহ'ব। সেইটোৱেই মোৰ উপদেশ।" এইবুলি কৈ গুৰুৱে শিষ্যক আশীৰ্বাদ দিলে।

নিজৰ গুৰুৰ অনুমতি লাভ কৰি ব্ৰাহ্মণ যুৱক কাশী নগৰ পালেহি। বিয়া বাৰু কৰাই তেওঁ গৃহস্থী হৈ পৰিল। এতিয়া দুবেলা দুমুঠি যোগাৰ কৰাৰ কোনো উপায় তেওঁ ভাবি উলিয়াব নোৱাৰিলে। সেয়েহে তেওঁ ধনু বাণ উলিয়াই ব্যাধৰ পেছা গ্ৰহণ কৰিলে। তেওঁ জন্তু আৰু পক্ষী চিকাৰ কৰি সেইবোৰৰ মাংস বেচি পোৱা ধনেৰে নিজৰ ভৰণ পোষণ কৰিবলৈ ধৰিলে।

এদিন গোটেই অৰণ্যত ঘূৰাৰ পাছতো তেওঁ কোনো চিকাৰ নাপালে। নিৰাশ হৈ ঘৰলৈ উভতাৰ পথত তেওঁ এজোপা গছৰ ফালে চালে। সেই সময়ত নন্দীয় আৰু তাৰ ভায়েকে নিজৰ মাকক ফল মূল খাবলৈ দি মাকৰ ওচৰতে বহি আছিল।

ব্যাধে ভাবিলে খালী হাতেৰে ঘৰলৈ উভতি যায় কেনেকৈ? তাকে ভাবি তেওঁ বুঢ়ী বান্দৰজনীক লক্ষ্য কৰি ধনুত বাণ জুৰিলে। নন্দীয়ই সেই দৃশ্য দেখিলে। তৎক্ষণাৎ



নন্দীয়ই ভায়েকক ক'লে, "দেখিছানে তুমি! ব্যাধে আমাৰ মাতৃলৈ লক্ষ্য কৰি ধনুত বাণ জুৰিছে। মাৰ প্ৰাণৰক্ষা কৰিবলৈ মই বাণৰ আগলৈ আহিম। মোৰ মৃত্যুৰ পাছত তুমি মাক ভালকৈ চোৱা চিতা কৰিবা।" এইবুলি কৈ নন্দীয় খৰখেদা কৰি গছৰপৰা তললৈ নামি আহিল।

নন্দীয়ই ব্যাধক ক'লে, "ভাই, তুমি মোৰ মাক নামাৰিবা। তেওঁ বৃদ্ধা। তাৰ ঠাইত মোৰে প্ৰাণ লোৱা।"

এই কথা শুনি কঠোৰ হৃদয়ৰ ব্যাধে "বৰ ভাল কথা" বুলি কৈ নন্দীয়ৰ ওপৰত বাণ এৰিলে। কিন্তু ব্যাধে নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা নকৰিলে।

নন্দীয়ৰ মৃত্যুৰ পাছত তেওঁ বৃদ্ধ বান্দৰক লক্ষ্য ধৰি ধনুত বাণ জুৰিলে। তাকে দেখি নন্দীয়ৰ ভায়েক গছৰপৰা নামি আহিল আৰু ককায়েকে কোৱা কথাখিনিয়েই ব্যাধক ক'লে। ব্যাধে নিষ্ঠুৰতাৰে নন্দীয়ৰ ভায়েককো মাৰি পেলালে।

নিৰ্দয়ভাৱে বৃদ্ধ বান্দৰৰ ওপৰতো বাণ এৰি ব্যাধে সেই বান্দৰ নিধন কৰিলে।

সেই তিনিওটা বান্দৰৰ মৃতদেহ নিজৰ কান্ধত লাঠীৰে ওলোমাই ব্যাধ নিজৰ ঘৰ অভিমুখে আগ বাঢ়িল। গাঁৱৰ সীমাত ভৰি দিয়েই তেওঁ খবৰ পালে যে তেওঁৰ ঘৰটোত জুই লাগিছে আৰু তেওঁৰ পত্নী তথা সন্তান ঘৰটোৰ ভিতৰত আবদ্ধ হৈ পৰিছে।

এই খবৰ পাই তেওঁ বুকুত চপৰিয়াই নিজৰ ঘৰৰ ফালে দৌৰিলে। তাত গৈ পাই বৰ সাহসেৰে তেওঁ ঘৰৰ ভিতৰলৈ সোমাই গ'ল, কিন্তু তেওঁ য'ত থিয় হৈ আছিল সেই ঠাইৰ মাটি হঠাতে ফাঁট মেলিল আৰু তেওঁ ভিতৰলৈ সোমাই গ'ল। এইদৰে পাতাললৈ গৈ থাকোতে ব্যাধৰ মনত পৰিল নিজৰ গুৰুৱে কোৱা কথাবোৰ। মই যি পাপ কৰিলো, এয়া তাৰে প্ৰায়শ্চিত্ত। মই অনাহকতে নিৰপৰাধী বান্দৰকেইটা বধ কৰিলো। সিহঁতক নমৰা-হেঁতেনো মোৰ কোনো হানি নহ'লহেঁতেন আৰু বেচেৰাহঁতৰ হত্যাৰ পাপ মই বহন কৰিব নালাগিল-হেঁতেন।" এইদৰে ভাবি ভাবি ব্যাধ নৰক-লোক পালেগৈ। নৰক-লোকত ব্যাধে বহুত কষ্ট ভোগ কৰিলে। তেওঁৰ অপকৰ্মৰ ফল তেওঁৰ পৰিয়ালেও ভোগ কৰিবলগীয়া হ'ল। অপকৰ্মত লিপ্ত মানুহৰ পৰিণতি এনেকুৱাই হয়।

ৰামায়ণ

সম্পাতিয়ে ভায়েকৰ মৃত্যুৰ বতৰা পাই চকুপানী টুকি ক'লে, "জটায়ুৰ হত্যাকাৰী সেই দুষ্ট ৰাৱণৰ ওপৰত মই ইচ্ছা কৰিলেও প্ৰতিশোধ ল'ব নোৱাৰো, কাৰণ মই এতিয়া বৃদ্ধ। মোৰ পাখিও নাই। মই কি কৰিব পাৰো? এবাৰ বৃত্ৰাসুৰক বধ কৰিবলৈ আমি দুয়ো ইটোৱে সিটোৰ লগত প্ৰতিযোগিতা কৰি আকাশলৈ গৈছিলো। দুপৰীয়াৰ গৰম জটায়ুয়ে সহ্য কৰিব নোৱাৰিলে। তেতিয়া মই মোৰ পাখিৰে তাক ছাঁ দি ধৰিলো। সেয়েহে মোৰ পাখি পুৰি গ'ল আৰু মই এই বিন্ধ্য পৰ্বতত পৰি গ'লো। ইমান দিন ইয়াতেই থাকিলো আৰু মোৰ ভাইটোৰ কোনো খবৰেই নাপালো।"

তাকে শুনি অংগদে ক'লে, "যদি তুমি জটায়ুৰ ককায়েক, তেন্তে আমাক কোৱা এই ৰাৱণ থাকে ক'ত? ইয়াৰপৰা কিমান দূৰত? তেওঁ সীতাক ৰাখিছে ক'ত? সীতা কি অৱস্থাত আছে? এইবোৰ কথা তুমি আমাক ক'ব পাৰিবানে?"

"বোপাই, সঁচাই মই ৰামৰ হৈ কাম কৰিব লাগিছিল। কিন্তু মই বৃদ্ধ, দুৰ্বল, সেয়েহে মুখেৰে যি পাৰো কৈ সহায় কৰিম। ৰাৱণে সীতাক লৈ যোৱাটো সঁচা। তেওঁ লংকাত থাকে। এই দ্বীপ ইয়াৰপৰা এশ যোজন দূৰত্বত সমুদ্ৰত আছে। লংকা দ্বীপতেই আছে লংকা নগৰী। বিশ্বকৰ্মাই সেই নগৰী নিৰ্মাণ কৰিছিল। তাত তেওঁ সোণৰ দুৱাৰ, সোণৰ প্ৰাংগন আৰু প্ৰাসাদ বনাইছিল। সোণৰ সেই লংকাতেই ৰাৱণৰ অন্তেষপুৰত সীতা ৰাক্ষস স্ত্ৰীৰ মাজত দুখী হৈ বহি আছে। ৰাক্ষস স্ত্ৰীয়ে সীতাৰ মন ভাল লগাবলৈ চেষ্টা কৰি আছে

কিস্কিন্ধা কাণ্ড-৭

আৰু ৰাৱণক বিবাহ কৰিবলৈ তেওঁক পতিয়ন নিয়াবলৈ চেষ্টা কৰি আছে। মই যিহেতু শগুণ জাতিৰ, সেয়েহে ইয়াৰপৰাই ৰাৱণ আৰু সীতাক দেখা পাওঁ। যদি তুমি তৎক্ষণাৎ তালৈ যোৱা, তেন্তে তুমি সীতাক তাত নিশ্চয় দেখা পাবা।" সম্পাতিয়ে আশ্বাস দি ক'লে।

তেতিয়া জাম্বৱন্তই সম্পাতিক সুধিলে, ৰাৱণে সীতাক উঠাই লৈ যোৱা কোনে দেখিছিল? বাকীবোৰ বান্দৰে সম্পাতিৰ কথা শুনিবলৈ প্ৰতীক্ষা কৰিছিল।

"সেইটোও কৈছো শুনা। যিহেতু মই বৰকৈ চ'লা ফিৰা কৰিব নোৱাৰো সেয়েহে মোৰ ল'ৰাই সদায় মোৰ বাবে কিবা নহয় কিবা খাদ্য আনে। কিন্তু এদিন সি সূৰ্যাস্তৰ পাছত কেৱল পলমকৈ অহাই নহয়, সি খালী হাতেৰেও আহিছিল। মই যিহেতু খুব ভোকাতুৰ হৈ আছিলো সেয়েহে মই তাক খুব গালি শপনি দিলো। মোৰ ক্ৰোধ শান্ত কৰিবলৈ সি কি হ'ল সেই কথা ক'বলৈ ধৰিলে। মোৰ খাদ্যৰ বাবে সি মহেন্দ্ৰ পৰ্বতত ডাঙৰ ডাঙৰ জন্তু অহা ৰাস্তাত অপেক্ষা কৰি আছিল। সেই সময়ত কৃষ্ণকায় শৰীৰৰ এজন ব্যক্তি উদিত সূৰ্যৰ দৰে জিকমিকাই থকা এগৰাকী স্ত্ৰীক লৈ তালৈ আহিল। সেই পুৰুষ আৰু স্ত্ৰীক মোৰ ল'ৰাই মোৰ ভোজনৰ বাবে আনিবই খুজিছিল, তেনেতে সেই কৃষ্ণকায় পুৰুষে পৰম বিনম্ৰতাৰে তাক ৰাস্তা এৰি দিবলৈ ক'লে। এই বিনয়ত সন্তুষ্ট হৈ মোৰ ল'ৰাই ৰাস্তা এৰি দিলে। তাকে দেখি তাত থকা মুনিসকলে মোৰ ল'ৰা সুপাৰ্শ্বক ক'লে, "ভাগ্য ভাল আছিল বুলি তুমি আজি বাচি গ'লা। তোমাক ৰাস্তা এৰি দিবলৈ অনুৰোধ কৰা সেই পুৰুষ আন কোনো নহয়, স্বয়ং ৰাৱণ আৰু তেওঁ ৰামৰ পত্নী সীতাক উৰুৱাই

লৈ গৈছে।” এইটো ঘটনাৰ বাবেই সেইদিনা সি মোলৈ ভোজন আনিব নোৱাৰিলে।”

ৰাৱণৰ ঠিকনা আৰু সীতাৰ বিষয়ে জানি বান্দৰবোৰ অতি সন্তুষ্ট হ'ল। কথাবোৰ আৰু বিশদভাৱে জানিবলৈ সকলো সম্পাতিৰ ওচৰত বহি ল'লে।

তাৰপাছত সম্পাতিয়ে ভায়েকৰ তৰ্পণ কৰি এঠাইত বহি ল'লে। বান্দৰবোৰ তেওঁৰ চাৰিওফালে বহি ল'লে। সম্পাতিয়ে পুনৰ ক'লে, “মই ইতিমধ্যে কৈছোৱেই সূৰ্যৰ প্ৰখৰ উত্তাপত মোৰ পাখি জ্বলি গৈছিল। ছদিন ধৰি মই অচেতন হৈ আছিলো। পিছত গম পালো যে মই বিন্ধ্য পৰ্বতমালাত পৰি আছো। তেতিয়া ইয়াত নিষাকৰ মহৰ্ষিৰ আশ্ৰম আছিল। তেওঁ বৰ ডাঙৰ তপস্বী আছিল। সেই মহৰ্ষিক মই আৰু জটায়ুয়ে আগৰেপৰাই জানিছিলো। মই কোনোমতে চুঁচৰি চুঁচৰি তেওঁৰ আশ্ৰমলৈ গ'লো আৰু তেওঁৰ দৰ্শনৰ বাবে এজোপা গছৰ তলত থিয় হ'লো। অলপ সময়ৰ পাছত, মহৰ্ষি স্নান কৰি সেইফালে আহিল। তেওঁ পোনে পোনে আশ্ৰমলৈ গ'ল, আকৌ ঘূৰি আহি তেওঁ মোক সুধিলে মই কি কামত আহিছো। তেওঁ মোৰ দুৰৱস্থাৰ কাৰণ সুধিলে। তেওঁ মোক চিনিও পালে। মোৰ সৈতে হোৱা গোটেইটো ঘটনা তেওঁক মই বিৱৰি ক'লো। মই তেওঁক এইটোও ক'লো যে মই আত্মহত্যা কৰিব খোজো। মই মোৰ চকুপানী ধৰি ৰাখিব পৰা নাছিলো। তাৰপাছত তেওঁ চকুমুদি ধ্যানস্থ হৈ ক'লে, “আত্মহত্যা নকৰিবা। ধৈৰ্য ধৰা। তোমাৰ পাখি আকৌ আহিব। ভৱিষ্যতে দশৰথ নামৰ এজন বীৰ ৰজা হ'ব। তেওঁৰ পুত্ৰ ৰাম নিজৰ



পত্নীৰ লগত বনবাসলৈ আহিব। যেতিয়া তেওঁ জনস্থানত থাকিব তেতিয়া ৰাৱণ নামৰ এক ৰাক্ষস ৰজাই ৰামৰ পত্নীক হৰণ কৰি লৈ যাব। ৰামে পঠিওৱা বান্দৰৰ দল সীতাক বিচাৰি তোমাৰ ওচৰলৈ আহিব। তুমি তেওঁলোকক সীতাৰ বিষয়ে ক'বা। তুমি যিহেতু ক'লৈকো যাব নোৱৰা সেয়েহে তুমি ইয়াতে থাকা।” এইবোৰ চব আঠ হাজাৰ বছৰৰ আগৰ কথা। মোক এই কথা কোৱা মহৰ্ষিয়ে এশ বছৰৰ পাছত শৰীৰ পৰিত্যাগ কৰিলে। মই উভয় সংকটত পৰিলো। ৰাৱণ বলৱান হয় ঠিকেই, কিন্তু যেতিয়া মোৰ ল'ৰাই ক'লে যে তেওঁ সীতাক হৰণ কৰি লৈ গৈছে তেতিয়া মই তাইক গালি পাৰিলো, কিয় সি ৰাৱণৰ লগত যুদ্ধ কৰি সীতাক উদ্ধাৰ নকৰিলে। মোৰ ভাইটোৱে এই কামৰ বাবেই ৰাৱণৰ লগত যুদ্ধ কৰি প্ৰাণত্যাগ কৰিলে,

কিন্তু মোৰ ল'ৰাই একো নকৰিলে। মই মোৰ ল'ৰাক গালি পাৰি ক'লো ৰাৱণ যে শক্তিশালী তাত কোনো সন্দেহ নাই। কিন্তু তইয়োতো কম নহয়। তই সীতাক ৰাৱণৰ কবলৰপৰা উদ্ধাৰ কৰিব লাগিছিল, কিন্তু ওলোটাই তই ৰাৱণক যাবলৈ ৰাস্তা এৰি দিলি। সুগ্ৰীৱে ভাল ভাল বীৰক এই কামৰ বাবে পঠিয়াইছে। লংকালৈ গৈ সীতাক চাই আঁহাগৈ। সীতাক নিশ্চয় দেখা পাবা। তাৰপাছত ৰাম আৰু লক্ষ্মণৰ বাণত ৰাৱণ নিশ্চয় মৰা পৰিব। মোৰ ভাইটোৰ হত্যাৰো প্ৰতিশোধ এইদৰেই ল'ব পৰা যাব।"

সম্পাতিয়ে বান্দৰবোৰক এই কথাবোৰ কৈ থাকোতেই তেওঁৰ নতুন পাখি ওলাবলৈ ধৰিলে। সম্পাতিয়ে আনন্দিত হৈ ক'লে, "দেখিলা, নিষাকৰ মহৰ্ষিয়ে কোৱা কথা সঁচা প্ৰমাণিত হ'ল। তেওঁ এইবুলিও কৈছিল যি কামত তুমি যাবা সেই কামো সফল হ'ব। সেয়েহে তুমি নিজৰ কামত নিশ্চয় সফল হ'বা।"এইবুলি কৈ সম্পাতিয়ে আকাশলৈ উৰি গ'ল।

বান্দৰবোৰো উৎসাহেৰে দক্ষিণৰ ফালে গ'ল। সীতাৰ খবৰ পাই সকলোৱে আনন্দ উল্লাস কৰিবলৈ ধৰিলে। বান্দৰবোৰ দক্ষিণ সমুদ্ৰৰ ওচৰ পালেগৈ।

তেতিয়া বিশাল সমুদ্ৰ দেখি, বান্দৰবোৰৰ ভয় লাগিল। সেই সমুদ্ৰৰ এশ যোজন দূৰত আছে লংকা নগৰী, তালৈ কেনেকৈ যোৱা হ'ব? ডাঙৰ ডাঙৰ বীৰ বান্দৰো সমুদ্ৰৰ ভয়ংকৰ ঢৌ দেখি ত্ৰাসিত হ'ল।

অংগদে ডাঙৰ ডাঙৰ বান্দৰৰ সভা আয়োজন কৰি ক'লে, "আমি এই সমুদ্ৰ পাৰ নকৰাকৈ সীতাক, চাব নোৱাৰিম। তেওঁক নেদেখাকৈ ঘূৰি যোৱাতকৈ ইয়াতে

উপবাসে থকা ভাল হ'ব। সমুদ্র দেখি ভয় খালে নহ'ব। আমি অন্ততঃ এটা নিশ্চিত খবৰ পালো।

এতিয়া আমি আন্ধাৰত ঘূৰি ফুৰা নাই। ইয়াৰ বাবে আমি সম্পাতিৰ ওচৰত কৃতজ্ঞ হোৱা উচিত। আৰু ভৱিষ্যতৰ পৰিকল্পনা কৰা উচিত। এতিয়া কোৱা তোমালোকৰ কোনে কিমান ওপৰলৈ জঁপিয়াব পাৰা। সমুদ্ৰ পাৰ হৈ লংকা গৈ পালেহে আমাৰ জীৱন ৰক্ষা পৰিব।

গজে ক'লে তেওঁ দহ যোজন দূৰলৈ জঁপিয়াব পাৰে। গগক্ষই ক'লে বিছ যোজন। গৱাই ক'লে ত্ৰিছ যোজন, শ্ৰৰভে ক'লে চল্লিছ যোজন। গন্ধপাদন, কেইন্দ্ৰ, দ্বিবিদে ক'লে যথাক্ৰমে পঞ্চাছ, ষাঠি আৰু সত্তৰ। সুষেণে ক'লে তেওঁ আশী যোজন দূৰলৈ জঁপিয়াব পাৰে।

জাম্বৱন্তই ক'লে, "এটা সময় আছিল যেতিয়া মই বহু দূৰলৈ জঁপিয়াব পাৰিছিলো। ত্ৰিবিক্ৰমে বামণ অৱতাৰ লৈ তিনিও লোক দখল কৰাৰ সময়ত মই তেওঁক প্ৰদক্ষিণ কৰিছিলো। এতিয়া মই বুঢ়া হৈছো। নব্বৈ যোজনতকৈ বেছি দূৰ জঁপিয়াব নোৱাৰো।"

তেতিয়া অংগদে ক'লে, "মই অনায়াসে এশ যোজন জঁপিয়াব পাৰো। কিন্তু ঘূৰি আহিব পাৰো নে নোৱাৰো সেই কথা ডাঠি ক'ব নোৱাৰো।

তাকে শুনি জাম্বৱন্তই ক'লে, "তুমি আমাৰ মাজৰে কোনোবা এজনক লংকালৈ পঠিয়াব পাৰা। কিন্তু আমি তোমাক পঠিয়াম কেনেকৈ? সেইটো সম্ভৱ নহয়।"

"যেতিয়া মোকো নপঠিয়াব, আৰু আপোনালোকৰ মাজৰ কোনো যাব



নোৱাৰিব তেতিয়া আমি ইয়াত উপবাসে থকাই ভাল।” অংগদে ক’লে।

অলপ সময়লৈকে বান্দৰবোৰে মনে মনে চিন্তা কৰি থাকিল। জাম্ববন্তৰ হঠাতে হনুমানৰ কথা মনত পৰিল।” আৰে হনুমান ক’ত আছে? তেওঁকতো সোধাই নহ’ল।”

এইবুলি কৈ তেওঁ ইফালে সিফালে চাবলৈ ধৰিলে। অলপ দূৰত হনুমান অকলে বহি আছিল।

এই কাম হনুমানেহে কৰিব পাৰিব বুলি জাম্ববন্তৰ সম্পূৰ্ণ বিশ্বাস আছিল। সেয়েহে দূৰত বহি থকা হনুমানক দেখুৱাই তেওঁ অংগদক ক’লে, “এই কথা তুমি আৰু চিন্তা কৰিব নালাগে। এই কাম সফলতাৰে কৰিব পৰাজন সৌৱা দূৰত বহি আছে।”

তেওঁ হনুমানৰ ওচৰলৈ আহি ক’লে, “আমি সকলোৱে তাত মূৰ মাৰি আছো আৰু তুমি ইয়াত অকলে বহি আছা যেন একোৱেই হোৱা নাই। তুমি দেখোন জন্ম হৈয়েই ফল বুলি ভাবি সূৰ্যটো গিলিবলৈ আকাশলৈ উৰা মাৰিছিলা।

“তুমিয়েই যদি এই মহাসমুদ্ৰ পাৰ হ’ব নোৱৰা তেন্তে আন কোনে পাৰিব? গতিত তুমি বায়ুৰ সমান। জঁপিওৱা আৰু উৰণত তোমাৰ সমকক্ষ আছে কোন? তোমাৰ চাতুৰ্য চাবলৈ সকলোৱে অপেক্ষা কৰিছে। উঠা, তোমাৰ শক্তি প্ৰদৰ্শন কৰা।”

এই কথা শুনি, হনুমানৰ শৰীৰ ফুলিবলৈ ধৰিলে। তেওঁৰ শৰীৰ বিশাল হৈ পৰিল। অংগ প্ৰত্যংগ বাঢ়িবলৈ ধৰিলে। মূৰটোৱে আকাশ স্পৰ্শ কৰাৰ উপক্ৰম হ’ল। বুকু ফুলিবলৈ ধৰিলে। সকলোৱে জয়ধ্বনি দিলে। তেওঁৰ প্ৰশংসা শুনি শুনি হনুমানৰো শক্তি বাঢ়ি গ’ল।

হনুমানে ক’লে, “হয়, মই এই সমুদ্ৰ পাৰ হ’ব পাৰো। ইচ্ছা কৰিলে মই সূৰ্যক বাধা দিব পাৰো। শুভ মুহূৰ্ত সমাগত। মই ৰাৱণৰ লংকালৈ গৈ নিশ্চয় সীতাদেৱীক চাই আহিমগৈ। আৰু ৰামৰ কৃপা লাভ কৰি ৰাৱণৰ দৰ্পচূৰ্ণ কৰিম। তোমালোকে দুখ নকৰিবা।” ভূমিৰপৰা উৰা মাৰিলে ভূমি কঁপি উঠিব পাৰে বুলি ভাবি হনুমান মহেন্দ্ৰ পৰ্বতৰ ওপৰত উঠিলগৈ। হনুমানৰ ভৰি পৰাৰ লগে লগে পৰ্বতৰ বৃহৎ শিলাখণ্ড ভাগি চুৰমাৰ হ’ল, পৰ্বতৰ নামনিত থকা জীৱ জন্তুবোৰ ভয়তে পলাবলৈ ধৰিলে।

ৰজাৰ প্ৰতিযোগিতা

প্ৰাচীন কালত কাম্বোজ ৰাজ্যত ৰজা কুমাৰবাৰ্মাই ৰাজত্ব কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে সমস্ত বিদ্যাত তেওঁৰ সমকক্ষ ব্যক্তি কোনো নাই আৰু শাসনকাৰ্যত তেওঁ এজন সফল ব্যক্তি।

এদিন কথোপকথনৰ মাজতে ৰাণী কৰ্পূৰবল্লীয়ে তেওঁৰ স্বামীক ধেমালিৰ চলেৰে ক'লে যে উত্তৰাধিকাৰী সূত্ৰে ৰজা হোৱাটো কোনো ডাঙৰ কথা নহয়, বৰঞ্চ নিজৰ শক্তিৰ আধাৰতহে ৰাজ্য শাসনৰ যোগ্যতা লাভ কৰাটো ডাঙৰ কথা। ৰাণীয়ে এই কথাখিনি ৰজাক ধেমালিতে কৈছিল, কিন্তু ৰজা কুমাৰবাৰ্মাৰ ওপৰত ইয়াৰ গভীৰ প্ৰভাৱ পৰিল। ৰজাই তেওঁৰ যোগ্যতা ৰাণীৰ আগত প্ৰমাণ কৰি দেখুৱাবলৈ বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰিলে।

প্ৰতিযোগিতাত ভাগ ল'বলৈ দেশৰ বিভিন্ন প্ৰান্তৰপৰা উৎসাহী যুৱকসকল আহিল। সেইবোৰ বিদ্যাত পাৰ্গত ব্যক্তি-সকল বিচাৰকৰ আসনত বহিল। সফলতাৰে প্ৰতিযোগিতাবোৰ সম্পন্ন হ'ল। পুৰস্কাৰ বিতৰণহে বাকী থাকিলগৈ।

ৰজা কুমাৰবাৰ্মাই খড়্গবিদ্যাত প্ৰথম স্থান লাভ কৰা ৰামৰাজ নামৰ ব্যক্তিক দেখুৱাই ক'লে, "এইটো প্ৰমাণ হ'ল যে খড়্গবিদ্যাত এওঁতকৈ পাৰদৰ্শী আন কোনো লোক আমাৰ ৰাজ্যত নাই।"

সকলো সভাসদে সন্মতিৰ মূৰ দুপিয়ালে। "এতিয়া সেই কথাত মই নিজে পতিয়ন যাব লাগিব।" এইবুলি কৈ ৰজাই নিজৰ হাতত খড়্গ লৈ ৰামৰাজৰ লগত যুদ্ধ কৰিবলৈ সাজু হ'ল। ৰামৰাজ আৰু ৰজা কুমাৰবাৰ্মাৰ মাজত বহুত সময় ধৰি যুদ্ধ চলিল। শেষত ৰামৰাজে কুমাৰবাৰ্মাৰ হাতত থকা খড়্গ উৰুৱাই দিলে। ৰজাৰ মুখ লাজতে নিস্তেজ হৈ পৰা দেখা গ'ল।

সেই সময়তে বিচাৰকসকলে ঘোষণা কৰিলে যে ৰামৰাজে প্ৰতিযোগিতাৰ নিয়ম উলংঘা কৰিছে। বিচাৰকসকলে ৰামৰাজৰ

২৫ বছৰৰ পূৰ্বে চান্দমামাত প্ৰকাশিত কাহিনী

কাণে কাণে কিবা এষাৰ ক'লে। ৰজা কুমাৰ-বাৰ্মাৰ ওচৰলৈ আহি ৰামৰাজে ক'লে, "মহাৰাজ, আপোনাৰ অভাৱনীয় কৌশলৰ সমুখত টিকি থাকিব নোৱাৰি মই প্ৰতিযোগিতাৰ নিয়ম উলংঘা কৰিছো। সেয়েহে আকৌ এবাৰ যুদ্ধ কৰাৰ মোক সুযোগ দিয়ক।"

পৰাজিত হৈ মহাৰাজ ক্ৰোধান্বিত হৈ আছিল। সেয়েহে তেওঁ তৎক্ষণাৎ ৰামৰাজক অনুমতি দিলে, এইবাৰ কুমাৰবাৰ্মাই ৰামৰাজৰ খড়্গ অনায়াসে উৰুৱাই দিলে। ৰজাই পুৰস্কাৰ লাভ কৰিলে।

সেইদৰে সাহিত্য গোষ্ঠীত সকলোকে পৰাজিত কৰা বিদ্যানাথক ৰজাই প্ৰত্যাহ্বান জনালে। দুয়োজনৰ মাজত আলোচনা চলি থাকোতেই, বিচাৰকসকলে এইবুলি এটা ঘোষণা কৰি ৰজাক পুৰস্কাৰ দিলে যে বিদ্যানাথৰ ব্যাকৰণৰ বহুত ভুল আছে।

এই কৌশলেৰে আটাইবোৰ বিষয়ৰ পুৰস্কাৰ ৰজাই লাভ কৰিলে। এইদৰে একেৰাহে পাঁচ বছৰলৈকে ৰজা কুমাৰবাৰ্মাই আটাইবোৰ প্ৰতিযোগিতাতে পুৰস্কাৰ লাভ কৰিলে। কথাটো তেওঁ এদিন ৰাণীক ক'লে, কিন্তু মিচিকিয়া হাঁহি এটা মাৰি ৰাণী নিমাতে থাকিল।

সেইকেইদিনতে কুমাৰবাৰ্মাই এটা ভয়ংকৰ খবৰ পালে। মন্ত্ৰী ভৈৰৱে বহুত দিনৰেপৰা ৰাজ্যৰ শাসনভাৰ নিজৰ হাতলৈ নিয়াৰ ষড়যন্ত্ৰ কৰি আছিল। তেওঁৰ পৰিকল্পনা প্ৰায় সফলেই হৈছিল। যিকোনো মুহূৰ্ত্ততে মন্ত্ৰী ভৈৰৱ সিংহাসনত উঠিব পাৰে।

এই খবৰ পোৱাৰ লগে লগে ৰজা কুমাৰ-বাৰ্মাই নিজৰ পত্নীৰ লগত ছদ্মবেশত গুপ্ত-ভাৱে ৰাজ্যৰপৰা পলায়ন কৰিলে। এতিয়া ৰজা এজন সাধাৰণ মানুহ হৈ পৰিল।

কুমাৰবাৰ্মা আৰু কৰ্পূৰৱল্লী তেওঁলোকৰ ৰাজ্যৰ এটা কোণত থকা এখন সৰু গাঁৱত উপস্থিত হ'লগৈ। নিজৰ নাম সলনি কৰি ৰজাই দুখীয়া শ্ৰমিকৰ দৰে কষ্ট কৰি দিন কটাবলৈ ধৰিলে। জনতাৰ মাজত সময় কটোৱাৰ লগে লগে ৰজাই তেওঁলোকৰ অভাৱ অভিযোগৰ কথা গম পালে আৰু তেওঁলোকৰ সুখ দুখ অনুভৱ কৰি ৰজাই গম পালে যে তেওঁৰ শাসন জনতাৰ বাবে কল্যাণকাৰী নাছিল।

সেই বছৰো ৰজাই খবৰ পালে যে আগৰ-দৰে এই বছৰো বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। তেওঁ বৰ সুখী হ'ল। কিন্তু এইবাৰ এই প্ৰতিযোগিতাসমূহৰ বাবে যুৱকসকলৰ মাজত কোনো ধৰণৰ উৎসাহ নেদেখি ৰজাৰ চিন্তা হ'ল। তেওঁ বহুতো মানুহক ইয়াৰ কাৰণ সুধিলে, সকলোৱে ক'লে, "এইবাৰ প্ৰতিযোগিতাৰনো কি অৰ্থ

আছে? সকলোবোৰ পুৰস্কাৰতো ৰজাই পাব। এনে অৱস্থাত নিজৰ অমূল্য সময় নষ্ট কৰি প্ৰতিযোগিতাত ভাগ ল'বলৈ যোৱাৰ কি প্ৰয়োজন?"

কুমাৰবাৰ্মাই এই কথা ভাবি আনন্দিত হ'ল যে জনতাই তেওঁৰ প্ৰতিভা স্বীকাৰ কৰিছে। কিন্তু সেই সময়ৰ ৰজা ভৈৰৱে ৰাজতন্ত্ৰৰ বাহিৰে আন কোনো বিদ্যাতে পাৰদৰ্শী নাছিল। সেয়েহে কুমাৰবাৰ্মাই এই ভাবি ৰাজধানী অভিমুখে ওলাল যে তেওঁ এইবোৰ প্ৰতিযোগিতাত ভাগ লৈ পুৰস্কাৰ প্ৰাপ্ত কৰিব। বিভিন্ন প্ৰতিযোগিতাত ভাগ লৈ কুমাৰবাৰ্মা বিজয়ী হ'ল।

বিভিন্ন ক্ষেত্ৰত বিজয়ী ব্যক্তিসকলক শেষত ৰজা ভৈৰৱে অন্তিম প্ৰতিযোগিতাৰ বাবে আহ্বান কৰিলে। ৰজা ভৈৰৱ আৰু কুমাৰবাৰ্মাৰ মাজত খড়্গ যুদ্ধ হ'ল। কুমাৰবাৰ্মাই কেইমুহূৰ্তমানৰ ভিতৰতে ৰজা ভৈৰৱক নিৰস্ত্ৰ কৰিলে। তৎক্ষণাৎ বিচাৰকসকলে ঘোষণা কৰিলে যে প্ৰতিযোগিতাৰ নিয়ম উলংঘা কৰা হৈছে। ইয়াৰ পাছত বিচাৰকসকলে কুমাৰবাৰ্মাক বেলেগ এফালে নি বুজালে, "পাগল, তোমাৰ এই স্পৰ্দ্ধা এজন ব্যক্তিৰ বিৰুদ্ধে নহয়, বৰঞ্চ এটা উচ্চ পদৰ বিৰুদ্ধে। তুমি ভৈৰৱৰ হাতত নহয়, সিংহাসনৰ হাতত পৰাজয় বৰণ কৰিব লাগিছিল। তুমি ৰজাৰ ওচৰত ক্ষমা খুজি তেওঁৰপৰা আৰু এটা সুযোগ বিচাৰি তেওঁৰ হাতত হাৰি যোৱা অন্যথা তুমি বিপদত পৰিবা।"

নিৰুপায় কুমাৰবাৰ্মাই ভৈৰৱক বিজয়ী হ'বলৈ দিবলগীয়া হ'ল। তেতিয়াহে কুমাৰবাৰ্মাই এই কথা বুজি পালে যে ৰজা হৈ



থাকোতে কেনেকৈ তেওঁ সকলো পুৰস্কাৰ লাভ কৰিছিল।

যেতিয়া কুমাৰবাৰ্মা গাঁৱলৈ ঘূৰি আহিল, তেতিয়া কেইজনমান মানুহে তেওঁক সুধিলে, "কি হ'ল? ৰজা ভৈৰৱে জয় হ'ল নহয় জানো? এই কথা জানিও তুমি অনাহকতে ৰাজধানীলৈ গৈছিলা কিয়? পুৰস্কাৰ লাগে যদি প্ৰথমতে তুমি ৰজা হ'ব লাগিব।"

ইফালে ভৈৰৱৰ শাসনত প্ৰজাৰ ওপৰত শোষণ দিনক দিনে বাঢ়িছিল। এই কথা অনুমান কৰি কুমাৰবাৰ্মা দেশ ভ্ৰমণত ওলাল। সাহসী যুৱক সকলক নিজৰ দললৈ আনি তেওঁ গুপ্তভাৱে এক সৈন্যবাহিনী গঠন কৰিলে। সেই বাহিনীৰ নায়কৰ বাবে প্ৰতিযোগিতাৰ আহ্বান কৰা হ'ল। সেইৰোৰ প্ৰতিযোগিতাত কুমাৰবাৰ্মা বিজয়ী হ'ল আৰু তেওঁ সেনাপতি নিৰ্বাচিত হ'ল। ইয়াৰ পাছত কুমাৰবাৰ্মাই তেওঁৰ ৰাজ্য ঘূৰাই পাবলৈ এক

ভাল পৰিকল্পনা যুগুতাই উলিয়ালে।

পিছৰ বছৰৰ ৰাজধানীত হোৱা প্ৰতি-যোগিতাসমূহত ভাগ ল'বলৈ তেওঁ নিজৰ সেনাবাহিনী লৈ ওলাই গ'ল আৰু সেইবাৰো তেওঁ প্ৰতিটো প্ৰতিযোগিতাতে বিজয়ী হ'ল।

ইয়াৰ পাছত ভৈৰৱে কুমাৰবাৰ্মাক খড়্গ যুদ্ধৰ বাবে আহ্বান কৰিলে। কুমাৰবাৰ্মাই অনায়াসে ভৈৰৱৰ হাতত থকা খড়্গ উৰুৱাই দিলে আৰু নিজৰ তৰোৱালেৰে ভৈৰৱৰ বুকুত স্পৰ্শ কৰি জনতাক উদ্দেশি ক'লে, "এই দুষ্টই মোক বধ কৰিব খুজিছিল। কিন্তু নিজৰ বিশ্বাসভাজন কেইজনমান লোকে মোক আগতীয়াকৈ খবৰ দিয়াত মই প্ৰাণ লৈ পলাবলৈ সক্ষম হ'লো। ময়েই আপোনা-লোকৰ এসময়ৰ ৰজা কুমাৰবাৰ্মা। এই ভৈৰৱে প্ৰজাৰ ওপৰত ভালকৈ শাসন চলোৱাহেঁতেন মই তেওঁৰ কামত দখল নিদিলোহেঁতেন। জনতাৰ কল্যাণৰ কথা ভাবিয়েই মই আগবাঢ়ি আহিলো। আপোনালোকে মোক পুনৰ ৰজা বুলি স্বীকৃতি দিব নে মই এই সিংহাসনৰ বাবে যুঁজ দিব লাগিব?" এইবুলি কৈ কুমাৰবাৰ্মাই নিজৰ নকলী পোছাক খুলি পেলালে।

সভাসদসকলে কুমাৰবাৰ্মাক চিনি পাই তেওঁৰ জয়ধ্বনি দিলে। কোনো ৰক্তপাত নোহোৱাকৈ ৰাজ্যৰ শাসনভাৰ পুনৰ কুমাৰ-বাৰ্মাৰ হাতলৈ আহিল।

ইয়াৰ লগে লগে ৰাণী কৰ্পূৰৱল্লীয়ে নিজৰ স্বামীক সুধিলে, "যদি আপুনি আগতেই নিজৰ সেনাক কলেহেঁতেন যে আপুনিয়েই কুমাৰবাৰ্মা তেন্তে আপুনি জানো কেতিয়াবাই ৰজা হ'ব নোৱাৰিলেহেঁতেন?"

"এইবাৰ ৰাজ্য মই উত্তৰাধিকাৰীসূত্ৰে দখল কৰা নাই, বৰঞ্চ নিজৰ শক্তিৰে জোৰতহে লাভ কৰিছো। যদি মই মোৰ সেনাক মোৰ প্ৰকৃত পৰিচয় আগতেই দিলোহেঁতেন তেন্তে নিজৰ শক্তিৰ জোৰত ৰাজ্য লাভ কৰাৰ সুযোগ নাপালোহেঁতেন বা তাক প্ৰমাণ কৰাৰ সুযোগো নাপালোহেঁতেন। এতিয়া নিজৰ শক্তিৰ ওপৰত মোৰ বিশ্বাস হৈছে, গতিকে মই এইবোৰ প্ৰতিযোগিতাত ভাগ লোৱাৰ প্ৰয়োজন নাই।" ৰজাই ক'লে।

ইয়াৰ পাছত ৰজাই প্ৰতিযোগিতাত ভাগ লোৱাটো বন্ধ কৰিলে আৰু ৰাজ্যৰ ৰাজধানীত অনুষ্ঠিত প্ৰতিযোগিতাত পাৰদৰ্শিতা দেখুওৱা যুৱকসকলক নিজৰ সৈন্যবাহিনীত তথা অন্যান্য পদত নিযুক্তি দিলে।

চিত্ৰ : গান্ধী অয্যা 26
অপৰাজেয় গৰুড়
অৰুণা ৰজা মানৱেন্দ্ৰৰ লগত চন্দ্ৰপুৰীলৈ ঘূৰি যায়। আদিত্য বজ্ৰপুৰীলৈ যায়। এটা চিলনী তেওঁৰ কান্ধত বহে যেন তেওঁক সাৱধান কৰিহে দিছে। সেনা শিবিৰৰ ভিতৰত মন্ত্ৰী পুষ্পৰাজে ধীৰসেনৰ সৈতে সন্ধিৰ কথা পাতে। চিলনীয়ে পুষ্পৰাজক আক্ৰমণ কৰে। পুষ্পৰাজে ধীৰসেনৰ আগত আত্মসমৰ্পণ কৰে।
মন্দিৰৰ ভিতৰত ৰাজগুৰু গভীৰ ধ্যানত মগ্ন হয়।
এয়া কি? গৰুড়ৰ প্ৰতিমাৰ চাৰিওফালে আভা মণ্ডল!
এক নীলা বাতাৱৰণ! আচৰিত! ই বাৰু কি কথাৰ সংকেত?
হে প্ৰভু! কৃপা কৰি আটাইবোৰ দুষ্ট শক্তিৰ পৰা আদিত্যক ৰক্ষা কৰা!
উঠি ৰাজগুৰু যাবলৈ লয়।
আভা মণ্ডল অদৃশ্য হৈ গৈছে। আশা কৰোঁ প্ৰভুৱে মোৰ প্ৰাৰ্থনা শুনিছে।
পৰ্বতৰ গুহাত! আপ্তপুৰুষে দুজন জনজাতীয় যুৱকক মাতে।
ৰজাক চন্দ্ৰপুৰীৰ সীমালৈ লৈ যোৱা।

মোৰ সুৰক্ষাৰ বাবে যে আপুনি চিন্তা কৰিছে তাক মই প্ৰশংসা কৰিছো।
আপুনি সফলতা লাভ কৰক!
আদিত্যক সোনকালে ধৰা।
ৰবীন্দ্ৰ, তোমাৰ দেউতাৰাক কোৱা তেওঁ যেন নিজৰ গুৰুৰ শক্তি আহ্বান কৰে।
ৰজা বিক্ৰমসিংহ আৰু জনজাতীয় যুৱকে পাহাৰীয়া এলেকা পাৰ কৰে।
সূৰ্যপুৰীৰ কেইজনমান সৈনিকৰ লগত আদিত্য পাহাৰীয়া গুহা অভিমুখে আগবাঢ়ে।
তেওঁলোক গুহা মন্দিৰৰ চৌহদত প্ৰৱেশ কৰে।
সেনাপতি, সৈনিকসকলক বহিৰ্দ্বাৰত পহৰাৰ বাবে নিয়োগ কৰা।
মই তেওঁলোকক আদেশ দিম, ৰাজকুমাৰ আদিত্য।
মই গৈ চাঁওগৈ যে বজ্ৰপুৰীৰ সেনা আমাৰ সীমাৰপৰা ঘূৰি গৈছেনে নাই।
আপোনাৰ যি ইচ্ছা, ৰাজকুমাৰ।
আটাইবোৰ বহিৰ্গামী দ্বাৰ তথা প্ৰবেশদ্বাৰত সূৰ্যপুৰীৰ সেনা নিয়োগ কৰা হয়।

HA! AH!
বিক্রমসিংহ তথা যুৱক জংঘলত প্ৰবেশ কৰাৰ লগে লগে বাণৰ বৰষুণ হ'বলৈ ধৰে।
HA! AHGH!
মহাৰাজ! নিজকে চম্ভালি লওক। মই আপোনাক ঘোঁৰাৰপৰা নমাত সহায় কৰো।
তাত! সময় নষ্ট নকৰিবা। ৰজাক নিজৰ লগত লৈ যোৱা। তৎক্ষণাৎ!
মহাৰাজ! অনুগ্ৰহ কৰি উঠক। আমি খুব থৰকৈ যাম।
বিক্রমসিংহক ৰজাৰ ঘোঁৰাৰ ওপৰত ৰখা হয়।
এক জনজাতীয় দম্পতি তেওঁৰ ফালে আহি থকা দেখি আদিত্য ৰৈ যায়।
এঁওলোকে এবাৰ মোক গুহা মন্দিৰত হৈ থকা নৰবলিৰ বিষয়ে কৈছিল।

মহোদয়, আমি এই কথা ক'বলৈ
আহিছো যে আমি দুজন জনজাতীয় যুৱকে এজন ৰজাৰ দৰে
ব্যক্তিক লৈ এটা গুহাৰপৰা বাহিৰলৈ অহা দেখিছো।
তেওঁলোক নাগবন্ধুৰ দলৰ। তেওঁলোকে আগৰ দৰে নৰবলি দি আহিছে।
তাৰপিছত কি হ'ল?
এজন যুৱক আৰু ৰজা বাণত আঘাত পাই পৰি যায়। যিজন যুৱক সুৰক্ষিত হৈ থাকে, তেওঁ ৰজাক নিজৰ ঘোঁৰাত বাখি খুব বেগাই মন্দিৰৰ ফালে যায়।
আৰু যিজন আহত হৈছিল, তেওঁৰ কি হ'ল?
প্ৰাথমিক চিকিৎসাৰ বাবে তেওঁক আমাৰেই এজন যুৱকে আমাৰ চুবুৰীলৈ লৈ গৈছে।
তেওঁক নিশ্চয় কোনোবা জুপুৰীলৈ লৈ যোৱা হৈছে।
মই তেওঁক চাব খোজো।
আমি আপোনাক তালৈ লৈ যাম।
তোমালোক দুয়ো ইয়াতে মোৰ বাবে অপেক্ষা কৰিবা।
এই ফালে মহোদয়!
আদিত্যই দেখে যে আহত যুৱকজনক চিকিৎসা কৰি থকা হৈছে।
ক্ৰমশঃ

সাঁচীৰ স্তূপ

সাঁচী ভূপালৰপৰা প্ৰায় ৪৫ কিলোমিটাৰ দূৰৈত অৱস্থিত। তাত থকা স্তূপ দেশৰ বৌদ্ধ তীৰ্থ-স্থানসমূহৰ ভিতৰত অন্যতম। বিশেষকৈ মেই মাহত পালন কৰা বুদ্ধ জয়ন্তীত ই হাজাৰ হাজাৰ বৌদ্ধধৰ্মী লোকক আকৰ্ষণ কৰে।

বৌদ্ধ ধৰ্ম গ্ৰহণ কৰা সম্ৰাট অশোকে (খ্ৰীষ্টপূৰ্ব ২৭৩-২৩৬) বিদিশাৰ ৰাজকুমাৰীক বিয়া কৰাইছিল। তাৰ ওচৰতে থকা সাঁচীত তেওঁ ১২ ফুট ওখ এটা শিলৰ স্তম্ভ থিয় কৰাইছিল আৰু নিজৰ শিলালিপি খোদাই কৰাইছিল। চাৰিওফালে কাঠৰ ৰেলিঙে ঘেৰি থকা ইটাৰ স্তূপ এই স্তম্ভৰ কাষতে আছিল আৰু খ্ৰীষ্টপূৰ্ব দ্বিতীয় আৰু প্ৰথম শতিকাত শুঙ্গ বংশৰ ৰজাসকলে ইয়াক সম্প্ৰসাৰিত কৰিছিল। ই সাঁচীৰ মুখ্য স্মাৰক। ইয়াৰ বৃত্তাকাৰ গম্বুজৰ ব্যাস ৩৬.৬ মিটাৰ আৰু উচ্চতা ১৬.৪৬ মিটাৰ। স্তূপৰ চাৰিওফালে আছে চাৰিখন প্ৰকাণ্ড দ্বাৰ বা তৰনা য'ত আছে চালে চকুৱোৰা ভাস্কৰ্য। প্ৰতিখন দ্বাৰৰে, আছে দুটা স্তম্ভ য'ত আছে তিনিটাকৈ অনুভূমিক ৰেইল। ৰেইল আৰু স্তম্ভত থকা ভাস্কৰ্যই বুদ্ধৰ পূৰ্ব জন্মৰ (জাতক) কাহিনী বৰ্ণনা কৰে।

সাঁচীত শুঙ্গ যুগৰ আৰু দুটা স্তম্ভ আছে। তাৰ পাছৰ বছৰবোৰত, স্তূপবোৰৰ চাৰিওফালে মন্দিৰ, বৌদ্ধ মঠ আৰু প্ৰাসাদ গঢ় লৈ উঠে, যিবোৰৰ বেছিভাগেই অৱহেলিত হয় আৰু এইবোৰৰ ধ্বংসাৱশেষ ১৮১৮ চনত আৱিষ্কাৰ কৰে জেনেৰেল টেইলৰ নামৰ এজন ব্ৰিটিছ লোকে। তেওঁৰ প্ৰচেষ্টাতেই বৃহৎ মাত্ৰাত খনন কাৰ্য চলোৱা হয়। শেষত ১৯১১-১৯ চনত চাৰ জন মাৰ্শ্বেলে এতিয়াৰ ৰূপত স্মৃতিসৌধসমূহ উপস্থাপন কৰে।

সাঁচীৰ স্তূপ স্মৃতিসৌধবোৰক বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানৰ মৰ্যাদা দি ইউনেস্ক'ই বিশেষভাবে "চাৰিখন প্ৰৱেশদ্বাৰত থকা ৰঙ বিৰঙৰ ভাস্কৰ্যৰ মহত্ত্বৰ" কথা উল্লেখ কৰে আৰু কয় যে ইবিলাকৰ "বয়স আৰু গুণাৱলীৰ" বাবে সাঁচীৰ এই ঘৰবোৰ ভাৰতৰ ভিতৰতে অনন্য।



বাতৰিৰ শিৰোনামাত শিশু

তৰুণ লেখক

তোমালোকে এইটো বিশ্বাস কৰিব পাৰানে যে চেন্নাইৰ চেট্টিনাড বিদ্যাশ্ৰমৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰী অৰ্চনা শ্ৰীৰামুলু (৬বছৰ) *মাই জাৰ্নি টু জাপানৰ* গৌৰৱময় লেখিকা। এইখন তেওঁ লেখা প্ৰথম কিতাপ। তেওঁৰ দেউতাকে কাম কৰা জাপানলৈ কৰা ভ্ৰমণৰ পাছতে অৰ্চনাই এই ভ্ৰমণকাহিনী লেখি উলিয়ায়। জাপানত "মই যোৱা সকলোবোৰ ঠায়েই মোৰ ভাল লাগিল, বিশেষকৈ ডিজনীলেণ্ড য'ত মোৰ ভাইটি আৰু মই বহুত খেল খেলিছিলো, ইউৱেনু চিৰিয়াখানা, শ্বিনাগৱা অ'ৱেৰিয়াম, মেৰাইন মিউজিয়াম ইত্যাদি।" অৰ্চনাৰ শিক্ষক শিক্ষয়িত্ৰীৰ মতে তাইৰ কথনভংগী খুব সাৱলীল আৰু নিজৰ অনুভূতি প্ৰকাশৰ বাবে শব্দ নিৰ্বাচনত তাই "সততাৰ" পৰিচয় দিছে।

কুইজ চেম্পিয়ন

ভাৰতত জন্ম ডেভিড ভাৰ্গিচ (১০) হ'ল বিবিচিৰ কুইজ শ্ব' জুনিয়ৰ মাষ্টাৰমাইণ্ডৰ কনিষ্ঠতম চেম্পিয়ন। ইয়াত তেওঁ নিজৰ বিশেষ বিষয় হিচাপে বাচনি কৰে *জুৰাচিক পাৰ্ক নামৰ চলচ্চিত্ৰখন*। ফাইনেলৰ বাবে তেওঁ বাচনি কৰে *ষ্টাৰ ৱাৰ্চ চলচ্চিত্ৰৰ* পৰিচালক জৰ্জ লুকাচৰ জীৱন আৰু কৰ্ম। ফাইনেলত তেওঁ নিজৰ পছন্দৰ বিষয়ত ১৪ পইন্ট আৰু সাধাৰণ জ্ঞানত ১৬ পইন্ট লাভ কৰি আন তিনিজন ল'ৰাক পৰাভূত কৰে। তেওঁৰ এই সফলতাৰ আঁৰৰ কাৰণ কি বুলি সোধা এটা প্ৰশ্নৰ উত্তৰত ডেভিডে কুইজ পৰিচালকজনক কয় "পঢ়া আৰু পঢ়া"। তেওঁৰ প্ৰিয় লেখক হ'ল কল্পবিজ্ঞান কাহিনীৰ লেখক এইচ জি ৱেল্চ আৰু আইজাক এচিম'ভ।

চান্দমামা কুইজ মাৰ্চ ২০০৮ ৰ উত্তৰ সমূহঃ

আমাৰ অসমীয়া সংস্কৰণৰ কোনো প্ৰৱিষ্টিতে আটাইবোৰ শুদ্ধ উত্তৰ পোৱা নগ'ল। সেয়েহে কোনো পুৰস্কাৰ দিয়া হোৱা নাই। আমাৰ পাঠকসকলৰ সুবিধাৰ্থে, কুইজ-২ৰ উত্তৰসমূহ ৩৫ নম্বৰ পৃষ্ঠাত দিয়া হৈছে। চান্দমামা কুইজ প্ৰতিযোগিতাত অবিৰতভাৱে ভাগ লৈ থাকিবা, এই আশাৰে।

Arya
CHANDAMAMA CLASSICS and COMICS
Spend this summer with your favourite Companions
Follow the adventures of the unknown Prince Arya with his forest friends. Read the legend of Garuda, the invincible warrior. Solve mysteries in the jungle with super sleuths, Eli and Puli, of the Detective Duo intelligence agency.
Garuda
Get your copies NOW!
Rs. 40
ARYA
Rs. 60
Garuda
Rs. 50
Eli & Puli
Chandamama subscribers buying all three titles will get a 20% discount
Available with vendors and leading bookstores.

ফটো নামকৰণ প্ৰতিযোগিতা

P. RAJALAKSHMI

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

K. BALU

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা তলৰ ঠিকনাত: । *ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,* জে ভি এল প্লাজা, ষষ্ঠ মহলা, ৬২৬ (পুৰণি ৫০১), আন্না চালাই, টিনামপেট, চেন্নাই - ৬০০ ০১৮. এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব । বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব । পুৰস্কাৰ পাওঁতা জনৰ নাম জুলাই সংখ্যাত প্ৰকাশ কৰা হ'ব।

ফেব্ৰুৱাৰী সংখ্যাৰ পুৰস্কাৰ বিজেতা

ঋষাণ দেৱ চৌধুৰী
মাৰফৎ-বলেন দেৱ চৌধুৰী
পদাৰ্থ বিজ্ঞান বিভাগ
পূব কামৰূপ কলেজ
বাইহাটা চাৰিআলি, অসম

বিজয়ী প্ৰৱিষ্টি

পুতলা কোন তুমিনে মই।
মই থাকিলে নকৰিবা ভয়॥

ভাৰতৰ বিষয়ে জানি লোৱাৰ উত্তৰসমূহ :

১.ভাৰতপুৰ, ৰাজস্থান; ২.তিব্বতীয় মৃগ;
৩.২৫ৰপৰা ৩০ বছৰ; ৪.ৰান অৱ কচ্ছ, গুজৰাত;
৫.কাশ্মীৰত; ৬.লিটল ৰাণ অৱ কচ্ছ।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501), Anna Salai, Teynampet, Chennai - 600 018. Editor : B. Viswanatha Reddi (Viswam)

VALOUR & ADVENTURE
HUMOUR & MYSTERY
MORALS & HEROES

Enthralling stories of six decades come together
in one incomparable collection



20% OFF!

The Chandamama
60th Anniversary Collectors Edition
Limited Copies!
HARDCOVER
Cover Price: Rs 449
You pay: Rs 360 only!
Includes shipping and handling

CHANDAMAMA
COLLECTORS EDITION

Take a trip down memory lane with the magazine's oldest editors, discover the beginnings of Chandamama and view some of the most memorable cover art across the decades.

Just fill in and mail the order form below to avail of a **20% DISCOUNT** on the 60th Anniversary Collectors Edition

I want a copy of the Chandamama Collectors Edition.

Name ....

Address ....

....

City .... State .... Pin ....

Telephone .... Mobile .... Email ....

Enclosed Cheque/DD for Rupees ....

Cheque/DD no .... Favouring **Chandamama India Ltd**

on .... bank. *(Send At-Par cheques or add Rs 60 for non-Chennai cheques)*

Please mail the order form to :

Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501) Anna Salai Teynampet, Chennai – 600 018.
Tel: (044) 24334455 Telefax: 24322103 Email: chandamama@chandamama.com Web: www.chandamama.com

*This offer is valid until 31st May '08 only. Allow 3 weeks for delivery.

CHANDAMAMA (Assamese) May 2008 Registrar of Newspapers of India No. 30278/76. Regd No. TN/CC(S)Dn/157/06-08
Licensed to post WPP - Inland No.TN/CC(S)Dn/80/06-08, Foreign No. 81/06-08